● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

*যেতিয়া মই দুখীয়াৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰো, তেতিয়া মোক ধৰ্মযাজক আখ্যা দিয়ে— তেওঁলোকে খাদ্য খাবলৈ কিয় পোৱা নাই সুধিলেই মোক কমুনিষ্ট কোৱা হয়।*

হেল্ডাৰ কামাৰা
*ব্ৰাজিলৰ যাজক*



www.dainikagradoot.in

৫ ব্ৰিটেইনত ক'ভিশিল্ডে প্ৰতিৰোধ কৰিলে ৮০ শতাংশ মৃত্যু
১১ শ্ৰীলংকাত ভাৰতক নেতৃত্ব দিব ধৱনে
৪ মহামাৰীৰ মহাপ্ৰকোপ আৰু ৰাজনীতিৰ কোপ

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ২১১তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ২৮ ব'হাগ ১৪২৮ ভাস্কৰাব্দ ১২ মে' ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 12 May 2021 মূল্য ঃ ৭.০০ টকা

■ ৰাজ্যত পুনৰ বৃদ্ধি পালে সংক্ৰমণৰ হাৰ ■ গুৱাহাটী মহানগৰীৰ ভয়াৱহ পৰিস্থিতি অব্যাহত ■ সংক্ৰমণ-মৃতৰ তালিকাৰ শীৰ্ষত থকা গুৱাহাটীতে প্ৰাণ হেৰুৱালে ৩৫ জনে ■ কৰ'নাত আক্ৰান্ত হৈ বৰপেটাৰ জিলা স্বাস্থ্য বিষয়াৰো মৃত্যু ■ কোকৰাঝাৰত তিনিমহীয়া শিশুৰো প্ৰাণ ল'লে ক'ভিডে ■ ন ন অঞ্চলতো প্ৰাণ হেৰুৱাইছে ক'ভিড ৰোগীয়ে

# এদিনতে এই পৰ্যন্ত সৰ্বাধিক ৬,২৫৮ আক্ৰান্ত-৮৫জনৰ মৃত্যু

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১১ মে' ঃ** শতক অৰ্জনৰ দিশে অগ্ৰসৰ হৈছে ৰাজ্যত দৈনিক মৃত্যু হোৱা ক'ভিড ৰোগীৰ সংখ্যাই। আজি ৰাজ্যত মুঠ ৮৫ জন ক'ভিড ৰোগীৰ মৃত্যু হয়। ক'ভিড ৰোগীৰ মৃত্যুৰ কিৰিলিত সম্প্ৰতি সমগ্ৰ ৰাজ্যতে আতংকৰ সৃষ্টি হৈছে। প্ৰথমবাৰলৈ ৰাজ্যখনত এদিনতে ৮৫ জন লোকে ক'ভিডত প্ৰাণ হেৰুৱালে। ইয়াৰ সমান্তৰালকৈ আজি দৈনিক আক্ৰান্তৰ সংখ্যা আৰু সংক্ৰমণৰ হাৰো বৃদ্ধি পায়। দৈনিক আক্ৰান্তৰ সংখ্যাই পুনৰ ছহেজাৰৰ সীমা অতিক্ৰম কৰাৰ বিপৰীতে আজিৰ দিনটোত সংক্ৰমণৰ হাৰ ৯.১৩ শতাংশ। উল্লেখ্য যে আজি ৰাজ্যত মুঠ ৬৮,৫৭২ জন লোকৰ ক'ভিড পৰীক্ষা সম্পন্ন হয়। ইয়াৰে ৬,২৫৮ জন লোকৰ শৰীৰত কৰ'নাৰ সংক্ৰমণ ধৰা পৰে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই টুইটযোগে সদৰী কৰিছে। ইপিনে, আজিৰ সুস্থতাৰ হাৰ হৈছে ৮৬.০৬ শতাংশ। উল্লেখ্য যে দৈনিক সংক্ৰমণ আৰু মৃত্যুৰ তালিকাত আজিও শীৰ্ষত থাকে কামৰূপ মহানগৰ জিলা। আজি জিলাখনত ১,৫৮৫ জন নতুনকৈ কৰ'নাত আক্ৰান্ত হয়। আনহাতে, মহানগৰত আজিৰ দিনটোতে ৩৫ জন ক'ভিড ৰোগীয়ে প্ৰাণ হেৰুৱায়। ইয়াৰ উপৰি কামৰূপ গ্ৰাম্য জিলাত ৫২৭, ডিব্ৰুগড়ত ৫০৭ আৰু নগাঁৱত ৩১৩ জন লোক ক'ভিডত আক্ৰান্ত হয়। সেইদৰে ডিব্ৰুগড়ত সাতজন, নগাঁৱত ছজন আৰু কামৰূপ গ্ৰাম্যত পাঁচজন ক'ভিড ৰোগীৰ মৃত্যু হয়। ইয়াৰ উপৰি বৰপেটা, শিৱসাগৰ, শোণিতপুৰত চাৰিজনকৈ, যোৰহাট, তিনিচুকীয়াত দুজনকৈ, কাছাৰ, গোৱালপাৰা, হাইলাকান্দি, নলবাৰীত দুজনকৈ তথা বঙাইগাঁও, ধেমাজি, ধুবুৰী, গোলাঘাট, হোজাই আৰু কাৰ্বি আংলং জিলাত এজনকৈ লোকৰ মৃত্যু *দুই পৃষ্ঠাত চাওক*



■ তিনিটাকৈ গুৰুত্বপূৰ্ণ বিভাগ ৰঞ্জিত দাসলৈ ■ ৰাজ্যৰ প্ৰথম মহিলা বিত্ত মন্ত্ৰী হ'ল অজন্তা নেওগ ■ পূৰ্বৰ মন্ত্ৰীসভাৰ বিভাগ সালসলনি নহ'ল পাটোৱাৰী-শুক্লবৈদ্য-কিষাণৰ

# বিত্ত-স্বাস্থ্য এৰিলে মুখ্যমন্ত্ৰী শৰ্মাই



## গৃহ-লোকনিৰ্মাণ বিভাগ নিজৰ হাততে ৰাখিলে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১১ মে' ঃ** দীৰ্ঘদিন কাৰ্যনিৰ্বাহ কৰি অহা একাধিক গুৰুত্বপূৰ্ণ বিভাগ সতীৰ্থলৈ এৰি আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নৱনিৰ্বাচিত মন্ত্ৰীসকলৰ মাজত দপ্তৰসমূহ বিতৰণ কৰে। লক্ষ্যণীয়ভাৱে ৰাজ্যিক বিজেপিৰ সভাপতি ৰঞ্জিত কুমাৰ দাসক তিনিটাকৈ গুৰু বিভাগৰ দায়িত্ব অৰ্পণ কৰি মন্ত্ৰীসভাত তেওঁৰ স্থান দ্বিতীয় বুলি স্পষ্ট কৰি দিয়া হৈছে। ইয়াৰ বিপৰীতে বিত্ত বিভাগৰ দায়িত্ব অৰ্পণ কৰা হৈছে অজন্তা নেওগক। নেওগ বিত্ত বিভাগৰ দায়িত্বপ্ৰাপ্ত অসমৰ প্ৰথমগৰাকী মহিলা মন্ত্ৰী। আনহাতে, বিজেপি মিত্ৰজোঁট চৰকাৰৰ যোৱা কাৰ্যকালতো কাৰ্যনিৰ্বাহ কৰা কে'বাজনো মন্ত্ৰীক পূৰ্বৰ বিভাগৰে দায়িত্ব দিয়া হৈছে। *আঠ পৃষ্ঠাত চাওক*

### অসম মন্ত্ৰীসভা

| নাম | বিভাগ |
|---|---|
| মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা | গৃহ, কৰ্মী প্ৰশাসন, লোকনিৰ্মাণ আৰু আন মন্ত্ৰীক দায়িত্ব নিদিয়া বিভাগসমূহ |
| ৰঞ্জিত কুমাৰ দাস | পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, জনস্বাস্থ্য কাৰিকৰী, খাদ্য আৰু অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা |
| অতুল বৰা | কৃষি, উদ্যানশস্য, পশুপালন আৰু পশু চিকিৎসা, সীমান্ত অঞ্চল উন্নয়ন, সমবায়, অসম চুক্তি ৰূপায়ণ |
| উৰ্খাও গৌৰা ব্ৰহ্ম | হস্ততাঁত আৰু বস্ত্ৰশিল্প, ভূমি সংৰক্ষণ, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ (বিটিচি) |
| চন্দ্ৰমোহন পাটোৱাৰী | পৰিবহণ, উদ্যোগ আৰু বাণিজ্য, কৌশল বিকাশ, সংখ্যালঘু উন্নয়ন |
| পৰিমল শুক্লবৈদ্য | পৰিৱেশ আৰু বন, মীন, আবকাৰী |
| কেশৱ মহন্ত | স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, বিজ্ঞান আৰু প্ৰযুক্তি, তথ্য প্ৰযুক্তি |
| ডাঃ ৰণোজ পেগু | শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ (বিটিচিৰ বাহিৰৰ) |
| অশোক সিংঘাল | গুৱাহাটী উন্নয়ন, নগৰ উন্নয়ন, জলসিঞ্চন |
| যোগেন মহন | ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, পাৰ্বত্য অঞ্চল উন্নয়ন, খনি আৰু খনিজ সম্পদ |
| সঞ্জয় কিষাণ | চাহ জনজাতি উন্নয়ন, শ্ৰম আৰু নিয়োগ |
| অজন্তা নেওগ | বিত্ত, সমাজ কল্যাণ |
| পীযুষ হাজৰিকা | জলসম্পদ, তথ্য আৰু জনসংযোগ, সংসদীয় পৰিক্ৰমা |
| বিমল বৰা | ক্ৰীড়া আৰু যুৱ কল্যাণ, সাংস্কৃতিক পৰিক্ৰমা, শক্তি, পৰ্যটন |

## চতুৰ্দশ অসম বিধানসভা ভংগ কৰিলে ৰাজ্যপালে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১১ মে' ঃ** ভাৰতৰ সংবিধানৰ ১৭৪ তম অধ্যায়ৰ দুই (খ) ধাৰাৰ অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগ আৰু মুখ্যমন্ত্ৰীৰ পৰামৰ্শ অনুসৰি ৰাজ্যপাল জগদীশ মুখীয়ে চতুৰ্দশ অসম বিধানসভা ভংগ কৰিছে। কালিৰে পৰা প্ৰযোজ্য হোৱাকৈ এই নিৰ্দেশনা জাৰি কৰা হৈছে।

## কৰ'নাৰ মাজতে পেট্ৰ'লত ৪০-ডিজেলত ৫৪ পইচা মূল্যবৃদ্ধি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১১ মে' ঃ** ক'ভিডে সৃষ্টি কৰা সৰ্বসাধাৰণৰ জটিল আৰ্থিক পৰিস্থিতিৰ মাজতে ইন্ধনৰ ধাৰাবাহিক মূল্যবৃদ্ধি অব্যাহত আছে। চাৰিদিনৰ ব্যৱধানত আজি পুনৰ পেট্ৰ'লত ৪০ পইচা আৰু ডিজেলত *আঠ পৃষ্ঠাত চাওক*

## বিধায়কৰূপে শপতগ্ৰহণৰ সময়ছোৱাত অখিলক জামিন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১১ মে' ঃ** কাৰাবন্দী অৱস্থাতে বিধায়ক নিৰ্বাচিত হোৱা অখিল গগৈক সামান্য সকাহ দিলে গুৱাহাটীস্থ এন আই এৰ বিশেষ আদালতে। বিধায়ক হিচাপে গগৈয়ে আগন্তুক বিধানসভা অধিবেশনত পদ *আঠ পৃষ্ঠাত চাওক*

## কৰ'নামুক্ত হৈ চিকিৎসালয়ৰ পৰা উভতিল হেমেন দাস

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১১ মে' ঃ** কৰ'নামুক্ত হ'ল প্ৰবীণ বামপন্থী নেতা হেমেন দাস। ৯০ৰ উৰ্ধ্বৰ দাস ক'ভিড আক্ৰান্ত হৈ যোৱা ৩০ এপ্ৰিলৰ পৰা গুৱাহাটীৰ এখন ব্যক্তিগত হাস্পতালত চিকিৎসাধীন হৈ আছিল। *আঠ পৃষ্ঠাত চাওক*

## অগপৰ ফণীভূষণ চৌধুৰীয়ে পাব মন্ত্ৰিত্ব ঃ মহন্ত

দলীয় কাৰ্যালয়ৰ অগপৰ দুই শীৰ্ষ নেতা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১১ মে' ঃ** পূৰ্বতকৈ বিধায়কৰ সংখ্যা হ্ৰাস হ'লেও অসম গণ পৰিষদ (অগপ)ৰ পৰা পূৰ্বৰ দৰে তিনিজনে মন্ত্ৰীসভাত স্থান পাব বুলি দাবী কৰিছে দলৰ নেতৃত্বই। আজি ইয়াত *আঠ পৃষ্ঠাত চাওক*

**মাহে ৰমজান**

ইফটাৰ
আজি আবেলি ঃ ৬.০০ বজা
ছেহেৰী
কাইলৈ পুৱা ঃ ৩.১২ বজা
* *গুৱাহাটীৰ সময়*

■ নতুন চৰকাৰৰ প্ৰথম কেবিনেট বৈঠক

## ক'ভিড বাঢ়িলেও ৰাজ্যত সম্পূৰ্ণ তলাবন্ধ নহয়, ঘোষণা স্বাস্থ্যমন্ত্ৰী মহন্তৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১১ মে' ঃ** 'অসমত সম্পূৰ্ণ তলাবন্ধ নহয়।' ক'ভিডৰ জটিল সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত তলাবন্ধৰ আশংকা বৃদ্ধি হোৱাৰ সময়তে আজি জনতা ভৱনত এক সংবাদমেলত এই ঘোষণা কৰে নৱ নিযুক্ত স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই। অৱশ্যে তেওঁ স্পষ্ট কৰি দিয়ে যে সম্পূৰ্ণ তলাবন্ধ নহ'লেও ব্যৱস্থাবোৰত কিছু সালসলনি অনা *আঠ পৃষ্ঠাত চাওক*

**কেবিনেটৰ সিদ্ধান্তসমূহ**

■ প্ৰতি বুধবাৰে কেবিনেট বৈঠক ■ এক লাখক নিযুক্তি-ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানৰ ঋণ ৰেহাইৰ বাবে সমিতি গঠন ■ এন আৰ এলত অংশীদাৰিত্ব ২৬ শতাংশলৈ বৃদ্ধিৰ প্ৰস্তাৱ

■ ৰাজ্যিক কাৰ্যালয়ত মুখ্যমন্ত্ৰী ড° শৰ্মাক শুভেচ্ছা জ্ঞাপন দলীয় নেতৃত্বৰ

দল-চৰকাৰৰ সমন্বয়ত গুৰুত্ব ■ সোণোৱালক উপযুক্ত স্থানত সংস্থাপিত কৰিব ■ ছমাহ পৰ্যন্ত সভাপতি পদত ৰঞ্জিত দাস ■ জয়ন্ত মল্লক ৰাজনৈতিক সচিব নিযুক্তি

## ভোট সংগ্ৰহত ব্যৰ্থ নেতাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব বিজেপিয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১১ মে' ঃ** সংখ্যাগৰিষ্ঠতাৰে মিত্ৰজোঁটে চৰকাৰ গঠন কৰিবলৈ সক্ষম হ'লেও বিজেপিয়ে বহু সমষ্টিত তৃণমূল পৰ্যায়ত দলীয় সক্ৰিয়তাৰ অভাৱত নিৰ্বাচনত শোচনীয় প্ৰদৰ্শন কৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত সেইবোৰৰ দায়িত্বত থকা নেতাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে ৰাজ্যিক বিজেপিয়ে। দলৰ সভাপতি ৰঞ্জিত কুমাৰ দাসে আজি ইয়াত সাংবাদিকৰ আগত সদৰী কৰে যে ৰাজ্যিক পৰ্যায়ৰ পৰা জিলা পৰ্যায়ৰ নেতাৰ ক্ষেত্ৰত এনে ব্যৱস্থা গ্ৰহণ কৰা *আঠ পৃষ্ঠাত চাওক*



নদীত মৃতদেহ উটিছে, ৰঙীণ ছশমাৰে মোদীৰ চকুত চেণ্ট্ৰেল ভিষ্টাৰহে ছবি ঃ কটাক্ষ ৰাহুলৰ

## মোদীক ছোনিয়াৰ আক্ৰমণৰ প্ৰত্যুত্তৰ নড্ডাৰ

■ দেশত বিপৰ্যয় ঃ অথচ শাসক-বিৰোধী ব্যস্ত বোকা ছটিওৱাত

**■ নিউজ ব্যুৰ'**

**নতুন দিল্লী, ১১ মে' ঃ** দেশত ক'ভিডৰ সংহাৰী ৰূপে লক্ষ লক্ষ লোকৰ জীৱন কাঢ়ি নিয়াৰ সময়তে শাসক-বিৰোধী উভয়ে বোকা ছটিওৱাৰ জঘন্য খেলত লিপ্ত হৈছে। কালি কংগ্ৰেছৰ ভাৰপ্ৰাপ্ত সভানেত্ৰী ছোনিয়া গান্ধীয়ে দলৰ সৰ্বোচ্চ নীতি নিৰ্ধাৰক মঞ্চ কংগ্ৰেছ ৱৰ্কিং কমিটী (চি ডব্লিউ চি)ৰ বৈঠকত নৰেন্দ্ৰ মোদী চৰকাৰক ক'ভিডৰ মোকাবিলাৰ সন্দৰ্ভত তীব্ৰ আক্ৰমণ কৰাৰ পাছত আজি কংগ্ৰেছৰ শীৰ্ষ নেতা ৰাহুল গান্ধীয়েও প্ৰধানমন্ত্ৰী মোদীক আক্ৰমণৰ লক্ষ্য কৰি লয়। একে সময়তে ইয়াৰ প্ৰত্যুত্তৰ দিবলৈ তৎপৰ হৈ উঠে শাসক বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডা। ছোনিয়াক প্ৰত্যুত্তৰ দি আজি নড্ডাই প্ৰেৰণ কৰে এখন পত্ৰ। দেশত ক'ভিড সংকটৰ মোকাবিলাক লৈ ছোনিয়া গান্ধীয়ে চৰকাৰক কৰা আক্ৰমণৰ প্ৰত্যুত্তৰত নড্ডাই কয়, 'আপোনাৰ নেতৃত্বত আপোনাৰ দলে তলাবন্ধৰ বিৰোধিতা কৰি আৰু পাছত ইয়াৰ *আঠ পৃষ্ঠাত চাওক*





**কামৰূপৰ ক'ভিড আসন সংখ্যা**

| চিকিৎসালয় | মুঠ শয্যা | খালী শয্যা |
|---|---|---|
| জি এম চি | ৮৬২ | ৫৪ |
| এম এম চি | ২২২ | ৬৪ |
| আয়ুৰ্বেদিক কলেজ | ১২০ | ৫০ |
| শিঙিমাৰী চেণ্টাৰ | ৯৪ | ১৯ |
| সোণাপুৰ | ১৬২ | ৭৬ |
| কলিতাকুছি | ৭৬ | ১৫ |
| সৰুসজাই | ৪৩০ | ২৭৬ |
| কাহিকুছি | ২৭৪ | ১৮৫ |
| ৰয়েল গ্ল'বেল | ৯০০ | ৩৩৫ |
| পতঞ্জলী | ৪২৩ | ৩৮ |
| কালাপাহাৰ | ২০০ | ৫৪ |

* *১১ মে'ৰ সন্ধিয়া পাঁচ বজালৈ*

## সাতমহীয়া গৰ্ভৱতী পত্নীসহ মাতৃক ঘপিয়াই হত্যা

সৰভোগত পাৰিবাৰিক কন্দলৰ পৰিণতি

**অগ্ৰদূত বাৰ্তা**

**বৰপেটাৰোড, ১১ মে' ঃ** পাৰিবাৰিক কন্দলৰ বাবে বৰপেটা জিলাৰ সৰভোগত আজি মাতৃ আৰু সাতমহীয়া গৰ্ভৱতী পত্নীক এজন যুৱকে নৃশংসভাৱে হত্যা কৰাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সৰভোগ আৰক্ষী থানাৰ অন্তৰ্গত মাদুলীঝাৰ গাঁৱৰ বিশ্বজিৎ নাথ (২৮) নামৰ *আঠ পৃষ্ঠাত চাওক*

## কৃত্ৰিম নাটনিৰে মূল্যবৃদ্ধি ঃ তেজপুৰত মজুত ৰখা কোটি টকাৰ সামগ্ৰী জব্দ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১১ মে' ঃ** কৃত্ৰিম নাটনিৰে মূল্যবৃদ্ধিৰ পৰিৱেশ সৃষ্টি কৰা তেজপুৰ আৰু ঢেকিয়াজুলিৰ একাংশ অসাধু ব্যৱসায়ীৰ বিৰুদ্ধে আজি অভিযান চলালে শোণিতপুৰৰ যোগান বিভাগে। এই অভিযানতে যোগান বিভাগে একাংশ অসাধু ব্যৱসায়ীয়ে অসৎ উদ্দেশ্যৰে মজুত কৰি ৰখা কোটি টকাৰ অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী জব্দ কৰে। লগতে এইসকল অসাধু ব্যৱসায়িক প্ৰতিষ্ঠানৰ বিৰুদ্ধে যোগান বিভাগে আইনী পদক্ষেপো গ্ৰহণ কৰিছে। *আঠ পৃষ্ঠাত চাওক*

■ উগ্ৰপন্থীয়ে নদীত গ্ৰেণেড পেলাই যোৱাৰ সন্দেহ

## জাগুনৰ নদীত ৰহস্যজনক গ্ৰেণেড বিস্ফোৰণত শিশুৰ মৃত্যু, ৰক্ষা ভ্ৰাতৃৰ



**অগ্ৰদূত বাৰ্তা**

**মাৰ্ঘেৰিটা/তিনিচুকীয়া, ১১ মে' ঃ** তিনিচুকীয়া জিলাৰ জাগুনত আজি এখন নদীত সংঘটিত হোৱা ৰহস্যজনক গ্ৰেণেড বিস্ফোৰণত এটি শিশুৰ মৃত্যু হয়। এই বিস্ফোৰণত সৌভাগ্যক্ৰমে শিশুটিৰ কনিষ্ঠ ভ্ৰাতৃয়ে কোনো আঘাত নোপোৱাকৈ ৰক্ষা পৰে। কি পৰিস্থিতিত *আঠ পৃষ্ঠাত চাওক*

## দুসপ্তাহ পাছত সংক্ৰমণ ৩.৫ লাখলৈ হ্ৰাস

**দেশত ২৪ ঘণ্টাত মৃত্যু ৩,৮৭৬ কৰ'না ৰোগীৰ**



**■ নিউজ ব্যুৰ'**

**নতুন দিল্লী, ১১ মে' ঃ** প্ৰায় দুসপ্তাহৰ পাছত ভাৰতত দেশবাসীক কিছু সকাহ দি কৰ'নাৰ দৈনিক সংক্ৰমণ চাৰে তিনি লাখৰ তললৈ নামিল। যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ ক'ভিডত সংক্ৰমিত হ'ল তিনি লাখ ২৯ হেজাৰ ৯৪২ জন লোক। উল্লেখ্য যে যোৱা ২৭ এপ্ৰিলত দেশত অন্তিমবাৰ দৈনিক আক্ৰান্তৰ সংখ্যা চাৰে তিনি লাখৰ তলত আছিল। *আঠ পৃষ্ঠাত চাওক*

## প্ৰকৃততে অতিমাৰীৰ কোনটো ঢৌৰ সন্মুখীন হৈছে ভাৰত?

**■ নিউজ ব্যুৰ'**

**নতুন দিল্লী, ১১ মে' ঃ** কৰ'নাৰ শেহতীয়া সংক্ৰমণৰ পাছৰে পৰা দেশত ক'ভিডৰ সংক্ৰমণৰ ঢৌৰ প্ৰসংগ বহুলভাৱে উচ্চাৰিত হৈ আহিছে। কোৱা হৈছে যে ভাৰতত অতিমাৰীৰ সংক্ৰমণৰ দ্বিতীয়টো ঢৌ বা তৰংগ আৰম্ভ হৈছে; কিন্তু প্ৰকৃততে সংক্ৰমণৰ এই দ্বিতীয় ঢৌ বা তৰংগ মানে কি? অতিমাৰীৰ ইতিহাসে *আঠ পৃষ্ঠাত চাওক*

# দৈনিক অগ্ৰদূত

গুৱাহাটী, ১২ মে', ২০২১ বুধবাৰ পৃষ্ঠা তিনি


## সান্ধ্য আইনৰ মাজতে নৰ্থ-ইষ্ট পেক্ট এল পি জি ট্ৰান্সপ'ৰ্টাৰ সন্থাৰ অনিৰ্দিষ্টকালীন অসহযোগ

### নাটনিৰ দিশে ৰন্ধন গেছৰ চিলিণ্ডাৰ

**অগ্ৰদূত বাৰ্তা**

**উত্তৰ গুৱাহাটী, ১১ মে' ঃ** ক'ভিড মহামাৰীৰ মাজতে ৰাজ্যবাসীৰ বাবে দুখবৰ কঢ়িয়াই আনিছে ৰন্ধন গেছে। কাইলৈৰ পৰা অনিৰ্দিষ্টকাললৈ বন্ধ থাকিব উত্তৰ-পূবৰ আঠটাকৈ ৰন্ধন গেছ প্ৰকল্প। নৰ্থ ইষ্ট পেক্ট এল পি জি ট্ৰেন্সপ'ৰ্টাৰ এছ'চিয়েছনৰ কে'বাদফীয়া দাবীৰ সমৰ্থনত এই ধৰ্মঘট কাৰ্যসূচী ঘোষণা কৰিছে। থলুৱাক বঞ্চিত কৰি নিবিদাৰ ২৫ শতাংশ লাভাংশৰ হাৰ কমাই দিয়াৰ প্ৰতিবাদত এই ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰিছে। বছৰ বছৰ ধৰি ট্ৰান্সপ'ৰ্টাৰৰ ন্যায্য ছয় পৃষ্ঠাত চাওক

## হোম কোৱাৰেণ্টাইন হৈ থকা ব্যৱসায়ীয়ে দোকান খুলি ব্যৱসায় আৰম্ভ কৰাক লৈ প্ৰতিক্ৰিয়া

# নগাঁৱত পদে পদে উলংঘা ক'ভিড প্ৰট'কল



ক'ভিড প্ৰতিষেধক গ্ৰহণৰ বাবে শাৰী পাতিছে ১৮ উৰ্দ্ধৰ যুৱক-যুৱতীয়ে তেজপুৰত, মঙলবাৰে।

**বিশেষ সংবাদদাতা**

**নগাঁও, ১১ মে' ঃ** নগাঁও জিলাত প্ৰতি পদে পদে উলংঘা কৰা হৈছে ক'ভিড প্ৰট'কল। মাস্ক পৰিধান কৰা, শাৰীৰিক ব্যৱধান মানি চলা, ক'ভিড আক্ৰান্তই সঠিকভাৱে হোম কোৱাৰেণ্টাইন হোৱা, কণ্টেইনমেণ্ট জ'ন অঞ্চলত প্ৰৱেশ-প্ৰস্থান নিষিদ্ধ কৰা আদিবোৰ একাংশ লোকৰ বাবে যেন আজিও ল'ৰা ধেমালি সদৃশ হৈ আছে। যাৰ ফলত নগাঁও চহৰ প্ৰমুখ্যে জিলাখনৰ বিভিন্ন ঠাইত ক'ভিডৰ দ্ৰুত গণ সংক্ৰমণে জটিল পৰিস্থিতিৰ সৃষ্টি কৰা পৰিলক্ষিত হৈছে। শেহতীয়াকৈ নগাঁও চহৰত ব্যাপক হাৰত ক'ভিড-১৯ৰ সংক্ৰমণ ঘটাৰ মাজতে এক ভয়ংকৰ ঘটনাই নগাঁও চহৰবাসীক উদ্বিগ্ন কৰি তোলা পৰিলক্ষিত হৈছে। চৰকাৰ-প্ৰশাসনে সততে সজাগতা সৃষ্টিৰ বাবে চলাই অহা অভিযানক ভেঙুচালি কৰি আজি নগাঁও চহৰৰ মাৰোৱাৰীপট্টিৰ ৰোহিনী ষ্টোৰ (পূৰ্বৰ খগেন ষ্টোৰ) নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানখনে চূড়ান্ত দায়িত্বজ্ঞানহীনতাৰ পৰিচয় দাঙি ধৰাৰ অভিযোগ উত্থাপিত হৈছে। ব্যৱসায়িক প্ৰতিষ্ঠানখনৰ স্বত্বাধিকাৰী মুকুল ৰজকৰ নিকটাত্মীয়ৰ দেহত ক'ভিড-১৯ৰ অৱস্থিতি ধৰা পৰাৰ পাছত স্বাস্থ্য বিভাগে পৰিয়ালটোৰ সকলোকে হোম কোৱাৰেণ্টাইনত আইছ'লেছনত থাকিবলৈ পৰামৰ্শ দিয়ে। কিন্তু ধনৰ লোভত আজি ৰজকে পুৱাৰে পৰা প্ৰতিষ্ঠান খুলি ব্যৱসায় আৰম্ভ কৰে। চহৰখনৰ এখন প্ৰতিষ্ঠিত এই ব্যৱসায়িক প্ৰতিষ্ঠানখনৰ ছয় পৃষ্ঠাত চাওক

## সোঁতৰ বিপৰীতে



## 'সকলোৰে বাবে বিনামূল্যে ক'ৰনা পৰীক্ষা-চিকিৎসা, ঘৰে ঘৰে ছিটা-অম্লজান'

### সন্মিলিত নাগৰিক মঞ্চ-অসম মজুৰি শ্ৰমিক ইউনিয়নৰ দাবী

**গুৱাহাটী-যোৰহাট, ১১ মে' ঃ** অতিমাৰীত আক্ৰান্ত ভাৰতীয়ৰ সংখ্যা পৃথিৱীৰ ভিতৰতে সৰ্বোচ্চ হোৱাৰ সময়ত, দৈনিক লাখ লাখ মানুহ আক্ৰান্ত আৰু হেজাৰ হেজাৰ মানুহে মৃত্যুবৰণ কৰা সময়ত অসমৰ নতুন চৰকাৰ তথা স্বাস্থ্য বিভাগে জৰুৰি পদক্ষেপ লোৱা প্ৰয়োজন হৈ পৰিছে। আজি সন্মিলিত নাগৰিক মঞ্চ আৰু অসম মজুৰি শ্ৰমিক ইউনিয়নৰ তৰফৰ পৰা বাতৰিকাকতলৈ দিয়া এটা বিবৃতিত এই দাবি কৰা হৈছে। সন্মিলিত নাগৰিক মঞ্চৰ সভাপতি গোপাল গোস্বামী, কাৰ্যকৰী সভাপতি হেমেন বৰা আৰু অন্যতম সম্পাদক দীপক ৰফিক আহমদে আৰু অসম মজুৰি শ্ৰমিক ইউনিয়নৰ সভাপতি বিপুল হাজৰিকা, কাৰ্যকৰী ছয় পৃষ্ঠাত চাওক

## ক'ভিড পৰিস্থিতিৰ পৰ্যালোচনাৰ বাবে ওদালগুৰি উপায়ুক্তৰ বৈঠক

### যোগান বিভাগক কৃত্ৰিম নাটনি ৰোধৰ ওপৰত নজৰ দিবলৈ নিৰ্দেশ

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ১১ মে' ঃ** সমগ্ৰ ৰাজ্যৰ লগতে ওদালগুৰিতো ধাৰাবাহিকভাৱে ক'ভিড-১৯ সংক্ৰমণ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত আজি দিনৰ ১২-৩০ বজাত আৰু ২-৩০ বজাত ছাত্ৰ সংগঠন আৰু জাতীয় সংগঠন তথা স্বেচ্ছাসেৱী সংগঠনসমূহৰ লগত ওদালগুৰি জিলাৰ উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়াই দুখনকৈ সুকীয়া আলোচনাত মিলিত হয়। বৰ্তমান সমগ্ৰ দেশৰ লগতে অসমতো বাঢ়ি অহা ক'ভিড-১৯ৰ সংক্ৰমণ ওদালগুৰি জিলাত ৰোধ কৰিবৰ বাবে ছাত্ৰ সংগঠন, জাতীয় সংগঠন তথা স্বেচ্ছাসেৱী সংস্থাবোৰৰ পৰা মতামত তথা সহযোগিতাৰ বাবে জিলা উপায়ুক্তই আহ্বান জনায়। প্ৰথমখন বৈঠকত সদৌ অসম ছাত্ৰ সন্থা, নিখিল বড়ো ছাত্ৰ সন্থা, গোৰ্খা ছাত্ৰ সন্থা, বেংগলী যুৱ ছাত্ৰ ফেডাৰেছন, সদৌ অসম আদিবাসী ছাত্ৰ সন্থা আদিৰ প্ৰতিনিধিসকল উপস্থিত থাকে। উপস্থিত ছাত্ৰ সংগঠনসমূহৰ প্ৰতিনিধিসকলে জিলা উপায়ুক্তৰ আহ্বান মৰ্মে ক'ভিড-১৯ প্ৰতিৰোধৰ বাবে প্ৰয়োজন হোৱা ছয় পৃষ্ঠাত চাওক

## চুবুৰীয়া ৰাজ্য নগালেণ্ডত ক'ভিডৰ বিভীষিকাময় পৰিস্থিতি



### এসপ্তাহৰ সম্পূৰ্ণ তলাবন্ধ ঘোষণা নগালেণ্ড চৰকাৰৰ

**বিশেষ সংবাদদাতা**

**নগাবাট, ১১ মে' ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত ক্ৰমাৎ বৃদ্ধি পাইছে কভিড-১৯ৰ ঘটনা। শেহতীয়াকৈ অসমৰ দাঁতিকাষৰীয়া ৰাজ্য নগালেণ্ডত সৃষ্টি হৈছে ক'ভিডৰ বিভীষিকাময় পৰিস্থিতি। ইয়াৰ পৰিপ্ৰেক্ষিতত নগালেণ্ড চৰকাৰে ৰাজ্যখনত আজি এক বিবৃতিযোগে এটা সপ্তাহৰ বাবে আৰোপ কৰিছে সম্পূৰ্ণ তলাবন্ধ। তথ্য অনুসৰি ১৪ মে'ৰ সন্ধিয়া ছয় বজাৰ পৰা ২১ মে' লৈকে সমগ্ৰ ৰাজ্যখনত সম্পূৰ্ণ তলাবন্ধ বলৱৎ কৰাৰ নিৰ্দেশনা জাৰি কৰিছে নগালেণ্ড চৰকাৰে। উল্লেখ্য যে দিনকদিনে অভাৱনীয়ভাৱে ক'ভিড-১৯ত আক্ৰান্ত হৈছে চুবুৰীয়া ৰাজ্যখনৰ লোক। প্ৰতিটো দিনতে বৃদ্ধি হৈছে ক'ভিডত কৰুণভাৱে মৃত্যু হোৱা লোকৰ সংখ্যা। সেয়ে ছয় পৃষ্ঠাত চাওক

## বাসুগাঁও জুৱেলাৰীত চুৰিকাণ্ড

### অলংকাৰসহ গ্ৰেপ্তাৰ দুজন ঃ এজন পলাতক



**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ১১ মে' ঃ** চিৰাং জিলাৰ বাসুগাঁৱত জুৱেলাৰীত চুৰিকাণ্ডৰ স'তে জড়িত দুই চোৰক গ্ৰেপ্তাৰ কৰাৰ লগতে বৃহৎ পৰিমাণৰ আ-অলংকাৰ উদ্ধাৰ কৰিছে আৰক্ষীয়ে। উল্লেখ্য যে চিৰাঙৰ বাসুগাঁও চহৰৰ প্ৰতিমা জুৱেলাৰ্ছত যোৱা ২২ এপ্ৰিলৰ নিশা চুৰিকাণ্ড সংঘটিত হৈছিল। ছয় পৃষ্ঠাত চাওক

## চুমিলা ওৰফে মিলি ৰংহাংপিৰ নামত হ'ব আৱাসিক বিদ্যালয়-প্ৰতিমূৰ্তি

**সুভাষ ডেকা**

**কুদাম ৰংহাং গাঁও (পশ্চিম কাৰ্বি আংলং), ১১ মে' ঃ** নাই শিক্ষাৰ সুবিধাজনক পৰিৱেশ, দৰিদ্ৰতাৰ লগত জীৱন সংগ্ৰাম, অভাৱ-অনাটনৰ মাজেৰেই এটা অনিশ্চিত ভৱিষ্যতৰ দিশে গতি কৰি 'জীয়াই থাকিব লাগে কাৰণে জীয়াই থকা'ৰ লেখীয়াকৈ দিন অতিবাহিত কৰিবলগীয়া হৈছে এটা অঞ্চলৰ প্ৰায় ১২ ঘৰ পৰিয়ালৰ ৭৫-৮০ গৰাকী বাসিন্দা। অসম বিধানসভা বৈঠালাংছ' বিধানসভা সমষ্টিৰ অন্তৰ্গত তথা কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ এক নম্বৰ দোৱাৰ আমলা সমষ্টিৰ 'কুদুম ৰংহাং গাঁও'। পশ্চিম কাৰ্বি আংলং জিলাৰ ভকচং খাটমাৰীৰ তথা অসমৰ প্ৰাক্তন ৰাজ্যিক মন্ত্ৰী প্ৰয়াত ৰূপন সিং ৰংহাঙৰ পুৰণা গৃহৰ পৰা সাত কিলোমিটাৰ দক্ষিণে পাহাৰৰ অকোৰা-পকোৰা, ওখ-চাপৰ পথেৰে গ'লে পোৱা যায় এই গাঁওখন। যোৱা ২২ এপ্ৰিলৰ পাছৰ পৰা অজস্ৰ লোকৰ সোঁত বৈছে গাঁওখনলৈ। ৰাজনৈতিক-অৰাজনৈতিক দল-সংগঠন, স্বেচ্ছাসেৱী অনুষ্ঠানৰ পৰা সাংবাদিকলৈ, মন্ত্ৰী-বিধায়কৰ পৰা স্বায়ত্ত পৰিষদৰ ছয় পৃষ্ঠাত চাওক

## ধাৰাপুৰত পথ দুৰ্ঘটনাত থিতাতে দুজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ১১ মে' ঃ** আজি পুৱা প্ৰায় সাত বজাত আজাৰা আৰক্ষী থানাৰ অন্তৰ্গত ধাৰাপুৰত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত দুজন মটৰ চাইকেল আৰোহীৰ থিতাতে মৃত্যু হয়। মৃত লোক দুজন ছয়গাঁও থানাৰ অন্তৰ্গত গৰৈমাৰীৰ আব্দুল আলী (৪৩) আৰু মহিদুল ইছলাম (৪১)। আৰক্ষী সূত্ৰই সদৰী কৰা মতে, জালুকবাৰীৰ পৰা মিৰ্জা অভিমুখে আহি থকা এ আৰ ১১-৫৮৮৭ নম্বৰ তীব্ৰ বেগী বাছ এখনৰ লগত একে দিশতে আহি থকা এ এছ-০১ ডি ভি- ১২৫৪ নম্বৰৰ পালছাৰ মটৰ চাইকেল এখনৰ লগত সংঘৰ্ষ হয়। ফলত মটৰ চাইকেল আৰোহী দুয়োজনৰে থিতাতে মৃত্যু হয়। ঘটনাৰ খবৰ পোৱাৰ লগে লগে আজাৰাৰ যানবাহন আৰক্ষী উপস্থিত হৈ মৃতদেহ দুটা মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। আনহাতে, দুৰ্ঘটনাত পতিত দুয়োখন বাহন আজাৰা আৰক্ষী থানালৈ লৈ আহে।

## গোৱালপাৰাৰ ফুতুৰিপাৰাত পুনৰ বন্যহস্তীৰ তাণ্ডৱ



### দুটাকৈ বাসগৃহ ধ্বংস

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১১ মে' ঃ** গোৱালপাৰা জিলাৰ মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত ফটুৰীপাৰত যোৱা নিশা পুনৰ বন্যহস্তীয়ে তাণ্ডৱ চলাই দুটাকৈ বাসগৃহ ধ্বংস কৰে। নিশা দুটাকৈ বন্যহস্তীয়ে তাণ্ডৱ চলাই গাঁওখনৰ দিপেন উৰাও আৰু কালিচৰণ দাসৰ দুটাকৈ বাসগৃহৰ লগতে সা-সম্পত্তিৰ বিস্তৰ ক্ষতিসাধন কৰে। ইয়াৰ পূৰ্বেও বন্যহস্তীয়ে দিপেন উৰাওৰ বাসগৃহত কে'বাবাৰো তাণ্ডৱ চলোৱাৰ বিপৰীতে যোৱা গৰু বিহুৰ দিনা কালিচৰণ দাসৰ পত্নী আৰু জোৱাই বন্যহস্তীৰ আক্ৰমণত থিতাতে নিহত হ'বলগীয়া হৈছিল। এইদৰে গাঁওখনত বন্যহস্তীয়ে সঘনাই উপদ্ৰৱ চলাই থকাৰ ফলত গাঁওখনৰ ৰাইজে প্ৰায়ে উজাগৰী নিশা কটাবগীয়া হৈছে। সেয়ে বৃহত্তৰ স্বাৰ্থৰ খাতিৰতে হাতীৰ উপদ্ৰৱ স্থায়ীভাৱে ৰোধ কৰাৰ বাবে নতুন চৰকাৰক দাবী জনাইছে ভুক্তভোগী ৰাইজে। উল্লেখ্য যে হস্তী-মানৱৰ সংঘাত নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বন বিভাগ তথা জিলা প্ৰশাসনে উপযুক্ত পদক্ষেপ নোলোৱা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে।

## ধিঙৰ এক নম্বৰ কান্ধুলিমাৰিত বিদ্যুৎস্পৃষ্ট হৈ যুৱকৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**ধিং, ১১ মে' ঃ** যোৱা নিশা নগাঁও জিলাৰ ধিং কান্ধুলীমাৰীত সংঘটিত হয় এক শোকাবহ ঘটনা। বড়ো ধানৰ খেতিত পানী দিবলৈ বিদ্যুৎচালিত মটৰত লাগি ধৰি মজিবুৰ ৰহমান নামৰ এজন যুৱকৰ কৰুণ মৃত্যু হয়। লগে লগে অঞ্চলজুৰি হুৱাদুৱা পৰিস্থিতিৰ সৃষ্টি হয়। ঘটনাস্থলীত ধিং আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰে। উদ্যমী যুৱক কৃষকজনৰ মৃত্যুত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

## ৰুণিখাটা কুমগুৰীত বিয়াত বজ্ৰপাতত এজনৰ মৃত্যু, আহত চাৰি

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও/গৰুভাষা, ১১ মে' ঃ** চিৰাঙৰ ভাৰত-ভূটান সীমান্ত ৰুণিখাটাৰ কুমগুৰীত কালি সন্ধিয়াৰ বজ্ৰপাতত এজন লোক নিহত হোৱাৰ লগতে আন চাৰিজন লোক আহত হৈছে। বিয়াঘৰত সংঘটিত হৈছে এই ঘটনা। বিয়া ঘৰত বজ্ৰপাতত গাঁওখনৰ সোমাই হাছদাৰ পুত্ৰ সঞ্জয় হাছদা (২২) নামৰ এজন যুৱক নিহত হোৱাৰ লগতে খৰ্ম মাৰ্ডী, মণ্ডল হাছদা, সপল কিস্কু লগতে আন এজন আহত হৈছে। মৃত সঞ্জয় হাছদাৰ মৃতদেহ আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ বাবে কাজলগাঁও জেএছবি অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে।

## বাৰেকুৰিৰ লেছেংকা গাঁৱত উত্তপ্ত পৰিস্থিতি

### ড্ৰাগছসহ যুৱতীক আবদ্ধ ৰাইজৰ



**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ১১ মে' ঃ** কালি সন্ধিয়া তিনিচুকীয়া চহৰৰ নিচেই কাষতে অৱস্থিত বাৰেকুৰি আৰক্ষী থানাৰ অন্তৰ্গত লেছেংকা গাঁৱত এগৰাকী যুৱতীক ড্ৰাগছসহ আবদ্ধ কৰে স্থানীয় ৰাইজে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি তিনিচুকীয়াৰ বৰগুৰিৰ পৰা গাঁওখনলৈ ড্ৰাগছ সৰবৰাহৰ বাবে যোৱাৰ সময়তে গাঁওবাসীয়ে যুৱতীগৰাকীক আবদ্ধ কৰে। যুৱতীগৰাকীক আবদ্ধ কৰাৰ কিছুসময় পাছতে ঘটনাস্থলীত বাৰেকুৰিৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দিলীপ কুমাৰ চেতিয়াৰ লগতে তিনিচুকীয়াৰ অতিৰিক্ত আৰক্ষী অধীক্ষক দীপক তামুলীৰ নেতৃত্বত এটা বৃহৎ আৰক্ষীৰ দল উপস্থিত হয় যদিও অভিযুক্ত যুৱতীগৰাকীক আৰক্ষীয়ে থানালৈ লৈ যাবলৈ লওঁতেই এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয় আৰক্ষী

## জুৰীয়াত ভূমিকেন্দ্ৰিক সংঘৰ্ষত আহত ন

**অগ্ৰদূত বাৰ্তা**

**জুৰীয়া, ১১ মে' ঃ** জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত পূব চতিয়াত অআজি এক ভূমিকেন্দ্ৰিক সংঘৰ্ষত মহিলাসহ নজনকৈ লোক আহত হোৱা ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এটুকুৰা ভূমিক কেন্দ্ৰ কৰি গাঁওখনৰ গিয়াছ উদ্দিনৰ পৰিয়াল আৰু জামাল উদ্দিনৰ পৰিয়ালৰ মাজত দীৰ্ঘদিন ধৰি চলি আহিছিল সংঘাত। আজি উক্ত বিতৰ্কিত ভূমিত গিয়াছ উদ্দিনৰ পৰিয়ালে ঘৰ সাজিবলৈ যোৱাক লৈ দুয়ো পক্ষৰ সংঘাতে তীব্ৰ ৰূপ লয়। প্ৰথমে দুয়ো পক্ষৰ মাজত তৰ্কাতৰ্কি আৰু পাছত দুয়ো পক্ষৰ দা-যাঠিৰ আক্ৰমণ-প্ৰত্যাক্ৰমণত আহত হয় নজনকৈ লোক। আহতসকল ক্ৰমে ৰফিক উদ্দিন, জামাল উদ্দিন, জ্যোৎস্নাৰা বেগম, শ্বৰিফ উদ্দিন, ৰাবিয়া খাতুন, ৰবিজা খাতুন, আজমল, মোজ্জামিল হুছেইন আৰু মোস্তাক আহমেদ। ইয়াৰে আহত তিনিগৰাকী মহিলাক সংকটজনক অৱস্থাত ছয় পৃষ্ঠাত চাওক

## পাৰিবাৰিক কন্দলত প্ৰাণ গ'ল শিক্ষকৰ ঃ মৃতদেহ দাহক লৈ হোজাইত উত্তেজনা

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১১ মে' ঃ** অৱশেষত মৃত্যুক আঁকোৱালি ল'লে পৰিয়ালকেন্দ্ৰিক বিবাদত আক্ৰমণৰ বলি হোৱা শিক্ষকে। গুৱাহাটীৰ চিকিৎসালয়ত মৃত্যুক সাবটি লয় হোজাইৰ ইন্দ্ৰপ্ৰকাশ মালি নামৰ শিক্ষকজনে। পৈতৃক সম্পত্তিক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিবাদৰ বাবে নিজ ভ্ৰাতৃয়ে চোকা অস্ত্ৰৰে আক্ৰমণ কৰি শিক্ষকজনক হত্যা কৰাৰ গুৰুত্বৰ অভিযোগ উত্থাপন হৈছে। আজি হোজাইৰ হাৱাইপুৰত সৃষ্টি হয় এক কৰুণ পৰিৱেশৰ। কান্দোনত ভাগি পৰে গাঁওখনৰ স্থানীয় ৰাইজৰ লগতে একাংশ কণ কণ শিক্ষাৰ্থী। নিজ ভ্ৰাতৃৰ দ্বাৰা আক্ৰমণৰ বলি হৈছিল সেই অঞ্চলৰ শিক্ষক ইন্দ্ৰপ্ৰকাশ মালি। ভ্ৰাতৃৰ আক্ৰমণত গুৰুত্বৰভাৱে আহত হৈ গুৱাহাটীত চিকিৎসাধীন হৈ থকা অৱস্থাত মৃত্যুক সাবটি লোৱাৰ পাছতে আজি গাঁওখনত সৃষ্টি হয় ছয় পৃষ্ঠাত চাওক

## কৰ'নাৰ বাবে তেজপুৰ ভোজখোৱা ঈদগাহ ময়দানত ঈদৰ সমূহীয়া নামাজ বাতিল

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১১ মে' ঃ** শোণিতপুৰত কৰ'নাৰ সংক্ৰমণ বাঢ়ি অহাৰ প্ৰতি লক্ষ্য ৰাখি আৰু এই সংক্ৰমণ ৰোধ কৰাৰ স্বাৰ্থত এইবাৰ ভোজখোৱা পুৰণা ঈদগাহ ময়দানত অনুষ্ঠিত নহয় সমূহীয়া ঈদুল ফিটৰৰ নামাজ। চৰকাৰৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই এই সিদ্ধান্ত গ্ৰহণ কৰে পৰিচালনা সমিতিয়ে। আনহাতে, প্ৰশাসনে জাৰি কৰা নিশা ছয় বজাৰ পৰা পুৱা পাঁচ বজালৈ তলাবন্ধৰ বাবে ঘৰতে ঈদৰ নামাজ পঢ়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে ময়দান পৰিচালনা কমিটীয়ে। আজি এই সন্দৰ্ভত কমিটীয়ে প্ৰকাশ কৰে যে ঘৰত থাকক, সুস্থ থাকক নীতি অনুসৰি নিজৰ লগতে ছয় পৃষ্ঠাত চাওক

## এবছৰৰ ভিতৰতে সম্পূৰ্ণ হ'ব উত্তৰ অসমৰ মহাকাল স্বৰূপ জলবোমাটো



### সঘন ভূঁইকঁপে বঢ়াইছে আশংকা

**বিশেষ সংবাদদাতা**

**লখিমপুৰ, ১০ মে' ঃ** আৰু মাথোঁ এবছৰৰ ভিতৰতে সম্পূৰ্ণ হৈ উঠিব গেৰুকা মুখৰ জলবোমাটো। এছিয়াৰ ভিতৰতে অন্যতম বৃহৎৰূপে পৰিগণিত ধেমাজি জিলাৰ অৰুণাচল সীমান্তৰ গেৰুকামুখত নিৰ্মীয়মাণ দুহেজাৰ মেগাৱাট শক্তি উৎপাদন নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পটো নিৰ্মাণ সম্পূৰ্ণ হ'বলৈ এবছৰ সময়ৰো প্ৰয়োজন নহ'ব। প্ৰকল্পটোৰ নিৰ্মাণ সম্পূৰ্ণ কৰিবলৈ কেন্দ্ৰৰ তৰফৰ পৰা সঘন কঠোৰ নিৰ্দেশ জাৰি কৰাৰ উপৰি ৰাজ্য চৰকাৰৰ প্ৰভাৱশালী মন্ত্ৰীয়েও প্ৰকল্পৰ অতিথিশালাতে সঘনে নৈশ যাপন কৰি আতিথ্য গ্ৰহণ কৰাই নহয় প্ৰকল্পৰ নিৰ্মাণ সম্পূৰ্ণ কৰাত ৰাজ্য চৰকাৰৰ কৰণীয়খিনি কৰাৰ সঁহাৰি দি আহিছে। ভৱিষ্যতে প্ৰৱল ভূঁইকঁপেই হওক নাইবা আন কোনো কাৰণতেই হওক প্ৰকল্পটোৰ মূল জলাধাৰৰ বান্ধ ভাগি কেৱল লখিমপুৰ-ধেমাজি অথবা মাজুলীয়েই নহয় উত্তৰ অসম প্ৰাৱিত হোৱাৰ সংশয় আৰু সম্ভাৱনাই বৃহৎ অঞ্চলটো জোঁকাৰি আছে এটা দশকৰো অধিক সময়। ভূঁইকঁপ প্ৰৱণ অঞ্চলত এনে বৃহৎ নদীবান্ধ কোনোপধ্যেই যুক্তিসংগত হ'ব নোৱাৰে বুলি সাধাৰণ ৰাইজেই নহয় একাংশ বিশেষজ্ঞয়ো মতপোষণ কৰিছে। উল্লেখ্য যে যিখন সোৱণশিৰি নদীত এই ছয় পৃষ্ঠাত চাওক

## ডিব্ৰুগড় মেডিকেলৰ ক'ভিড ৱাৰ্ডত সাতশ ছেনিটেৰী নেপকিন বিতৰণ ৰট্ৰেক্ট ক্লাবৰ

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১১ মে' ঃ** মহামাৰী ক'ভিডৰ গণসংক্ৰমণ ডিব্ৰুগড়তো ভয়াৱহ ৰূপত বৃদ্ধি পাইছে। অন্যতম সামাজিক সংগঠন ৰট্ৰেক্ট ক্লাবে ক'ভিডৰ আতংকৰ প্ৰতি লক্ষ্য ৰাখি বিগত দিনকেইটাত জনসাধাৰণৰ মাজত মাস্ক আৰু ছেনিটাইজাৰ বিতৰণ কৰাৰ লগতে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ ক'ভিড ৱাৰ্ডত বিতৰণ কৰিছে ছেনিটেৰী নেপকিন। ডিব্ৰুগড়ৰ ৰট্ৰেক্ট ক্লাবৰ উদ্যোগত অসম চিকিৎসা মহাবিদ্যালয়ৰ ক'ভিড ৱাৰ্ড আৰু অন্যান্য ৱাৰ্ডত মুঠ সাতশ ছেনিটেৰী নেপকিন বিতৰণ কৰা হয়। ক্লাবৰ সভাপতি অভিশেষ কৌশিক, সম্পাদক ৰিবিটিক বৰুৱাসহ ঋষিকেশ গোস্বামীৰ উপস্থিতিত মেডিকেল কলেজৰ নাৰ্ছিং অধ্যক্ষ মমী নেওগক এক অনুষ্ঠুপীয়া কাৰ্যসূচীৰে উক্ত সামগ্ৰীসমূহ প্ৰদান কৰে। 'উই ফ'ৰ হাৰ' কাৰ্যসূচীৰ অধীনত চিকিৎসা মহাবিদ্যালয়লৈ এনেদৰে বিনামূলীয়া ছেনিটেৰী নেপকিন বিতৰণ কৰাত ক্লাবৰ কৰ্মকৰ্তাক সকলোৰে ভূয়সী প্ৰশংসা কৰিছে।

দৈনিক অগ্ৰদূত

গুৱাহাটী বুধবাৰ ২৮ ব'হাগ ১৪২৮ ভাস্কৰাব্দ ১২ মে' ২০২১

# পেটেন্ট ৰেহাই বিতৰ্ক

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জ' বাইডেনে অৱশেষত বিশ্ব বাণিজ্য সংস্থাত প্ৰতিষেধকৰ ওপৰত আৰোপিত পেটেন্ট বাতিল কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ চৰকাৰৰ এই সিদ্ধান্তক সকলোৱে প্ৰশংসা কৰিছে। ডেম'ক্ৰেট একাংশ সদস্যৰ হেঁচা তথা উন্নয়নশীল দেশসমূহৰ স'তে কৰ'নাৰ মোকাবিলাৰ বাবে সম্পদ, প্ৰযুক্তি আৰু প্ৰযুক্তিগত জ্ঞান বিনিময় ত্বৰান্বিত কৰিবলৈ বিভিন্ন দেশৰ পৰা অহা হেঁচাৰ পৰিপ্ৰেক্ষিততেই বাইডেনে ততাতৈয়াকৈ এই সিদ্ধান্ত ল'বলৈ বাধ্য হৈছে।

দক্ষিণ আফ্ৰিকা আৰু ভাৰতে এই সন্দৰ্ভত বিশ্ব বাণিজ্য সংস্থাত যুটীয়াভাৱে ইন্টেলেক্চুৱেল প্ৰপাৰ্টি ৰাইটছ যোৱা বছৰ দুই অক্টোবৰৰ পৰাই উত্থাপন কৰি আহিছিল। প্ৰতিষেধক ঔষধ আৰু পৰীক্ষাৰ ব্যৱস্থাৰ ওপৰত এই পেটেন্ট মাচুল ৰেহাই ভাৰত আৰু দক্ষিণ আফ্ৰিকাই উত্থাপন কৰি আহিছিল। এই আবেদনখন বৰ্তমান এশখন উন্নয়নশীল আৰু ন্যূনতম বিকশিত দেশে সমৰ্থন কৰি স্বাক্ষৰ কৰিছে। মাৰ্কিন বাণিজ্য প্ৰতিনিধি কেথেৰিন টায়ে সংস্থাক জনাইছে যে বিশ্ব স্বাস্থ্য সংস্থাই সদায়েই ইন্টেলেকচুৱেল প্ৰপাৰ্টিক বিশ্বাস কৰে; কিন্তু বৰ্তমান যিহেতু মহামাৰীৰ বাবে এক অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি হৈছে, গতিকে চৰকাৰে এনেবোৰ নিয়ম-কানুনত বৰকৈ লাগি থকা নাই। বিশ্ব স্বাস্থ্য সংস্থাৰ সাধাৰণ সঞ্চালক টেড্ৰছ আধানম ঘেব্ৰিয়েছাছে আন্তৰিকভাৱে আমেৰিকা যুক্তৰাষ্ট্ৰৰ এই সিদ্ধান্তক সমৰ্থন কৰিছে। তেওঁ কৈছে যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ এই সিদ্ধান্ত ঐতিহাসিক সিদ্ধান্ত। আমেৰিকা যুক্তৰাষ্ট্ৰই এই সিদ্ধান্ত লোৱাৰ পাছত আন আন উন্নত দেশসমূহে যদিহে ইয়াক মানি লয় তেনেহ'লে এই সিদ্ধান্তৰ ফলত অনুন্নত আৰু উন্নয়নশীল দেশসমূহ এতিয়াই নহ'লেও ভৱিষ্যতে লাভৱান হ'ব পাৰে।

ভাৰতত বৰ্তমান ৯.৮ শতাংশ লোকে প্ৰতিষেধকৰ এটা ড'জ পাইছে আৰু মাত্ৰ ২.৪ শতাংশ লোক সম্পূৰ্ণৰূপে প্ৰতিষেধক ল'বলৈ সক্ষম হৈছে। গতিকে ভাৰতে এই ক্ষেত্ৰত বহুদূৰ বাট যাবলগীয়া আছে। আনহাতে, আমেৰিকা যুক্তৰাষ্ট্ৰই কেৱল প্ৰতিষেধকৰ ক্ষেত্ৰতহে পেটেন্ট ৰেহাই দিব, টেষ্টিং কীট, ঔষধ আৰু পাৰ্চনেল প্ৰটেকচন ইকুইপমেন্ট বা পিপিইৰ ওপৰত আৰোপিত পেটেন্ট ৰেহাই নিদিয়ে। আকৌ এই পেটেন্ট ৰেহাইৰ সিদ্ধান্তটো বিশ্ব বাণিজ্য সংস্থাৰ ১৬৪ খন সদস্য ৰাষ্ট্ৰই গৃহীত কৰিব লাগিব। মুঠৰ ওপৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ঘোষণাটো সৎ হ'লেও ইয়াৰ কাৰ্যকৰীকৰণ বিলম্বিত হোৱাৰ সম্ভাৱনা অধিক।

ইতিমধ্যে কেতবোৰ দেশে আমেৰিকা যুক্তৰাষ্ট্ৰৰ এই পেটেন্ট ৰেহাইৰ বিৰুদ্ধে মাত মাতিছে; বিশেষকৈ যিবোৰ দেশত প্লাজমা উদ্যোগ আছে। জাৰ্মান চেন্সেলৰ এঞ্জেলা মাৰ্কেলেৰ মুখপাত্ৰ এগৰাকীয়ে কৈছে যে ইন্টেলেক্চুৱেল প্ৰপাৰ্টি হ'ল আৱিষ্কাৰৰ উৎস, গতিকে তাক ৰেহাই দিব নালাগে। এইখিনিতে উল্লেখযোগ্য যে ফাইজাৰ ঔষধ কোম্পানীৰ প্ৰতিষেধক অংশীদাৰ জাৰ্মান ভিত্তিক কোম্পানী। গতিকে এওঁলোকে প্ৰতিষেধকত ৰেহাই দিব নিবিচাৰিবই। মাৰ্কেলে কৈছে যে প্ৰতিষেধকৰ পৰা পেটেন্ট ৰেহাই দিলেই যে অধিক মানুহে প্ৰতিষেধক গ্ৰহণ কৰিব, সেয়া সঁচা নহয়। ইউৰোপীয় ইউনিয়নৰ অন্যান্য দেশসমূহেও প্ৰতিষেধকৰ পৰা পেটেন্ট ৰেহাইৰ বিষয়টো ভালপোৱা নাই।

পেটেন্ট ৰেহাইৰ সলনি ধনী দেশসমূহে দুখীয়া দেশসমূহক প্ৰতিষেধকেৰে সহায় কৰাৰহে পোষকতা কৰিছে পেটেন্ট ৰেহাইৰ বিৰোধীসকলে। আমাৰ দেশতো প্ৰতিষেধকৰ দাম নিৰ্ধাৰণ আৰু বৃদ্ধিক লৈ এক বিতৰ্ক চলি আছে। গতিকে বৰ্তমান বিশ্বৰ প্ৰধান প্ৰত্যাহ্বান কৰ'নাৰ মোকাবিলাৰ ক্ষেত্ৰত ব্যৱসায়িক যি মানসিকতা ফুটি উঠিছে, সেয়া বৰ্তমান পৰিস্থিতিত কোনোপধ্যে কাম্য নহয়।

## সৰ্বানন্দ এতিয়া অসমৰ আনন্দ নে দুখ?

# মহামাৰীৰ মহাপ্ৰকোপ আৰু ৰাজনীতিৰ কোপ



'যিখন বিশ্বত বতাহ নাই তাত আপুনি মোক সততাৰে স'তে উশাহ ল'বলৈ ক'ব পাৰেনে?' আমেৰিকাৰ এগৰাকী লেখিকা ৰেণী এহদিয়েহে কৈছিল।

আমাৰ দেশৰ বৰ্তমান আৰ্থ-সামাজিক তথা ৰাজনৈতিক পৰিস্থিতিত অক্সিজেনৰ পৰিমাণ প্ৰায় নোহোৱা হৈ পৰিছে। আমাৰ দেশত ৰাজনৈতিক অংক আৰু দাম্ভিকতাৰ বাবে আজি উশাহ এটি ল'বলৈ মানুহে ছটফটাই ফুৰিছে। ভাইৰাছে আমাৰ দেহৰ অক্সিজেন কক্ষ স্তব্ধ কৰি দিবলৈ ওলাইছে। আনহাতে, ৰাজনীতিৰ ভাইৰাছেও জনসাধাৰণৰ জীৱন-জীৱিকাৰ হাওঁফাওঁ অৱৰুদ্ধ কৰি পেলাইছে। দেশখনৰ চাৰিওফালে হাহাকাৰ। পেট্ৰ'লৰ মূল্য লিটাৰত এশ+, মিঠাতেলৰ মূল্য লিটাৰত দুশ+, বেৰোজগাৰি বা নিবনুৱা সমস্যা কোটি কোটিৰ ঘৰত। কৰ'না পৰিস্থিতি নিয়ন্ত্ৰণত চৰকাৰৰ অবিবেচক কাণ্ডই হেজাৰ-বিজাৰৰ প্ৰাণ লৈছে। অক্সিজেনৰ অভাৱত দেশখনত হেজাৰ-বিজাৰৰ অপমৃত্যু ঘটিছে। দৰিদ্ৰ আৰু মধ্যবিত্ত মানুহে ত্ৰাহি মধুসূদন দেখিছে। যোৱা বছৰটোৱে সৃষ্টি কৰা অৰ্থনৈতিক পৰিস্থিতিৰ মাধমাৰৰ পৰা গা টঙাবলৈ নৌপাওঁতেই দেশখনত কৰ'নাৰ দ্বিতীয়টো লহৰে এইবাৰ কঁকালতেই বৰকোব মাৰিবলৈ ধৰিছে। ল'ৰা-ছোৱালীৰ শিক্ষা ধোঁৱা চাঙত উঠিছে।

পিছে আমাৰ দেশত হাস্পতাল, অক্সিজেন প্লেন্টৰ সলনি নিৰ্মিত হ'ব লাগিছে মন্দিৰ, কোটি কোটি টকাৰ মহামন্দিৰ। আমাৰ দেশৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে ২০১৪ত কৈছিল যে আমাৰ দেশত মন্দিৰতকৈ শৌচাগাৰৰ প্ৰয়োজন অধিক। মুকলি আকাশৰ তলত শৌচ কৰাটো যেনিবা আজিও বন্ধ হোৱা নাই, শৌচাগাৰ নিৰ্মাণৰ নামত হৈছে ভেঁকোভাওনা। ধৰি ল'লো মোদী চৰকাৰে শৌচাগাৰ নিৰ্মাণত সফল হৈছে। পিছে বৰ্তমান মন্দিৰ আৰু শৌচাগাৰতকৈও প্ৰয়োজন চিকিৎসালয়ৰ, স্বাস্থ্যকেন্দ্ৰৰ, অক্সিজেন কাৰখানাৰ, মেডিকেল আৰু পেৰা-মেডিকেল ষ্টাফৰ।

পৰিতাপৰ বিষয় যে যি সময়ত আমি মুকলি আকাশৰ তলত দিনটোৰ প্ৰথমটো উশাহ লৈছো— সেইটো উশাহ হয়তো কাৰোবাৰ বাবে জীৱনৰ শেষ উশাহত পৰিণত হৈছে। আমি কি কৰিছো এই সময়ত— অত্যাৱশ্যকীয় সেৱা আখ্যাৰে নিৰ্মাণ কৰিবলৈ লৈছো চেণ্ট্ৰেল ভিষ্টা, নতুন সংসদ, নতুন কেন্দ্ৰীয় সচিবালয় আৰু প্ৰধানমন্ত্ৰীৰ নতুন বিলাসী বাসভৱন। কৰ'নাৰ মাজতো এই মনোহাৰী আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত যাতে যতি নপৰে, তাক নিশ্চিত কৰিবলৈ এই নিৰ্মাণ কাৰ্যক অত্যাৱশ্যকীয় সেৱা আখ্যা দি চৰকাৰে পূৰ্ণোদ্যমে কাম চলাই আছে। ঠিক এনেদৰেই পাঁচ হেজাৰ কোটি টকাৰে চৰ্দাৰ বল্লভভাই পেটেলৰ ইউনিটী ষ্টেচু নিৰ্মাণ কৰা হৈছিল। এতিয়া ২০ হেজাৰ কোটি টকাৰে চেণ্ট্ৰেল ভিষ্টা নিৰ্মাণৰ আঁচনি। নিজৰ দেশৰ জনসাধাৰণৰ বাবে কৰ'নাৰ প্ৰতিষেধক প্ৰস্তুত কৰাৰ সলনি অপৰিকল্পিতভাৱে আন আন দেশক প্ৰতিষেধক যোগান ধৰি নাটনিৰ মুখত পৰা চৰকাৰে অৱশেষত বিদেশৰ পৰা প্ৰতিষেধকৰ আমদানি কৰিও ৰক্ষা নাপালে। আমাৰ দেশ কিমান উন্নত, কিমান সম্পদশালী তাকে দম্ভ কৰিবলৈ গৈ আন দেশলৈ প্ৰতিষেধক যোগানৰ ব্যৱস্থা কৰিছিল চৰকাৰে। মোদী চৰকাৰৰ দেশপ্ৰেম তথা ৰাষ্ট্ৰীয়তাবাদ সকলোতে— কৰ'নাৰ প্ৰথমটো ঢৌৰ বাবে তবলিগি জামাতক গণশত্ৰুত পৰিণত কৰা হৈছিল। এতিয়া প্ৰতিষেধক আন দেশলৈ যোগান ধৰি ৰাষ্ট্ৰীয়তাবাদৰ সৃষ্টি কৰা হৈছে। ঠিক আছে আমাক বিলাসী দেখনিয়াৰ এক চৰকাৰী গৃহ লাগে; কিন্তু এয়া জানো এনে আঁচনিৰ সময়। দেশখনৰ অৰ্থনীতি থান-বান হৈ গৈছে। এক মহাসংকটৰ মাজত দেশৰ অৰ্থনীতি সোমাই পৰিছে। এনে সময়ত আড়ম্বৰতা কৰাটো জানো সমীচীন?

বিশ্বৰ চিকিৎসা বিজ্ঞান সম্পৰ্কীয় বিখ্যাত আলোচনী লেন, চেতৰ



**নিউজ স্কেন**

**গীতাৰ্থ পাঠক**

সম্পাদকীয়ত কৰ'না পৰিস্থিতি নিয়ন্ত্ৰণৰ ক্ষেত্ৰত মোদী চৰকাৰক ক্ষুৰধাৰ সমালোচনা কৰি কৈছে যে ভাৰত চৰকাৰে মহামাৰী নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা চলোৱাৰ সলনি টুইটাৰ একাউন্টৰ পৰা চৰকাৰক কৰা সমালোচনা আঁতৰাবলৈকেহে অধিক চেষ্টা চলোৱা দেখা যায়। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী হৰ্ষবৰ্ধনৰ কৰ'নাৰ ক্ষেত্ৰত ইণ্ডিয়া ইজ ইন দ্য এণ্ডগেম বুলি কৰা ঘোষণাৰ উদ্ধৃতি দি আন্তৰ্জাতিক মানৰ আলোচনীখনে কৈছে যে ভাৰত চৰকাৰৰ আত্মসন্তুষ্টিয়ে দেশখনক মহামাৰীৰ ক্ষেত্ৰত ডুবাইছে। এক আত্মসন্তুষ্টি, দুই অপৰ্যাপ্ত প্ৰস্তুতিয়ে দেশখনত মহামাৰীৰ দ্বিতীয়টো মাৰাত্মক ঢৌৰ সৃষ্টি কৰিছে। আন্তৰ্জাতিক তথা পশ্চিমীয়া সংবাদ মাধ্যমসমূহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কঠোৰভাৱে সমালোচিত হৈছে, বিশেষকৈ মহামাৰী নিয়ন্ত্ৰণৰ ব্যৰ্থতাৰ বাবে। এখন পশ্চিমীয়া কাকতে লিখিছে যে প্ৰধানমন্ত্ৰী মোদীৰ মাত্ৰাধিক আত্মবিশ্বাসৰ বাবেই ভাৰতৰ ১৪০ কোটি লোকে আজি ফল ভুগিবলগীয়া হৈছে। বিমুদ্ৰাকৰণ, নাগৰিকত্ব সংশোধনী আইন, তলাবন্ধৰ কঠোৰতা, চীনৰ স'তে সীমান্তক লৈ সংঘাত আৰু আনকি কৃষকসকলৰ আন্দোলনেও মোদী চৰকাৰক ইমান সমালোচনাৰ সন্মুখীন কৰোৱা নাছিল যিমানখিনি কৰিছে কৰ'না নিয়ন্ত্ৰণৰ বিষয়টোৱে। নিৰ্বাচনী সমাৱেশৰ পৰা আৰম্ভ কৰি কুম্ভমেলা পতালৈকে সকলোখিনি কৰিছে ভাৰতবৰ্ষৰ কোটি কোটি জনসাধাৰণৰ জীৱন আৰু স্বাস্থ্যক পণ হিচাপে লৈ। বিদেশী সংবাদ মাধ্যমৰ সমালোচনাক ভাৰতীয় জনতা পাৰ্টিৰ নেতাসকলে ভৰ্ৎসনা কৰি নিজৰ ভাবমূৰ্তি উজলাব বিচাৰিছে। বিজেপি নেতৃবৃন্দই বিৰোধী শাসিত ৰাজ্যসমূহৰ ওপৰত দোষ জাপি দিও নিজকে নিৰ্দোষী সজাব বিচাৰিছিল; কিন্তু এই আটাইবোৰ কৌশলে কাম নিদিলে। মোদী চৰকাৰৰ ব্যৰ্থতা ভাৰতবৰ্ষৰ দৰিদ্ৰ আৰু মধ্যবিত্ত মানুহখিনিয়ে ধৰিব পাৰিছে। ধনিক শ্ৰেণীৰ ওপৰত দোষ জাপি দি গৰিব মানুহক ত্যাগৰ চানেকি দেখুৱাবলৈ গৈ মোদী চৰকাৰে বিমুদ্ৰাকৰণ কৰিছিল। মূল্যবৃদ্ধি, নিবনুৱা সমস্যা আদি সকলো ক্ষেত্ৰতেই ভাৰতবৰ্ষৰ মধ্যবিত্ত শ্ৰেণীটোৱে মোদীৰ ত্যাগৰ আহ্বানৰ প্ৰতি সঁহাৰি দিছিল। দেশৰ ভিতৰতেই

**যি সময়ত আমি মুকলি আকাশৰ তলত দিনটোৰ প্ৰথমটো উশাহ লৈছো— সেইটো উশাহ হয়তো কাৰোবাৰ বাবে জীৱনৰ শেষ উশাহত পৰিণত হৈছে।**

পাকিস্তানৰ সমৰ্থক বিচাৰি অথবা দেশদ্ৰোহী বিচাৰি মোদী চৰকাৰে বিশ্ববিদ্যালয়ৰ চৌহদৰ পৰা ছ'চিয়েল মিডিয়ালৈকে চলাথ কৰিছিল। কাশ্মীৰক পূৰ্ণ ৰাজ্যৰ মৰ্যাদাৰ পৰা বঞ্চিত কৰি স্বায়ত্তশাসিত ৰাজ্য কৰাৰ ক্ষেত্ৰতো মোদী চৰকাৰে একাংশ মধ্যবিত্তৰ সমৰ্থন লাভ কৰিছিল। এনেদৰেই মোদীয়ে সাংঘাতিক জনপ্ৰিয়তা অৰ্জন কৰিছিল যদিও এতিয়া তেওঁৰ জনপ্ৰিয়তাৰ চকৰি ওলোটাফালে ঘূৰিবলৈ ধৰিছে।

যোৱা পাঁচখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনত অসম, পুডুচেৰিত বাদে বিজেপিয়ে ক'তো ভাল ফল দেখুৱাব নোৱাৰিলে। অসমতো মাত্ৰ ৩৩ শতাংশ ভোট পাই তথা ভোট বিভাজনৰ জৰিয়তে বিজেপিয়ে চৰকাৰ গঠন কৰিবলৈ সক্ষম হ'ল। পিছে মুখ্যমন্ত্ৰিত্বক লৈ সৃষ্টি হোৱা সংঘাত তথা ইয়াৰ প্ৰতিক্ৰিয়া অসমৰ জনসাধাৰণৰ মাজত কম হ'ব বুলি ক'ব নোৱাৰি। ৰাজ্যখনৰ ভৱিষ্যতৰ ৰাজনীতিও এই প্ৰতিক্ৰিয়াৰ দ্বাৰা প্ৰভাৱান্বিত হ'ব। সৰ্বানন্দ সোণোৱালক মুখ্যমন্ত্ৰিত্ব এৰাৰ বাবে এতিয়া ত্যাগবীৰ আখ্যা দি তোষামোদ কৰা হ'ব ধৰিছে। এসময়ত সৰ্বানন্দ সোণোৱাল আছিল জাতীয় নায়ক, যোৱা ২০১৬ত সৰ্বানন্দ অসমৰ সকলোৰে আনন্দত পৰিণত হৈছিল। অসমৰ আকাশে-বতাহে সৰ্বানন্দ অসমৰ আনন্দৰ গান বিয়পিছিল। এতিয়া সেই আনন্দ ক'লৈ গ'ল? সৰ্বানন্দ এতিয়া অসমৰ আনন্দ আৰু নহয়; বৰঞ্চ তেওঁ এতিয়া অসমৰ এটি দুখ। সি যি কি নহওক, ৰাজ্যখনত মুখ্যমন্ত্ৰী সলনি হোৱাৰ পাছত তথা নতুন মন্ত্ৰীসভা গঠিত হোৱাৰ পাছত এতিয়া বিজেপি দলৰ ভিতৰ চ'ৰাত তাৰ তাৎক্ষণিক আৰু দীৰ্ঘম্যাদী কি প্ৰতিক্ৰিয়া হয়, সেয়া চাবলগীয়া হ'ব।

এতিয়া পিছে মহামাৰীৰ আতংকৰ সময়ত নতুন চৰকাৰে এই মহামাৰীক কেনেদৰে প্ৰতিহত কৰিব পাৰে তাৰ ওপৰতহে চৰকাৰৰ ভাবমূৰ্তি গঠন হ'ব। কেৱল কথাৰে হ'লে নহ'ব। বাস্তৱ ক্ষেত্ৰত হ'ব লাগিব। প্ৰতিগৰাকী কৰ'না ৰোগীয়ে যাতে সম্যক চিকিৎসা পায়, অক্সিজেন পায় আৰু ৰেমডেচিভিৰকে ধৰি অন্যান্য জীৱনদায়িনী ঔষধবোৰ পায় তাৰ ব্যৱস্থা কৰিব লাগিব। গুৱাহাটীৰ বজাৰত ৰেমডেচিভিৰ পাবলৈ নাই, চৰকাৰৰ ঘৰৰ পৰা তিনি-চাৰি ঘণ্টা লাইন আৰু প্ৰতিটো ডায়েলত প্ৰায় ১৬০০ টকা দি কিনিব লাগে। ন্যূনতম ছটা ডায়েলৰ ৰেমডেচিভিৰৰ প্ৰয়োজন। গতিকে প্ৰায় পাঁচ হেজাৰ টকা। অক্সিজেনৰ নাটনিও শেষ হোৱা নাই। আশা কৰো নতুন চৰকাৰে অসমবাসীক সতেজ উশাহ ল'বলৈ সুবিধা কৰি দিব পাৰিব।

*ফোন ঃ ৯৪৩৫০৪৮৪৮৪*

# এজন অক্লান্ত ৰাজনীতিবিদলৈ গোহাৰি

## আমাক এখন শান্তিপ্ৰিয় আৰু প্ৰগতিশীল অসম লাগে। অসমীয়া কোন তাৰ ব্যাখ্যা নালাগে

**ড° অমল কুমাৰ বৰপূজাৰী**

**অৱশেষত** উদ্বিগ্নতাৰ অন্ত পৰিল আৰু নতুন এক অধ্যায়ৰ সূচনা হ'ল। আমি সচেতন নাগৰিকৰূপে ৰাজ্যখনত এজন দক্ষ অতুলনীয় ৰাজনৈতিক তথা বিদ্বান নেতৃত্ব পাবলৈ সমৰ্থবান হ'লো। কিছু দিনৰ পূৰ্বে স্থানীয় এক টি ভি চেনেলত মুখ্য সম্পাদকৰ স'তে আমাৰ কথা-বতৰা হৈছিল আৰু তেওঁক মই মেছেজ কৰি জনাইছিলো যে সৰ্বমুঠ ৭৪খন আসনেৰে পৰিবেষ্টিত হৈ বিধায়িনী দলৰ নেতা হিচাপে এজন বিশেষ ব্যক্তি নিৰ্বাচিত হ'ব আৰু তেৰেঁই আগন্তুক পাঁচ বছৰত ৰাজ্যখনৰ ৰাজনীতিত এক সফল পৰিক্ৰমাৰ পাতনি মেলিব।

আজিৰ পৰা এক দশক আগতে এইখন জনপ্ৰিয় কাকতেতে সম্পাদকীয় প্ৰৱন্ধত গুৱাহাটী মহানগৰীৰ পৰিৱৰ্তনৰ বিষয়ে বিতং আলোচনা কৰিছিলো। প্ৰেক্ষাপটত মই বহু বুদ্ধিজীৱী, জ্যেষ্ঠ বন্ধু, ৰাজনীতিবিদ, চিকিৎসক, শিক্ষাবিদ আদিৰ স'তে কেতিয়াবা কেতিয়াবা ঘৰুৱা আলোচনাত ভাগ লওঁতে, একোজন ব্যক্তিৰ যে ইমান সাধনা. শক্তি আৰু পটুতা থাকিব পাৰে সেয়া নজনা জনে গম নাপাব। প্ৰাৰম্ভণিতে মই কেইটামান সৰু সৰু কথা ক'বলৈ বিচাৰিছো যে— সচিবালয়, টেট পৰীক্ষা, শ্ৰদ্ধাঞ্জলি কাননৰ বিষয়কেইটা যেতিয়া পোহৰলৈ আহিল, তাৰ গুৰিতেই তথ্য আৰু আবেদন জনাওতে তৎকালীনভাৱে নহ'লেও বিষয়কেইটা গুৰুত্বসহকাৰে বিবেচনা কৰা বৰ্তমানৰ মুখ্যমন্ত্ৰীগৰাকীক সলাগ ন'লৈ নোৱাৰি। তেহেলৈ তেওঁ হেজাৰ হেজাৰ গুণগত প্ৰকল্প কৃতকাৰ্যতাৰে অসমবাসীলৈ অৱদান যোগাইছে। বেলেগ কথা কোৱাৰ প্ৰয়োজন নাই। ৰাজ্যখনৰ সকলো লোকে মুখ ফুটাই নক'লেও মনে-প্ৰাণে বিচাৰিছিল তেৰেঁই মুখ্যমন্ত্ৰী হওঁক। ডেকাচামৰ কথা মই নকলোৱেইবা।

অসমৰ বুকুত এইমছ আৰু লানি নিছিগা মেডিকেল কলেজৰ প্ৰস্তাৱ কাৰ্যকৰী ব্যৱস্থালৈ অনাটো ইমান দুঃসাধ্য বিষয় যে ইয়াক কৰাজনেহে উপলব্ধি কৰিব। কৃতকাৰ্যতাৰ শীৰ্ষত উঠিবলৈ হ'লে কিছু কষ্ট কৰিবলগীয়া হয়।

ৰাজ্যৰ মেটমৰা ঋণৰ বোজা। ২০২১ ছেপ্টেম্বৰ মাহলৈকে আৰ বি আইৰ পৰা ল'ব লগা অভাৰড্ৰাফট ধন সৰ্বাধিক হাৰত সংগ্ৰহ কৰিব লগা জিএছটি আৰু সম্পদৰ ৰয়েলিটী যোগ্যজনক যোগ্য পদত উপবিষ্ট কৰোৱা। আইন, প্ৰশাসন, গৃহ, সম্পদ ইত্যাদিৰ পৰিচালনা কৰিবলৈ হ'লে, সুদামাৰ দৰে ব্যক্তি হ'লে নহ'ব। হ'ব লাগিব চাণক্যৰ দৰে। আজি যি পৰিস্থিতিত সমগ্ৰ বিশ্ব প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে সেই প্ৰত্যাহ্বানৰ ভাবুকি লৈ পৃথিবীৰ এটা কোণত এজন সাহসী-বলিষ্ঠ ব্যক্তিয়ে চাৰে তিনি কোটি মানুহৰ সকলো দায়িত্ব বহন কৰাৰ কমাৰশালখনত বহিবলৈ লৈছে। সম্যক ধাৰণা, চেতনা, সাধনা আৰু বেদনা, যি ডাল বিৰিয়াৰে কঢ়িয়াবলৈ ওলাইছে সেইডাল কিন্তু ভুলুকা বাঁহৰ হোৱাটো প্ৰয়োজনীয়। গণতন্ত্ৰত বিশ্বাসী সবল নেতাজন যদি 'ক' (এ) হয় নিশ্চিতভাৱে ইয়াৰ পৰৱৰ্তী অনুকৰণকাৰীসকল 'খ' (বি) পৰা জেদ হ'বই লাগিব। তেহেঁলে কোনোবাই সমালোচনা কৰা, নক'বলগীয়া কথা কৈ নিজৰ আত্মসন্তুষ্টি লাভ কৰা বহুলোক অলিয়ে-গলিয়ে-পদূলিয়ে দেখা পোৱা গৈছে। শাসকীয় দলৰ মাজতো যে ক্ষোভ নাই সেই কথা আমি নকওঁ। সেয়া দলৰ নিজাববীয়া কথা। কিন্তু প্ৰকাশ্যে যি পৰিক্ৰমাৰে আহি আজি আমাক সন্তুষ্টি দিছে সেয়া প্ৰশংসাৰ প্ৰয়োজন নাই।

আমাক এখন শান্তিপ্ৰিয় আৰু প্ৰগতিশীল অসম লাগে। অসমীয়া কোন তাৰ ব্যাখ্যা নালাগে। লাগে মাথোঁ এখন সংহত অসম। যাৰ কাৰণে বৰ্তমানৰ যুৱপ্ৰজন্ম উৎফুল্লিত।

ক্ষমতা পাত্ৰ হ'লে মানুহৰ শব্দ আৰু কথা কোৱাৰ ভংগী সলনি হয়। কিন্তু দেখা গৈছে যে ব্যক্তিগৰাকীৰ চোকা অথচ সৱলীল হোৱা দেখা গৈছে। তেওঁৰ মনৰ ধাৰণাত কিমান 'কোটি' সেয়া ৰাজ্যখনৰ বিকাশৰ ধাৰণাই খোপনি পুতিছে সেয়া উপলব্ধি কৰা কঠিন। আমি দেখা পাব লাগে যে ৰাজ্যখনৰ প্ৰতিটো বিভাগ আৰু প্ৰতিটো বিষয়ৰ ওপৰত ক্ষমতাৰ বিকেন্দ্ৰীকৰণ হওক আৰু সকলোৱে আদৰ্শগতভাৱে নিজ নিজ দায়িত্ব পালন কৰি জনগণক সেৱা কৰক। প্ৰশাসন যে বিকেন্দ্ৰীকৰণ হ'ব সেয়া ধুৰুপ।

এইবাৰ চৰকাৰ সম্পূৰ্ণ বেলেগ হ'ব পাৰে বুলি আমি আশা কৰিব পাৰো। নাগৰিকৰ দাবী আৰু ৰাজনৈতিক দৃষ্টিকোণৰ পৰা যদি চাওঁ অসমৰ বুৰঞ্জীয়ে অহা পাঁচটা বছৰত নক'বলগীয়া কথা ক'ব। আৰু চলন্ত ইতিহাসৰ আৰু ৰাজনীতিৰ কিছু পৰিৱৰ্তন হ'ব। মই নিজে ৩২০ জন ব্যক্তিৰ সাক্ষাৎকাৰ লওঁতে এই কথা ৰেকৰ্ড কৰিছো। চৰকাৰৰ ব্যৱস্থাৰ প্ৰতি গুৰুত্ব দিয়া, দৰিদ্ৰতাৰ মাপকাঠিক গুৰুত্ব সহকাৰে লোৱা, বিভিন্ন জনপ্ৰিয় আঁচনিৰ অৱলোপণ কৰা, দৰিদ্ৰতাৰ হাৰ নিৰূপণ, দৰিদ্ৰতাৰ মান নিৰূপণ কৰা চৰকাৰৰ পহিলা কৰ্তব্য বুলি মই ভাবো। ৰাইজে বিচাৰ কৰা মুখ্যমন্ত্ৰীৰ প্ৰতি প্ৰতিজন ভোটাৰে ব্যক্তিগত বা সমূহীয়াভাৱে মোৰ বোধেৰে তাকেই বিচাৰিছে। অসমৰ দৰিদ্ৰতা গাঁৱে-ভূঞে-চহৰে নিৰূপণ কৰাটো ইমান সহজ নহয়। জিলাভেদে ইয়াৰ ৰূপ ভিন্ন ভিন্ন। সামাজিক মূলধনৰ ব্যৱস্থা কৰি ৰাজনৈতিক কিছু দূৰত ৰাখি এইবাৰ অসম কেনেকৈ উন্নতিৰ পথত আগবাঢ়িব সেয়া আমি দেখিবলৈ বেছি দিন নাই। আমি যিগৰাকী ব্যক্তিৰ নেতৃত্বত আজি আগবাঢ়িবলৈ ওলাইছো তেওঁ ইতিমধ্যে আমাৰ ৰাজ্যখনক লাভজনক ৰাজ্যৰ পৰা কল্যাণকামী ৰাজ্যলৈ পৰিৱৰ্তন কৰিবৰ কাৰণে যৎপৰোনাস্তি চেষ্টা কৰা যেন অনুমান কৰা যায়। অসমখনক এখন লাভৰ ৰাজ্য হিচাপে বিগত কিছু বছৰ আমি দেখি আহিছো। সেই লাভজনক ৰাজ্যখন এটা সময়ত ৰাজনৈতিক দবা খেলৰ প্লেটফৰ্ম আছিল। কেন্দ্ৰীয় চৰকাৰৰ উদ্ধৃতি মতে ৰাজ্যখনৰ কেৱল লাভালাভৰ কাৰণে তুলনামূলকভাৱে অন্য ৰাজ্যৰ তুলনাত অসমক বিভিন্ন উপায়েৰে ধন, টকা-পইচা দি থকা হৈছে। কিন্তু ইয়াৰ দ্বাৰা আমি কিমান দূৰ লাভান্বিত হ'ব পাৰিছো সেয়া ক'ব নোৱাৰা।

জলপানি, বীমা, বিদ্যালয়ৰ মাচুল, নামভৰ্তি, ৰাজসাহায্য ইত্যাদিৰ পৰিমাণ কৰ-কাটল বঢ়োৱাৰ অনুপাতে যদি চৰকাৰে ব্যয় কৰে, তেনেহ'লে সেইখন ৰাজ্য সাংঘাতিক ধৰণেৰে আগবাঢ়ি যাব। তদুপৰি কেন্দ্ৰীয় ক্ষমতাৰ প্ৰতি বৰাবৰ প্ৰত্যাহ্বান জনাব পৰা আৰু সিদ্ধান্ত ল'ব পৰা ব্যক্তি হিচাপে আৰু তীক্ষ্ণ বুদ্ধিমত্তা ব্যক্তিগৰাকীৰ ওচৰত অসমৰ ৰাজভঁৰাল টনকিয়াল কৰিবৰ কাৰণে আমি প্ৰায় একুৰি তৎকালে পাব পৰা ৰাজহৰ এক উপায় প্ৰেৰণ কৰিছো। ইয়াৰ দ্বাৰা ৩৮ হেজাৰ কোটি টকা ৰাজভঁৰাললৈ আহিব, যদিহে আমি সহযোগ কৰো। জনগণৰ ওপৰত কোনো ধৰণৰ আৰ্থিক হেঁচা বা বোজা জাপি নিদিয়াকৈ এই ধন সংগ্ৰহ কৰাত আপত্তি কি? আমাক খাৰুৱা তেলৰ ৰয়েলিটী বৃদ্ধি কৰা নকৰা, চলিত মাহত সমগ্ৰ দেশতে সৰ্বাধিক জি এছ টি সংগ্ৰহ কৰা (১.৪০ হেজাৰ কোটি টকা) আৰু তাৰ অংশ লাভ কৰা, কথাখিনি অলপ দূৰতে ৰাখিলো। মুখ্যমন্ত্ৰীগৰাকীৰ পৰা আশা কৰিছো যে এটা কথা নিশ্চিত হওক যে আমাৰ সমাজৰ নাগৰিকসকলে নিম্নতম মানৱীয় প্ৰয়োজনখিনি পূৰণ কৰিব পাৰে। এইটো তেওঁৰ দীৰ্ঘদিনীয়া এক সপোন বুলি আমি ভাবো। সামাজিক নিৰাপত্তা আৰু বীমা তথা পেঞ্চনৰ কাম খোপে খোপে আগবাঢ়ি যাওক, বৃদ্ধলোকৰ কাৰণে বাসস্থান, শিশুসকলৰ গুণগত শিক্ষা, চিকিৎসা, পিতৃ-মাতৃ তথা দুৰ্বলসকলৰ বাবে লগতে ৰুগীয়া, নিবনুৱা, অন্য ধৰণে সক্ষম ব্যক্তিসকলৰ কাৰণে এক বিশেষ আঁচনি হ'ব বুলি আমি ধাৰণা কৰিছো। ৰাজসাহায্যৰ দ্বাৰা বা প্ৰত্যক্ষভাৱে যদি তেওঁ ভাবে আৰু স্বাস্থ্য-শিক্ষা-সমাজ কল্যাণ ইত্যাদিৰ কাৰণে এতিয়াৰ পৰা কিছু টকা সুকীয়াকৈ ৰখা হওক।

উদাহৰণস্বৰূপে তিনি কোটি মানুহৰ বাবে ৰাজ্যখনত যদি কেৱল মাত্ৰ ১০ কোটি টকাৰ বছৰি ঔষধ আৰু যাৱতীয় সামগ্ৰী দিনে খায়, তেনেহ'লে দেখা যাব যে প্ৰতিজন নাগৰিকৰ গাইপতি ৩.৩৩ পইচাকৈ বছৰি ঔষধৰ কাৰণে চৰকাৰে ব্যয় কৰিব; কিন্তু সেইখন ৰাজ্যতে যেনিবা এক হেজাৰ কৰ্মচাৰীৰ বাবে দৰমহাৰ তিনি শতাংশ চিকিৎসা বানচ দিয়া যায় তেনেহ'লে গড়ে মাহে তিনিশ টকাকৈ পাব। এই ব্যৱধান এই আমোলত আঁতৰি যাওক। মুখ্যমন্ত্ৰী হিচাপে আমি তেওঁৰ জ্ঞান-বুদ্ধিক স্বীকাৰ কৰিলেই নহ'ব, সেয়া সুবিধা লৈ ৰাইজৰ মংগলৰ অৰ্থে তাক ব্যৱহাৰ কৰিব লাগিব। বিগত ৪০ বছৰত দেখা পালো উদ্যোগৰ নামত আৰু উদ্যোগ বিকাশৰ নামত বিশেষ শ্ৰেণীৰ ধন ঘটাৰ এক মজিয়া। সেই মজিয়াত টিকিব পাৰিলে আপুনি লেনাই-ধেন্দাই বা কেলঢোপ-কেলঢোপ কৰি আপুনি উদ্যোগ চলাব পাৰিব অন্যথা ৯০ শতাংশ চৰকাৰী উদ্যোগ বন্ধ হোৱাদি সকলো বন্ধ হৈ যাব। কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ কাগজ কলৰ পৰা ৰাজ্য চৰকাৰৰ সাৰ কাৰখানালৈকে কেৱল ধ্বংসলীলা, চৰকাৰী ধনৰ শৰাধ আৰু অকালতে বন্ধ হোৱা হেজাৰ হেজাৰ উদ্যোগৰ মৰিশালি। আমি ইয়াৰ কাৰণ ফঁহিয়াবলৈ নাযাওঁ; কিন্তু এইবোৰ হ'বলৈ কিয় পালে সেয়াও বিশ্লেষণৰ বিষয় নহয়; কিন্তু বিকেন্দ্ৰীকৰণৰ জৰিয়তে নতুন চৰকাৰে উদ্যোগ বিভাগটোক হয় সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়ক, নহয় যৌথ খণ্ডলৈ ৰূপান্তৰিত কৰক। পৃথিৱীত নোৱৰা কাম নাই। ১৯৪৭ৰ পাছত ২০২১লৈকে স্বাস্থ্যখণ্ডত সৰ্বমুঠ ৪০ বছৰৰ যি ব্যৱধান আছিল, সেয়া আজি আহি আহি প্ৰায় নোহোৱা হৈছেহি। পৰ্যটনৰ নামত ভেঁকোভাওনা চলিল। আমি আশা কৰিছো দুৰ্নীতিত লুতুৰি-পুতুৰি হোৱা অধিকাংশ বিত্তীয় প্ৰতিষ্ঠান (এ এফ চিৰ লেখীয়া) ৰাজ্যিক অনুষ্ঠান আৰু লগতে (এন ডি এফ আইৰ দৰে) দুৰ্নীতিৰ বোকাত লুটি-পুতি যোৱা অনুষ্ঠানৰ নাকত নাকি লগাই কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মতামত লৈ ইয়াক বন্ধ কৰা উচিত। অসমৰ পৰা চৈনিক দেশলৈ পোনপটীয়াভাৱে এটা বাণিজ্য পথ তৎকালে মুকলি কৰা কাৰণে চৰকাৰে উদ্যোগ ল'ব লাগে। ইতিমধ্যে অতীতৰ চৰকাৰৰ (কং) ষ্টিলৱেল পথ মুকলিৰ নামত কি হৈছিল তাক পাহৰি যাওঁহক। মুখ্যমন্ত্ৰীৰ প্ৰতি সবাতোকৈ ডাঙৰ অন্য এক প্ৰত্যাহ্বান হ'ল, সাময়িকভাৱে উপস্থিত হোৱা কৰ'নাৰ সংহাৰ মূৰ্তিৰ পৰা জনগণক ৰক্ষা কৰা। আৰু উজনি অসমত স্থায়ীভাৱে ৰাসায়নিক প্ৰক্ৰিয়াকৰণ হৈ নিয়মিতভাৱে অচিন ৰোগত আৰু কৰ্কট ৰোগত ভুগি হেজাৰ হেজাৰ লোকক মৃত্যুৰ পৰা উদ্ধাৰ কৰাটো। মই ভাবো নতুন মুখ্যমন্ত্ৰীয়ে যিহেতুকে সক্ৰিয়ভাৱে নিজৰ হাতত গুণগত ক্ষমতা লাভ কৰিছে, গতিকে তেলৰ উৎপাদনৰ লগে লগে মানৰ জীৱনৰো ক্ষয়-ক্ষতি নোহোৱাটো স্থিৰ কৰক। তদুপৰি অন্তঃকালত দেখা গৈছে যে আন্দোলন কৰি লাভ কৰা বি আৰ পি এল আজি তলে তলে আই অ' চিৰ হাতলৈ গ'ল, ঠিক সেইদৰে নুমলীগড় বি পি চি এলৰ হাতলৈ গ'ল। দুদিন পাছত অ' এন জি চিও যাব। লগতে বি চি পি এল (ডিব্ৰুগড়) ৰাজনীতিত পৰি আজি সমগ্ৰ প্লাষ্টিক উদ্যোগ, পেপাৰ মিলৰ দৰে বন্ধ হোৱাৰ উপক্ৰম হৈছে। যি উদ্দেশ্যৰে বি চি পি এল গঢ়ি তোলা হৈছিল, যি চৰ্ত সাপেক্ষে বি চি পি এলৰ এন অ' চি/প্ৰদূষণৰ নথি দিয়া হৈছিল, সেয়া আজি ধূলিসাৎ হৈ গ'ল। এতিয়া দুদিন পাছত জি এ আই চিৰ ৰাজত্ব, দুৰ্নীতিৰ হাতোৰা আৰু কত যে কি পৰিব। মুখ্যমন্ত্ৰী এজন দক্ষ প্ৰশাসক হিচাপে উত্তৰ-পূৰ্বৰ সমুদায় পলিমাৰ উদ্যোগৰ হৈ সেইবিলাক বচোৱাৰ কাৰণে মই আপোনাক কাকূতি কৰিছো। এই চক্ৰান্ত বন্ধ কৰা হওক।

গুৱাহাটী মহানগৰীৰ পৰিৱৰ্তে আমাৰ ৰাজ্যত কিয় এখন দ্বিতীয় মহানগৰী নাই? এখন ৰাজ্যতে আঠ-নখন মহানগৰ অৱস্থিত। এই সুবিধাৰে আমাৰ ৰাজ্যত এখন দ্বিতীয় মহানগৰীৰ পৰিকল্পনা কৰা যাওক। চৰকাৰৰ হাতত কৰ, সম্পদ যিমানেই বৃদ্ধি হয়, সভ্যতা আৰু বিকাশো সিমানেই আগবাঢ়ি যায়। কোটিটকীয়া প্ৰশ্ন হৈছে ধন আৰু মানৰ সম্পদ। জনগণৰ শুভেচ্ছা আৰু সহযোগ। আমি ভাবিছো যে প্ৰগতিশীল সমাজত সদায় সমাজৰ অৱহেলিতৰ কাৰণে চিন্তা কৰা যায়। এই চৰকাৰে প্ৰথম লানি পদক্ষেপতে এই বিষয়টো সামৰি লোৱা উচিত।

চৰকাৰৰ প্ৰতি শেষ এটি নক'বলগীয়া অনুৰোধ আমি বহুদিনৰ পৰাই কৰিম কৰিম বুলি আশা পালি আছো। সেয়া হ'ল— 'দুদিনমানতে প্ৰতি লিটাৰত এশ টকা হ'ব লগা পেট্ৰ'লজাত সামগ্ৰীৰ মূল্য অসমৰ জনগণৰ কাৰণে পাৰিলে ৰাজসাহায্যৰ ব্যৱস্থা কৰি শতকৰা ৫০ ভাগ মূল্যত দিয়াৰ ব্যৱস্থা কৰা হওক' সমগ্ৰ ভাৰতবাসীয়ে থৰ লাগি চাব, ই কি আশ্চৰ্য ৰাজ্য। এজন চতুৰ প্ৰশাসকৰ পৰা ৰাজ্যবাসীয়ে বহু কিবাকিবি আশা কৰিব পাৰে। মুখ্যমন্ত্ৰী হিচাপে আমাৰ জানো তেওঁক আমনি কৰাৰ অধিকাৰ নাই?

*ফোন ঃ ৯৭০৬০৬৩৩৬৫*



# গুৰু শ্ৰীশ্ৰী দামোদৰদেৱ

**আজি তিৰোভাৱ তিথি উপলক্ষে**

**বলোৰাম ডেকা**



**অসমৰ** নৱ বৈষ্ণৱ ধৰ্মৰ গুৰি ধৰোতা শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱৰ লগতে শ্ৰীশ্ৰীহৰিদেৱ অৰু শ্ৰীশ্ৰীদামোদৰদেৱৰ অৱদান অপৰিসীম। বৰ্তমান বৈষ্ণৱ ধৰ্মৰ সংকট কালত তেৰাৰ জীৱন চৰিত, কাৰ্যাৱলী আৰু মতাদৰ্শৰ সম্যক আলোচনাৰ আৱশ্যক বুলি ধাৰণা কৰো। গুৰুকেইজনৰ মৃত্যুৰ প্ৰায় চাৰিশ বছৰ অতিক্ৰম কৰাৰ পাছতে এতিয়া অসমীয়া বৈষ্ণৱ সমাজত ভালেখিনি কুসংস্কাৰ চলি থকাটো এক মন কৰিবলগীয়া কথা। এই প্ৰথা এনে ধৰণে বেছিদিন চলি থাকিলে বৈষ্ণৱ ধৰ্ম ধৰ্ম-সংকটৰ মাজত সোমোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

শ্ৰীশ্ৰীদেৱ দামোদৰ গুৰুৰ জন্ম হয় 1410 শকৰ ফাগুন মাহৰ শুক্লা একাদশী তিথিত সুশীলা দেৱীৰ গৰ্ভত নগাঁৱৰ নলচাত।

আজানু-লম্বিত হাত, পদুম ফুলৰ পাহিৰ নিচিনা চকুযুৰিৰে শিশু দামোদৰ ভগৱানৰ কান্তিৰে লহ-পহকৈ বাঢ়ি আহে। পিতৃ সদানন্দই তেওঁৰ জাত কৰ্মাদি কৰাৰ পাছত আঠ বছৰ বয়সত শিশু দামোদৰক পঢ়াশালিত নাম ভৰ্তি কৰি দিয়ে। বিদ্যা অৰ্জনৰ কালছোৱাতে তেওঁ সংস্কৃত গীতা, ভাগৱত আদি শাস্ত্ৰবোৰ পঢ়ি অটায়। তেতিয়াৰে পৰা তেওঁ ভাগৱতৰ প্ৰতি মন আকৃষ্ট হয় আৰু ভাগৱতেই যে সকলো শাস্ত্ৰৰে সাৰ সেই কথা তেওঁ উপলব্ধি কৰে।

পিতৃ সদানন্দৰ শংকৰ গুৰুৰ লগত থকা বন্ধুত্বৰ সূত্ৰে দামোদৰদেৱেও শংকৰদেৱৰ সান্নিধ্যলৈ অহাৰ বাবে সৰুৰে পৰা বিষ্ণু পৰায়ণ হয় আৰু বৈষ্ণৱ ধৰ্মৰ প্ৰতি আকৃষ্ট হয়। শিক্ষা সাং কৰি তেওঁ একশৰণ ভাগৱতী বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰে আৰু ভাগৱতী বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰে। ইতিমধ্যে তেওঁৰ ডাঙৰ ককায়েক দুজনৰ বিয়া-বাৰু হৈছিল। পিতৃ সদানন্দই দামোদৰৰ বিয়াখনো পাতি দি পিতৃ দায়িত্বৰ বাকী অংশ পালন কৰিছিল। ইয়াৰ পিছত দামোদৰৰ পৰিয়ালত ভাঙোন ধৰিলে। পিতৃ সদানন্দৰ মৃত্যু হ'ল। ডাঙৰ বৌৱেকৰ অপুত্ৰক অৱস্থাত মৃত্যু হয়। ককায়েক সৰ্বেশ্বৰো তীৰ্থ ভ্ৰমণ কালতে দেহাৱসান ঘটে। সৰু ককায়েক ৰত্নাকৰৰো মৃত্যু হয়। ৰত্নাকৰৰ অৱশ্যে তিনি পুত্ৰ সন্তান আছিল। শ্ৰীকৃষ্ণ, মুকুন্দ আৰু ভীম। ভীম আৰু সৰু বৌৱেকৰো পাছত মৃত্যু হয়। সদৌ শেষত শোকত পৰি মাতৃ সুশীলা দেৱীৰো মৃত্যু হয়। এতিয়া দামোদৰৰ পৰিয়ালত ৰ'লগৈ দামোদৰ আৰু ভতিজাক দুজন শ্ৰীকৃষ্ণ আৰু মুকুন্দ। সংসাৰৰ সকলো দায়িত্ব দামোদৰৰ কান্ধতে পৰিল।

এনে সময়তে কছাৰী ৰজাৰ ৰাজৰোষত পৰি শংকৰদেৱে বৰদোৱা থান ত্যাগ কৰাৰ সিদ্ধান্ত কৰে। এই কথা দামোদৰক জনোৱাত দামোদৰদেৱে মনত দুখ পালে আৰু তেওঁৰ আউল লগা পৰিয়ালটোৰ থানথিত লগাইহে বৰদোৱা ত্যাগ কৰাৰ কথা জনালে।

বৰদোৱা ত্যাগ কৰাৰ পৰা পাটবাউসীলৈ অহাৰ মাজত শংকৰদেৱৰ লগত প্ৰায় ৩০ বছৰ কাল দামোদৰদেৱৰ কোনো যোগসূত্ৰ নাছিল। পিতৃ-মাতৃ আৰু বংশৰ শোচনীয় অৱস্থাৰ লগতে শংকৰদেৱৰ নিঃসংগতাত দামোদৰদেৱে নিঠৰুৱা অনুভৱ কৰিছিল আৰু সেই ঠাই নিষ্কণ্টক নহয় বুলি ভাবি তাৰ পৰা ভটিয়াই যোৱাটোকে মনস্থ কৰিলে। নলচাৰ পৰা ভটিয়াই আহি তেওঁ পিতৃভূমি হাজোৰ ওচৰৰ ৰত্নেশ্বৰ গাঁৱতে প্ৰথমতে থাকিবলৈ লয় আৰু তাত থকা কালছোৱাত নামঘৰলৈ অহা-যোৱা কৰোঁতে সন্ন্যাসী বেশী নাৰদৰ তাত শৰণ লোৱা বুলি ভট্টদেৱৰ লিখনিত পোৱা যায়।

হাজোত নামধৰ্ম প্ৰচাৰ কৰি কিছুদিন থকাৰ পিছত দামোদৰ গুৰুৱে ক্ৰমে নন্দগ্ৰাম, গয়াজান আদি ঠাইত থাকিবলৈ লয়। তাৰ পাছত তেওঁ পাটবাউসীত থাকিবলৈ লয়। নীলকণ্ঠ দাসৰ চৰিত মতে শংকৰে দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণলৈ যাওঁতে পাটবাউসী সত্ৰত প্ৰসংগ আৰু ভাগৱত পাঠৰ দায়িত্ব দামোদৰ গুৰুক দি গৈছিল।

কিছুদিন পাছত হৰিদেৱেও ৰাজৰোষত পৰি পাটবাউসীলৈ অহা-যোৱা কৰি শংকৰদেৱৰ লগত ভাগৱত চৰ্চা কৰি থাকে। মাধৱদেৱেও গণককুছিৰ পৰা অহা-যোৱা কৰি পাটবাউসীতে শংকৰদেৱৰ লগত হৰিকথাৰ আলোচনাত ভাগ লয়। এইদৰে শংকৰ, মাধৱ, হৰিদেৱ, দামোদৰদেৱ— এই চাৰি গুৰুৰ পাটবাউসী ধামতে মধুৰ মিলন হয়। চাৰিগুৰুৰ নেতৃত্বত ভাগৱত শ্ৰৱণ-কীৰ্তন আৰু নাম ধৰ্মৰ প্ৰচাৰৰ ফলত পাটবাউসী ধাম দ্বিতীয় বৈকুণ্ঠত পৰিণত হয়। পাটবাউসী একশৰণ ভাগৱতী বৈষ্ণৱ ধৰ্মৰ শিক্ষাৰ কেন্দ্ৰ হৈ পৰিল।

পাটবাউসীত থকা কালত দামোদৰ গুৰুৱে প্ৰথমতে ৰাম ৰায়ক শৰণ দিয়ে। শংকৰৰ খুৰাক সতানন্দৰ পুত্ৰ জগতানন্দ। আহোম ৰজাই তেওঁক ৰামৰায় উপাধি প্ৰদান কৰে। ৰামৰায় শংকৰৰ সম্বন্ধীয় ভ্ৰাতৃ। তেওঁৰ দ্বাৰা 'এতোলা ৰূপ দান কৰি দামোদৰ গুৰুৱে পাটবাউসীত ধনুখন্দা নৈৰ সিপাৰে বৰলচোঙত এখন সত্ৰ স্থাপন কৰে। সেইখনে বিখ্যাত দামোদৰদেৱ ধাম সত্ৰ।

পাটবাউসী সত্ৰত দামোদৰদেৱে সদায় ভাগৱত চৰ্চা কৰি নাম ধৰ্ম প্ৰচাৰ কৰি থকাত তেওঁৰ গুণত মুগ্ধ হৈ বহুতো ব্ৰাহ্মণ লোকে তেওঁৰ শৰণ লয়। বৰনগৰৰ ওচৰৰ ভেড়াগ্ৰামৰ (বস্তুতঃ প্ৰামাণিক তথ্যই ঠাৰৰ কৰা বিচানকুছিৰ) বিখ্যাত সংস্কৃতজ্ঞ পণ্ডিত শ্ৰীশ্ৰীবৈকুণ্ঠ নাথ ভট্টাচাৰ্যই চমুকৈ ভট্টদেৱে (1558 খ্ৰীঃ 1638 খ্ৰীঃ) দামোদৰ গুৰুৰ শৰণ লয়। দামোদৰ গুৰুৰ নিৰ্দেশত ভট্টদেৱে পাটবাউসী সত্ৰত সদায় ভাগৱত পাঠ কৰি ব্যাখ্যা কৰে। ভাগৱত পাঠত বিশেষ ব্যুৎপত্তি দেখুওৱাত সেই অঞ্চলৰ ৰাইজে তেওঁক ভাগৱত ভট্টাচাৰ্য উপাধি দিয়ে।

দামোদৰ গুৰুৰ নিজৰ কোনো বংশ-পৰিয়াল নৰ'ল। পাটবাউসীত থকা কালতে পত্নীৰ প্ৰসৱ বেদনাত মৃতু হয়। জন্ম লাভ কৰা সন্তানটিৰো লগে লগে মৃত্যু হয়।

শেষত 1520 শকৰ (1598 খ্ৰীঃ) ব'হাগ মাহৰ শুক্লা প্ৰতিপদ তিথিত বীৰ নাৰায়ণৰ ৰাজত্ব কালত মহাপুৰুষ শ্ৰীশ্ৰীদামোদৰ গুৰুৱে সকলোকে কন্দুৱাই কোচ বিহাৰৰ 'তৰুৱা ঢাপ সত্ৰ'ত ইহলীলা সম্বৰণ কৰে। তেতিয়াৰ পৰা তৰুৱা ঢাপ এখন বৈকুণ্ঠপুৰ সত্ৰ নামে জনাজাত হয়।

*ফোন ঃ 8761904317*

দৈনিক অগ্ৰদূত

# দেশ-দেশান্তৰ



## নেপালত অলি চৰকাৰৰ পতন, আস্থা ভোটত পৰাজিত



**নিউজ ব্যুৰ’, কাঠমাণ্ডু, ১১ মে’ ঃ** অৱশেষত নেপালৰ কে পি শৰ্মা অলি চৰকাৰ ক্ষমতাচ্যুত হ’ল। আস্থা ভোটত পৰাজিত হ’ল অলি চৰকাৰ। হাউছ অৱ ৰিপ্ৰেজেনটেটিভছত নিজৰ সংখ্যাগৰিষ্ঠতা প্ৰমাণৰ বাবে ১৩৬ সদস্যৰ সমৰ্থন লাভ কৰাটো অলিৰ বাবে প্ৰয়োজন আছিল। কিন্তু অলিৰ পক্ষত আস্থা ভোটত মাত্ৰ ৯৩ সদস্যই ভোট দিয়ে। ফলত অলি চৰকাৰৰ পতন ঘটিল। যোৱা ডিচেম্বৰৰ পৰা নেপালত ৰাজনৈতিক সংকট অব্যাহত আছে। দেশখনৰ ৰাষ্ট্ৰপতিয়ে সংসদ ভংগ কৰাৰ পাছৰে পৰা নেপালত ৰাজনৈতিক অস্থিৰতাৰ সৃষ্টি হৈছিল। কিন্তু বছৰৰ আৰম্ভণিতে উচ্চতম ন্যায়ালয়ে অলিক সকাহ দি সংসদ পুনৰ বাহাল ৰাখিছিল। অৱশেষত আস্থা ভোটত সংখ্যাগৰিষ্ঠতা হেৰুৱালে অলিয়ে।

## কেজৰিৱালে প্ৰতিষেধক প্ৰসংগত পত্ৰ লিখি প্ৰধানমন্ত্ৰী মোদীক দিলে পৰামৰ্শ



**নিউজ ব্যুৰ’, নতুন দিল্লী, ১১ মে’ ঃ** কৰ’না ভাইৰাছৰ ব্যাপক সংক্ৰমণৰ মাজতে দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ এখন পত্ৰ লিখি দেশত প্ৰতিষেধকৰ নাটনি দূৰ কৰিবলৈ পৰামৰ্শ দিলে। দিল্লীৰ মুখ্যমন্ত্ৰীজনে পত্ৰত উল্লেখ কৰা মতে, দেশত কৰ’নাৰ প্ৰতিষেধকৰ উৎপাদন বৃদ্ধি কৰিবলৈ প্ৰতিষেধকৰ ফৰ্মূলা অন্যান্য প্ৰতিষেধক প্ৰস্তুতকাৰক কোম্পানীক অৱগত কৰোৱা উচিত যাতে পৰ্যাপ্ত পৰিমাণত দেশত প্ৰতিষেধক উপলব্ধ কৰিব পাৰি। ‘কৰ’না ভাইৰাছৰ বিৰুদ্ধে যুঁজত জয়ৰ বাবে দেশত যুদ্ধৰ গতিৰে টিকাকৰণ কৰাব লাগিব। প্ৰতিষেধকৰ উৎপাদন বৃদ্ধি কৰাটো জৰুৰী হৈছে আৰু ইয়াৰ বাবে প্ৰতিষেধক তৈয়াৰ কৰাৰ কাম কেৱল দুটা কোম্পানীৰ মাজত আবদ্ধ ৰখা অনুচিত। কেৱল দুটা কোম্পানীৰ উৎপাদনৰে সমগ্ৰ দেশক প্ৰতিষেধক যোগান ধৰাটো সম্ভৱ নহ’ব। সেয়েহে প্ৰতিষেধকৰ ফৰ্মূলা আন প্ৰতিষেধক প্ৰস্তুতকাৰক কোম্পানীক দিয়া উচিত। ভাৰতৰ আন কে’বাটাও কোম্পানীক ক’ভিড প্ৰতিষেধক তৈয়াৰৰ অনুমতি দিয়া হওক।’

## আমেৰিকাৰ তৈল সংস্থাৰ পাইপলাইনত চাইবাৰ আক্ৰমণৰ নেপথ্যত ৰাছিয়া



**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ১১ মে’ ঃ** ভয়াৱহ চাইবাৰ আক্ৰমণত হঠাতে থমকি হ’ল আমেৰিকাৰ অন্যতম গুৰুত্বপূৰ্ণ তৈল প্ৰতিষ্ঠান কল’নিয়েল পাইপলাইনৰ সকলো নেটৱৰ্ক। ফলত প্ৰভাৱিত হৈছে প্ৰতিষ্ঠানটোৰ তৈল সৰবৰাহৰ কাম-কাজ। মাৰ্কিন চোৰাংচোৱাই এই সন্দৰ্ভত অনুসন্ধান চলাই দাবী কৰা মতে, আমেৰিকাৰ এই তৈল সংস্থাৰ পাইপলাইনত সংঘটিত হোৱা ভয়াৱহ চাইবাৰ আক্ৰমণৰ নেপথ্যত ৰাছিয়া আছে। ৰুছ হেকাৰে কল’নিয়েল পাইপলাইনত চাইবাৰ আক্ৰমণ চলাই সকলো নেটৱৰ্ক স্তব্ধ কৰাৰ অভিযোগ উত্থাপন কৰিলে মাৰ্কিন চোৰাংচোৱাই। চাইবাৰ আক্ৰমণৰ পৰিপ্ৰেক্ষিতত আমেৰিকাৰ ১৭খন ৰাজ্য আৰু কলম্বিয়া জিলাত স্থানীয় আপাতকাল ঘোষণা কৰা হৈছে। মাৰ্কিন তদন্তকাৰী সংস্থা এফ বি আয়ে দাবী কৰা মতে, ‘ডাৰ্কছাইড’ নামৰ এটা হেকাৰৰ গ্ৰুপ এই চাইবাৰ আক্ৰমণৰ বাবে জগৰীয়া। মাৰ্কিন ৰাষ্ট্ৰপতি জ’ বাইডেনেও এই ঘটনাৰ স’তে ৰাছিয়াৰ সম্পৰ্ক আছে বুলি সোমবাৰে দাবী কৰিছিল।



## জম্মু-কাশ্মীৰত নিৰাপত্তা বাহিনীৰে সংঘৰ্ষত নিহত লস্কৰৰ তিনি সন্ত্ৰাসবাদী

**নিউজ ব্যুৰ’ জম্মু, ১১ মে’ ঃ** জম্মু-কাশ্মীৰত নিৰাপত্তা বাহিনীৰে স’তে হোৱা এক সংঘৰ্ষত ধৰাশায়ী হ’ল লস্কৰ-ই-তৈবাৰ তিনি সন্ত্ৰাসবাদী। প্ৰকাশিত বাতৰি অনুসৰি আজি কেন্দ্ৰীয় শাসিত প্ৰদেশৰ অনন্তনাগ জিলাৰ কোকেৰনাগ অঞ্চলত নিৰাপত্তা বাহিনীৰ স’তে সন্ত্ৰাসবাদীৰ সংঘৰ্ষ হৈছিল। গোপন খবৰৰ ভিত্তিত আজি পুৱাতে অঞ্চলটোত সন্ত্ৰাসবাদীৰ সন্ধানত সেনা, অৰ্ধসামৰিক বাহিনী আৰু কাশ্মীৰ আৰক্ষীয়ে যৌথভাৱে অভিযান চলাইছিল। নিৰাপত্তা বাহিনীক প্ৰত্যক্ষ কৰি সন্ত্ৰাসবাদীয়ে গুলিবৰ্ষণ কৰাত উভয় পক্ষৰ সংঘৰ্ষৰ সূত্ৰপাত ঘটিছিল। দীৰ্ঘ সময় ধৰি হোৱা গুলীয়াগুলিত তিনি সন্ত্ৰাসবাদী নিহত হয়। মৃত সন্ত্ৰাসবাদীৰ পৰা কে’বাটাও অত্যাধুনিক মাৰণাস্ত্ৰ উদ্ধাৰ কৰা হৈছে। তিনি সন্ত্ৰাসবাদী লস্কৰ-ই-তৈবাৰ সদস্য আছিল বুলি সেনাই জানিবলৈ দিয়ে।

### ফাইজাৰৰ দুপালি প্ৰতিষেধক গ্ৰহণ কৰা ব্যক্তিৰ মাজত কৰ’নাত মৃত্যুৰ সম্ভাৱনা ৯৭ শতাংশ হ্ৰাস পায়

## ব্ৰিটেইনত ক’ভিশ্বিল্ডে প্ৰতিৰোধ কৰিলে ৮০ শতাংশ মৃত্যু

**নিউজ ব্যুৰ’ লণ্ডন, ১১ মে’ ঃ** ব্ৰিটেইনত কৰ’নাৰ টিকাকৰণৰ পৰিসংখ্যাৰ পৰা এটা কথা জানিব পৰা গৈছে যে অক্সফ’ৰ্ড-এষ্ট্ৰেজেনেকাৰ ক’ভিড প্ৰতিষেধকৰ প্ৰথম পালি গ্ৰহণ কৰা লোকসকলৰ মাজত মৃত্যুৰ পৰিসংখ্যা ৮০ শতাংশ হ্ৰাস পাইছে। উল্লেখ্য যে এই একেটা ব্ৰিটিছ প্ৰতিষেধক ভাৰতত ক’ভিশ্বিল্ড নামৰে বৃহৎ পৰিমাণত প্ৰস্তুত কৰা হৈছে। ব্ৰিটেইনৰ ৰাজহুৱা স্বাস্থ্য বিভাগে চলোৱা গৱেষণামূলক অধ্যয়নত



লাভ কৰা তথ্য অনুসৰি দেশখনত যিসকল লোকে এষ্ট্ৰেজেনেকা প্ৰতিষেধকৰ প্ৰথম পালি গ্ৰহণ কৰিছিল তেওঁলোকৰ কৰ’নাত মৃত্যুৰ শংকা ৮০ শতাংশ হ্ৰাস পাইছে।

ইফালে, আমেৰিকাৰ কোম্পানীয়ে প্ৰস্তুত কৰা ফাইজাৰৰ দুপালি প্ৰতিষেধক গ্ৰহণ কৰা ব্যক্তিৰ মাজত কৰ’নাত মৃত্যুৰ সম্ভাৱনা ৯৭ শতাংশ হ্ৰাস পায় বুলি গৱেষণামূলক অধ্যয়নত দাবী কৰা হৈছে। ভাৰতৰ বাবে এক সুখবৰ হৈছে ব্ৰিটেইনৰ এষ্ট্ৰেজেনেকা প্ৰতিষেধকৰ ব্যৱহাৰৰ জৰিয়তে দেশখনে ক’ভিডত মৃত্যুৰ নিয়ন্ত্ৰণত অৰ্জন কৰা সফলতা। এষ্ট্ৰেজেনেকাৰ ভাৰতীয় সংস্কৰণ হৈছে ক’ভিশ্বিল্ড আৰু ভাৰতত টিকাকৰণত ক’ভিশ্বিল্ড যথেষ্ট ব্যৱহাৰ কৰা হৈছে।

## চত্তিছগড়ত নক্সাল ঘাটিত কৰ’নাৰ সংক্ৰমণত কমেও ১০ সন্ত্ৰাসবাদীৰ মৃত্যু



**নিউজ ব্যুৰ’, ৰাইপুৰ, ১১ মে’ ঃ** চত্তিছগড়ত নক্সালবাদীৰ ঘাটিতো ক’ভিড-১৯ৰ সংক্ৰমণে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। ডণ্টেৱাড়াৰ আৰক্ষী অধীক্ষক অভিষেক পল্লৱে দাবী কৰা মতে, দক্ষিণ বস্তত থকা অৰণ্যত নক্সালপন্থীৰ ঘাটিত হোৱা খাদ্যৰ বিষক্ৰিয়া আৰু কৰ’নাৰ সংক্ৰমণত এতিয়ালৈকে ১০ জনৰো অধিক নক্সালপন্থীৰ মৃত্যু হৈছে। আৰক্ষী বিষয়াজনে লগতে জনোৱা মতে, অঞ্চলটোত কমেও শতাধিক নক্সালপন্থী সদস্য কৰ’নাত সংক্ৰমিত হৈছে। দক্ষিণ বস্তৰৰ মাওবাদীৰ ঘাটিত সম্প্ৰতি কৰ’নাই ভয়াৱহ ৰূপ ধাৰণ কৰিছে বুলিও আৰক্ষী বিষয়াজনে দাবী কৰে।

## ইজৰাইলী বিমানৰ আক্ৰমণত নিহত ২০ পেলেষ্টাইনী নাগৰিক, ৰকেটৰে ইজৰাইলক প্ৰত্যুত্তৰ দিলে হামাছে

**নিউজ ব্যুৰ’, জেৰুজালেম, ১১ মে’ ঃ** গাজাত ইজৰাইলৰ বিমানে চলোৱা এক ভয়াৱহ আক্ৰমণত কমেও ২০ জন পেলেষ্টাইনী নাগৰিকৰ মৃত্যু হ’ল। তদুপৰি এই ঘটনাত আন কে’বাজনো লোক গুৰুতৰভাৱে আহত হৈছে। আজি গাজাৰ স্বাস্থ্য বিভাগে এই কথা প্ৰকাশ কৰি ইজৰাইলে অঞ্চলটোত বিমানৰে আক্ৰমণ চলোৱা বুলি দাবী কৰে। উল্লেখ্য যে যোৱা শুকুৰবাৰৰ পৰা জেৰুজালেমৰ আল অক্সা মছজিদত ইহুদী আৰু মুছলমান সম্প্ৰদায়ৰ মাজত সংঘাত আৰম্ভ হৈছিল। শেহতীয়াভাৱে এই সংঘাতে আকৌ এবাৰ ভয়াৱহ ৰূপ ধাৰণ কৰিলে। আন্তৰ্জাতিক সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, জেৰুজালেমৰ সংঘৰ্ষত কমেও ১৬৩ জন পেলেষ্টাইনী নাগৰিক আৰু ছজন ইজৰাইলী আৰক্ষী কৰ্মী আহত হৈছে। এই পৰিসংখ্যা প্ৰকাশ কৰিলে পেলেষ্টাইনৰ ৰেড ক্ৰিচেণ্ট ইৰ্মাজেন্সী ছাৰ্ভিচ আৰু ইজৰাইলী আৰক্ষীয়ে। যোৱা শুকুৰবাৰে ৰমজানৰ নামাজ পাঠ কৰিবলৈ জেৰুজালেমৰ আল অক্সা মছজিদত সহস্ৰাধিক ইছলামধৰ্মী লোক সমবেত হৈছিল। সেই মছজিদৰ



কাষতে আছে ইহুদীসকলৰ পৱিত্ৰ স্থান টেম্পল মাউণ্ট। নামাজ পাঠৰ পাছতে মুছলমান আৰু ইহুদীসকলৰ মাজত সংঘৰ্ষৰ সৃষ্টি হৈছিল। ইয়াৰ পাছতে এই সংঘৰ্ষই জটিল ৰূপ ধাৰণ কৰে। ইফালে, আল অক্সাৰ সংঘৰ্ষৰ পাছত গাজাৰ পৰা ইজৰাইললৈ কে’বাটাও ৰকেট নিক্ষেপ কৰিলে সন্ত্ৰাসবাদী সংগঠন হামাছে। ইজৰাইলে ৰকেট আক্ৰমণৰ পাছতে বিমানৰে সন্ত্ৰাসবাদীৰ ঘাটিত বোমাবৰ্ষণ কৰাত কমেও ২০ জন পেলেষ্টাইনী নাগৰিকৰ মৃত্যু হয়।

## তিৰুপতিৰ হাস্পতালত অক্সিজেনৰ অভাৱত পাঁচ মিনিটত মৃত্যু ১১ কৰ’না ৰোগীৰ



**নিউজ ব্যুৰ’, তিৰুপতি, ১১ মে’ ঃ অক্সিজেনৰ অভাৱত আজি ১১ জন ক’ভিড ৰোগীয়ে প্ৰাণ হেৰুৱালে তিৰুপতিৰ ভেংকটেশ্বৰ ৰামনাৰায়ণ ৰুইয়া চৰকাৰী চিকিৎসালয়ত। প্ৰকাশিত বাতৰি অনুসৰি চিকিৎসালয়খনত মাত্ৰ পাঁচ মিনিটৰ বাবে অক্সিজেনৰ সৰবৰাহ বন্ধ হৈছিল আৰু সেই সময়তে আই চি ইউত থকা ১১ ৰোগীৰ মৃত্যু ঘটে। ঘটনাৰ সন্দৰ্ভত চৰকাৰে ইতিমধ্যে উচ্চ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিছে।**



## উত্তৰ প্ৰদেশত মুছলমান ধৰ্মীয় গুৰুৰ জানাজাত ২০ হেজাৰ ভক্তৰ ভিৰ, কৰ’না সংক্ৰমণৰ শংকা

**নিউজ ব্যুৰ’, বদায়ুঁ, ১১ মে’ ঃ** উত্তৰ প্ৰদেশৰ বদায়ুঁ জিলাত কাজী হজৰত শ্বেইখ আব্দুল হমিদ মুহম্মদ ছালিমুল কাদৰীৰ মৃত্যু হ’ল। মুছলমান ধৰ্মীয় গুৰুজনৰ জানাজাত ক’ভিড বিধি ভংগ কৰি অংশ ল’লে ১৫-২০ হেজাৰ লোকে। জানাজাত অংশ লোৱা সৰহসংখ্যক লোকে পৰিধান কৰা নাছিল মাস্ক, পালন কৰা নাছিল সামাজিক দূৰত্ব বিধি। ভক্তৰ ভিৰ ইমানে অধিক হৈছিল যে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ গৈ আৰক্ষীয়ে অসহায়বোধ কৰিছিল। এই ঘটনাৰ সন্দৰ্ভত যোৱা নিশা বদায়ুঁ আৰক্ষী থানাত এজন লোকে ক’ভিড বিধি ভংগৰ অভিযোগত মহামাৰী আইনৰ অধীনত এক গোচৰ তৰে। উল্লেখ্য যে প্ৰয়াত ধৰ্মীয় গুৰু কাদৰী ইছলামধৰ্মীৰ লগতে হিন্দুসকলৰ মাজতো যথেষ্ট জনপ্ৰিয় আছিল। কাদৰীৰ মৃত্যুৰ বাতৰি বিয়পাৰ লগে লগে হেজাৰ হেজাৰ লোকে অন্তিম দৰ্শনৰ বাবে জানাজাত ভিৰ কৰিছিল। এই ঘটনাৰ পাছত ক’ভিড সংক্ৰমণত দুৰ্দশাগ্ৰস্ত উত্তৰ প্ৰদেশত এই মহামাৰীৰ সংক্ৰমণ বৃদ্ধিৰ শংকা প্ৰকট হৈছে।

## ‘এবি’, ‘বি’ ৰক্তৰ বৰ্গৰ মানুহ কৰ’নাত সৰ্বাধিক আক্ৰান্ত ঃ চি এছ আই আৰ

**নিউজ ব্যুৰ’ নতুন দিল্লী, ১১ মে’ ঃ** দ্য কাউন্সিল অৱ ছায়েণ্টিফিক এণ্ড ইণ্ডাষ্ট্ৰিয়েল ৰিছাৰ্চ (চি এছ আই আৰ)-এ শেহতীয়াভাৱে চলোৱা এক গৱেষণামূলক অধ্যয়নৰ তথ্য অনুসৰি কৰ’নাত সংক্ৰমিত হোৱাৰ ক্ষেত্ৰত ব্যক্তি এজনৰ ৰক্তৰ বৰ্গয়ো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। প্ৰতিষ্ঠানটোৱে সমীক্ষামূলক অধ্যয়নৰ জৰিয়তে জানিব পাৰিলে যে ‘এবি’, ‘বি’ ৰক্তবৰ্গৰ লোক আন ৰক্তবৰ্গৰ লোকৰ তুলনাত ক’ভিড-১৯ত সংক্ৰমিত অধিক হৈছে। অৱশ্যে আন ৰক্তবৰ্গৰ লোক যে ক’ভিডত সংক্ৰমিত নহ’ব, তাৰ কোনো নিশ্চয়তা নাই। সমীক্ষামূলক অধ্যয়নৰ তথ্য অনুসৰি, যিসকল লোকৰ ৰক্তৰ বৰ্গ ‘অ’’, তেওঁলোকৰ মাজত ক’ভিডৰ সংক্ৰমণ সৰ্বনিম্ন হৈছে। তুলনামূলকভাৱে ‘অ’ ৰক্তবৰ্গৰ লোকসকল কৰ’নাত কম পৰিমাণত আক্ৰান্ত হৈছে। তদুপৰি এই ৰক্তবৰ্গৰ লোকৰ মাজত ক’ভিড সংক্ৰমণৰ



ক্ষেত্ৰত উপসৰ্গও অতি সীমিত প্ৰত্যক্ষ হৈছে বুলি অধ্যয়নটোত গৱেষকে দাবী কৰিছে। সমগ্ৰ দেশজুৰি চি এছ আই আৰে ১০ হেজাৰৰো অধিক ক’ভিড আক্ৰান্তৰ নমুনা সংগ্ৰহ কৰি এই অধ্যয়নটো চলাইছিল। গৱেষণামূলক অধ্যয়নত অংশ লৈছিল প্ৰায় ডেৰশজন চিকিৎসকে। সমীক্ষাৰ ফলাফল একে লগ কৰি প্ৰতিবেদন প্ৰকাশ কৰা হয়। চি এছ আই আৰৰ এই অধ্যয়নৰ তথ্য অনুসৰি ভাৰতত কৰ’নাত আক্ৰান্ত হোৱা সৰহসংখ্যক লোকৰ ৰক্তবৰ্গ গৈছে ‘এবি’ আৰু ‘বি’। একেটা অধ্যয়নতে চি এছ আই আৰে দাবী কৰা মতে, নিৰামিষভোজীসকলৰ মাজত কৰ’নাৰ সংক্ৰমণ সীমিত আছে। নিৰামিষভোজীৰ দেহত যথেষ্ট পৰিপুষ্টি আৰু ৰোগ প্ৰতিৰোধ ক্ষমতা থাকে। ক’ভিডত আক্ৰান্ত হোৱাৰ পাছত বহু লোকে নিৰামিষ আহাৰ গ্ৰহণত গুৰুত্ব দিয়া বুলিও অধ্যয়নটোত উল্লেখ কৰা হৈছে।

## কটাক্ষ বন্ধ কৰিবলৈ দানৰ তালিকা ৰাজহুৱা কৰিলে অমিতাভ বচ্চনে



**নিউজ ব্যুৰ’, মুম্বাই, ১১ মে’ ঃ** অলপতে একাংশ সামাজিক মাধ্যম ব্যৱহাৰকাৰীয়ে বলিউডৰ মহাতাৰকা অভিনেতা অমিতাভ বচ্চনৰ বিৰুদ্ধে অভিযোগ কৰি কৈছিল যে অনবৰতে ছ’চিয়েল মিডিয়াত ব্যস্ত থকাৰ বাহিৰে বচ্চনে এই সংকটৰ সময়ত কোনো ইতিবাচক ভূমিকা গ্ৰহণ কৰা নাই। অমিতাভে ক’ভিড কালত দান-বৰঙণি আগবঢ়োৱা নাই বুলিও একাংশ লোকে সামাজিক মাধ্যমত অভিযোগ কৰি আহিছে। অৱশেষত নিজৰ সমাজ সেৱাৰ কথা ৰাজহুৱা কৰিবলৈ বাধ্য হ’ল জনপ্ৰিয় অভিনেতাজন। কালি দিল্লীৰ শ্ৰী গুৰু টেগ বাহাদুৰ ক’ভিড কেয়াৰ চেণ্টাৰলৈ অমিতাভে দুই কোটি টকা দান দিছিল। ইয়াৰ পাছত সামাজিক মাধ্যমত অমিতাভে বিগত এবছৰ ধৰি আগবঢ়োৱা সকলো দান-বৰঙণিৰ কথা ৰাজহুৱা কৰিলে। অমিতাভে প্ৰকাশ কৰা মতে, ক’ভিড কালত এমাহ ধৰি তেওঁ দেশৰ পাঁচ হেজাৰ চহৰত থকা চাৰি লাখ শ্ৰমিকক দুবেলাৰ অন্নৰ যোগান ধৰিছিল। প্ৰশাসন আৰু চিকিৎসা সেৱাৰ স’তে জড়িত লোকক পি পি ই কিটৰ যোগানৰ বাবেও ধন ব্যয় কৰিছিল অভিনেতাজনে। বহু প্ৰব্ৰজিত শ্ৰমিকক ঘৰলৈ পঠোৱাৰ বাবেও ব্যৱস্থা লৈছিল অমিতাভে। যাতায়াতৰ বাবে শ্ৰমিকক এখন ৰেলৰ বন্দোবস্ত কৰি দিয়া বুলি জানিবলৈ দি অমিতাভে কয় যে তেওঁ চাৰিখন বেচৰকাৰী বিমান ভাড়া কৰি শ্ৰমিকক গৃহ ৰাজ্যলৈ যোৱাৰ সুবিধা তলাবন্ধত প্ৰদান কৰিছিল। বিগত এবছৰৰ দানৰ হিচাপ দিব লগা হোৱাত লজ্জা অনুভৱ কৰা বুলি মন্তব্য কৰি অমিতাভে কয়, ‘সৰুতে শিকিছিলো, দান কৰিলে সেয়া ৰাজহুৱা কৰিব নালাগে। কিয়নো তেনে কৰিলে দান দিয়া আৰু লোৱা দুয়োজন ব্যক্তি সৰু হৈ পৰে। কিন্তু এতিয়া সময় সলনি হৈছে। এতিয়া সামান্য কিবা কৰিলে সেয়া প্ৰচাৰ কৰিব লাগে। মানুহক জনাব লগা হয়। নহ’লে সকলোৱে ভাবে, একো নকৰাকৈ ডাঙৰ ডাঙৰ ভাষণ দিয়া বুলি।’



## ৰাছিয়াৰ কজানত বিদ্যালয়ত ধাৰাষাৰ গুলিবৰ্ষণত কমেও ১১ জন নিহত

**নিউজ ব্যুৰ’ ম’স্কো, ১১ মে’ ঃ** ৰাছিয়াৰ কজান চহৰত এখন বিদ্যালয়ত হোৱা গুলীয়াগুলিত কমেও ১১ জন লোকৰ মৃত্যু হ’ল। এই ঘটনাত আন কে’বাজনো লোক গুৰুতৰভাৱে আহত হয়। আৰক্ষীয়ে প্ৰকাশ কৰা মতে, আজি হঠাতে বিদ্যালয়ৰ চৌহদত দুই বন্দুকধাৰীয়ে গুলিবৰ্ষণ আৰম্ভ কৰিছিল। এই ঘটনাৰ এক ভিডিঅ’ সামাজিক মাধ্যমত ভাইৰেল হৈছে। ৰাছিয়াৰ সংবাদ মাধ্যমে দাবী কৰা মতে, দুজন কিশোৰ বন্দুকধাৰীয়ে বিদ্যালয়খনত এইদৰে গুলিবৰ্ষণ কৰি আতংকৰ সৃষ্টি কৰিছিল। কিন্তু একাংশ সংবাদ মাধ্যমে প্ৰকাশ কৰা মতে, গুলিবৰ্ষণকাৰী এজনহে আছিল। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে ইতিমধ্যে ১৯ বছৰীয়া বন্দুকধাৰী এজনক গ্ৰেপ্তাৰ কৰিছে।

## বিশ্বত এদিনত ৬.১১ লাখ লোক কৰ’নাত সংক্ৰমিত

**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ১১ মে’ ঃ** বিশ্বজুৰি প্ৰতিদিনে কৰ’নাৰ সংক্ৰমণ বৃদ্ধি অব্যাহত আছে। বিগত এদিনত বিশ্বত নতুনকৈ ক’ভিডত সংক্ৰমিত হ’ল ছয় লাখ ১১ হেজাৰ ৯৬ জন লোক। তদুপৰি বিগত এদিনত বিশ্বত কৰ’নাত প্ৰাণ হেৰুৱালে ১০,৫৮৬ জন লোকে। কৰ’নাৰ সংক্ৰমণ আৰু মৃত্যুৰ ক্ষেত্ৰত সবাতোকৈ দুৰ্দশাগ্ৰস্ত অৱস্থা ভাৰতত প্ৰত্যক্ষ হৈছে। যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ ৩.২৯ লাখ লোক কৰ’নাত আক্ৰান্ত হ’ল। এই পৰিসংখ্যা বিগত এদিনত আমেৰিকা আৰু ব্ৰাজিলত হোৱা কৰ’না সংক্ৰমণৰ তুলনাত ১০ গুণ অধিক। আমেৰিকাত যোৱা ২৪ ঘণ্টাত ৩০,১৫২ জন আৰু ব্ৰাজিলত ২৯,২৪০ জন লোক ক’ভিডত সংক্ৰমিত হৈছিল।



## ভাৰতক ক’ভিড নিয়ন্ত্ৰণৰ বাবে ১১০ কোটি টকাৰ অনুদান টুইটাৰৰ

**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ১১ মে’ ঃ** ক’ভিড সংকটৰ পৰা ভাৰতক মুক্ত কৰিবলৈ এইবাৰ এক কোটি ১০ লাখ ডলাৰ অৰ্থাৎ ভাৰতীয় মূল্যত ১১০ কোটি টকা দান দিলে টুইটাৰে। অৱশ্যে মাইক্ৰ’ ব্ল’গিং ছাইটটোৱে কেন্দ্ৰীয় চৰকাৰৰ পুঁজিৰ পৰিৱৰ্তে স্বেচ্ছাসেৱী সংস্থা কেয়াৰ, এইড ইণ্ডিয়া আৰু ছেৱা ইণ্টাৰনেচনেল ইউ এছ এ-ক ধনৰাশি ভাগ কৰি দিয়ে। এই ধনৰাশিৰ এক কোটি ডলাৰ কেয়াৰক আৰু ২৫ লাখ ডলাৰকৈ এইড ইণ্ডিয়া আৰু ছেৱা ইণ্টাৰনেচনেলক আদায় দিয়া হৈছে।

## চিত্ৰগৃহত নহয়, অ’টিটি মঞ্চত মুক্তি দিব ছলমানে ‘ৰাধে’ক



**নিউজ ব্যুৰ’, মুম্বাই, ১১ মে’ ঃ** প্ৰতিশ্ৰুতি অনুসৰি এইবাৰৰ ঈদৰ দিনাই মুক্তি লভিব ছলমান খানৰ নতুন ছবি ‘ৰাধে’। কিন্তু দেশজুৰি ক’ভিডৰ সংক্ৰমণে পুনৰ ভয়াৱহ ৰূপ ধাৰণ কৰাৰ প্ৰতি লক্ষ্য ৰাখি চিত্ৰগৃহৰ পৰিৱৰ্তে অ’টিটি মাধ্যমত ‘ৰাধে’ক মুক্তি দিয়াৰ সিদ্ধান্ত ল’লে ছবিখনৰ প্ৰযোজকে। সেই অনুসৰি ঈদত ছলমানৰ অনুৰাগীসকলে ‘জি প্লেক্স’ত উপভোগ কৰিব পাৰিব ‘ৰাধে’ক। পূৰ্বে ছবিখনৰ প্ৰযোজকে ঘোষণা কৰি কৈছিল যে চিত্ৰগৃহ আৰু অ’টিটি মঞ্চ উভয়তে ‘ৰাধে’ক মুক্তি দিয়া হ’ব। কিন্তু কৰ’নাৰ সংক্ৰমণে পুনৰ ভয়াৱহ ৰূপ ধাৰণ কৰাত দেশৰ ১৫ খন ৰাজ্যত সম্প্ৰতি তলাবন্ধ কৰা হৈছে। এনে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ছলমানৰ নতুন ছবিখন চিত্ৰগৃহৰ পৰিৱৰ্তে ‘জি প্লেক্স’ত মুক্তি দিয়াৰ সিদ্ধান্ত ল’লে ‘ৰাধে’ৰ প্ৰযোজকে।

## ৯০ শতাংশ কৰ’না ৰোগী ঘৰতে হৈছে সুস্থ, কিন্তু কেতিয়া অন্ত পৰিব গৃহ আছুতীয়াকৰণৰ ?

**নিউজ ব্যুৰ’, নতুন দিল্লী, ১১ মে’ ঃ** কৰ’নাত আক্ৰান্তসকলৰ ৯০ শতাংশ ৰোগীয়ে ঘৰতে চিকিৎসকৰ পৰামৰ্শ মানি সুস্থ হৈছে। এইসকল ৰোগীক অক্সিজেনৰ প্ৰয়োজন অথবা চিকিৎসালয়ত ভৰ্তি কৰাব লগা হোৱা নাছিল। কিন্তু যিসকল লোকে কৰ’নাত আক্ৰান্ত হৈ গৃহ আছুতীয়াকৰণত আছিল, তেওঁলোকে এক সমস্যাৰ সন্মুখীন হৈছে। এই সমস্যাটো হৈছে প্ৰকৃততে তেওঁলোকে কিমানদিনলৈ গৃহ আছুতীয়াকৰণৰ নিয়ম মানি চলিব লাগিব। ডাঃ তেজ প্ৰতাপ টোমৰ আৰু ডাঃ পুনম চন্দানীয়ে এই সন্দৰ্ভত পৰামৰ্শ আগবঢ়াই কয় যে কৰ’নাত আক্ৰান্ত ৰোগীক কোনো শাৰীৰিক সমস্যা নাথাকিলে ঘৰতে থকাৰ পৰামৰ্শ দিয়া হয়। এই ক্ষেত্ৰত ৰোগীয়ে গৃহ আছুতীয়াকৰণৰ নিয়ম মানি চলিব লাগে। সাধাৰণতে ক’ভিড ৰোগীক ১৪ দিনৰ পৰা ১৭ দিন গৃহ আছুতীয়াকৰণত থকাৰ পৰামৰ্শ দিয়া হয়। যিসকল লোকৰ সংক্ৰমণৰ লক্ষণ নাথাকে, তেওঁলোকৰ শৰীৰত ক’ভিডৰ সংক্ৰমণ ধৰা পৰিলে সাধাৰণতে ১০ দিন গৃহ আছুতীয়াকৰণৰ পৰামৰ্শ দিয়া হয়। ৰোগীৰ যদিহে



একেৰাহে তিনিদিন ধৰি জ্বৰ নহয়, তেন্তে ইয়াৰ সাতদিনৰ পাছত গৃহ আছতীয়াকৰণ সমাপ্ত কৰিব পাৰি। ক’ভিডত সুস্থ হোৱাৰ পাছত কোনো উপসৰ্গ নাথাকিলে ৰোগীয়ে ১৪-১৭ দিন পাছত কৰ্মক্ষেত্ৰলৈ উভতি যাব পাৰে। অৱশ্যে সংক্ৰমিত লোকে সুস্থ হোৱাৰ পাছতো ৯০ দিনলৈ কঠোৰভাৱে ক’ভিড বিধি মানি চলা প্ৰয়োজন।






## ক'ভিড পৰিস্থিতিৰ পৰ্যালোচনাৰ বাবে

*তিনি পৃষ্ঠাৰ পৰা* সকলো ধৰণৰ সহযোগিতা আগবঢ়াব বুলি আশ্বাস দিয়ে। দুৰ্যোগ প্ৰশমন বিভাগৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্ত অনুপমা বসুমতাৰীয়ে সকলো ৰাজনৈতিক দল-সংগঠন, ছাত্ৰ সংগঠন, স্বেচ্ছাসেৱী সংস্থা ইত্যাদিক উমৈহতীয়া প্ৰচেষ্টাৰ জৰিয়তে ওদালগুৰি জিলাত ক'ভিড-১৯ৰ সংক্ৰমণ ৰোধৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। উপায়ুক্তই ছাত্ৰ সংগঠনসমূহক জিলাখনত গঠন কৰি দিয়া প্ৰায় ৭৫০টা 'ভিলেজ লেভেল হোম কোৱাৰেণ্টাইন মেনেজমেণ্ট কমিটী'ত সক্ৰিয়ভাৱে নিজৰ দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত সহযোগ কৰি গ্ৰামাঞ্চলসমূহত ক'ভিড-১৯ নিয়ন্ত্ৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। উপস্থিত ছাত্ৰ সংগঠনৰ প্ৰতিনিধিসকলে ক'ভিড সংক্ৰান্তীয় সজাগতা প্ৰচাৰ কৰি থকা বুলি জানিব দিয়াৰ উপৰি ভৱিষ্যতে এই সজাগতা চলাই নিব বুলি আশ্বাস প্ৰদান কৰে। চাহ বাগিচা অঞ্চলসমূহত ক'ভিড সংক্ৰমণ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত আৰু ক'ভিড টিকাকৰণৰ ক্ষেত্ৰত ইতিমধ্যে চাহ বাগিচা পৰিচালনা সমিতিসমূহৰ লগত আলোচনাত বহা বুলি ছাত্ৰ সংগঠনসকলৰ প্ৰশ্নোত্তৰত জানিবলৈ দিয়ে। ইফালে, দ্বিতীয়খন আলোচনাত অসম সাহিত্য সভা, বড়ো সাহিত্য সভা, নেপালী সাহিত্য সভা, চাওতালী সাহিত্য সভা ইত্যাদিৰ প্ৰতিনিধিসকলৰ লগতে ওদালগুৰি জিলা শাখাৰ ইণ্ডিয়ান ৰেডক্ৰছ ছ'চাইটি, এম আৰ এছ ডি (এনজিঅ') ইত্যাদিৰ প্ৰতিনিধিসকল উপস্থিত আছিল। সকলো জাতীয় সংগঠনৰ প্ৰতিনিধিসকলে সক্ৰিয় সহযোগিতা আৰু সজাগতা কাৰ্যসূচী চলাই নিব বুলি আশ্বাস প্ৰদান কৰে। বড়ো সাহিত্য সভাৰ ২৪টা আৰু গোৰ্খা সাহিত্য সভাৰ ১২টা প্ৰাথমিক শাখাৰ জৰিয়তে জিলাখনত সজাগতা অনুষ্ঠান কৰিব। অসম সাহিত্য সভা আৰু চাওতালী সাহিত্য সভায়ো অন্য জাতীয় সংগঠন আৰু ছাত্ৰ সংগঠনৰ স'তে একত্ৰিত হৈ এই পৰিস্থিতিৰ মোকাবিলা কৰিব বুলি জনায়। উপায়ুক্তই জাতীয় সংগঠন আৰু স্বেচ্ছাসেৱী সংগঠনসমূহকো উমৈহতীয়া প্ৰচেষ্টাৰে এই পৰিস্থিতি নিয়ন্ত্ৰণত সহযোগিতা কৰিবলৈ অনুৰোধ জনায়। বৰ্তমান পৰিস্থিতিত মজুত অত্যাৱশ্যকীয় সামগ্ৰীসমূহৰ নিয়মীয়া খতিয়ান ল'বলৈ আৰু প্ৰয়োজনীয় সামগ্ৰীসমূহ সুলভ কৰিবলৈ খাদ্য আৰু অসামৰিক যোগান বিভাগ, কৃষি বিভাগক উৎপাদিত শস্য বিক্ৰীৰ বাবে কৃষকসকলক সুবিধা কৰি দিবলৈ, পশুপালন বিভাগক পশুধনৰ ক্ষেত্ৰত যাতায়তৰ সুবিধা কৰি দিবলৈ নিৰ্দেশ দিয়া বুলি জানিবলৈ দিয়ে।

## কৰ'নাৰ বাবে তেজপুৰ ভোজখোৱা

*তিনি পৃষ্ঠাৰ পৰা* পৰিয়ালৰ, ৰাজ্য আৰু দেশক মহামাৰীৰ কৰ'নাৰ পৰা ৰক্ষা কৰাৰ বাবে এনে আহ্বান জনোৱা হৈছে। এই জটিল সময়ছোৱাত এইবিধ ভাইৰাছৰ সংক্ৰমণৰ পৰা বাচি থাকিবলৈ সঘনাই হাত বীজাণুমুক্ত কৰা, মাস্ক পৰিধান কৰা, নিৰ্দিষ্ট সামাজিক দূৰত্ব বজাই ৰখাৰ লগতে ৰাজ্য চৰকাৰৰ দ্বাৰা নিৰ্ধাৰিত ক'ভিড নিয়মনীতি নিষ্ঠা সহকাৰে পালন কৰিবলৈ ঈদগাহ পৰিচালনা সমিতিয়ে আহ্বান জনাই কয় যে এই স্বাস্থ্য বিধিৰ সঠিক পালনৰেহে আমি নিজৰ লগতে আনকো সুৰক্ষিত কৰি ৰাখিব পাৰিম আৰু স্বাস্থ্য বিধিৰ সঠিক পালনৰ জৰিয়তেহে এইবিধ ভাইৰাছক পৰাভূত কৰাটো সম্ভৱ।

## পাৰিবাৰিক কন্দলত প্ৰাণ গ'ল শিক্ষকৰ

*তিনি পৃষ্ঠাৰ পৰা* এই কৰুণ পৰিবেশৰ। কান্দোনত ভাগি পৰে শিক্ষকজনৰ পৰিয়ালবৰ্গৰ লগতে স্কুলৰ শিক্ষাৰ্থী আৰু স্থানীয় ৰাইজ। বিগত ৩০ বছৰে বিনা বেতনে হোজাই হাৱাইপুৰৰ ট্ৰাইবেল এম ই স্কুলত শিক্ষকতা কৰা হিন্দী শিক্ষকজন যোৱা সাত মে'ৰ সন্ধিয়া পাৰিবাৰিক কন্দলত নিজৰ ভ্ৰাতৃ ইন্দ্ৰ নাৰায়ণ মালিসহ পৰিয়ালৰ আন কেইজনমানে হত্যাৰ চেষ্টাৰে আক্ৰমণ কৰে। পৈতৃক সম্পত্তিৰ ভাগৰ বাবে ভ্ৰাতৃয়ে হত্যাৰ চেষ্টা চলায় শিক্ষকজনক। দা, ডেগাৰ আদিৰে পাঁচজন লোকে আক্ৰমণ কৰি গুৰুতৰভাৱে আহত কৰে। প্ৰথমে তেওঁক হোজাইৰ এম আৰ ইউ লৈ অনা হয় যদিও সংকটজনক অৱস্থাত তেওঁক গুৱাহাটীলৈ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়। তাতেই কালি চিকিৎসাধীন অৱস্থাত মৃত্যু হয় শিক্ষকজনৰ। এই ঘটনাৰ সন্দৰ্ভত হোজাই থানাত পৰিয়ালৰ লোকে ইন্দ্ৰ নাৰায়ণ মালি, সাবিত্ৰী মালি, অমৰজিৎ মালি, কবি মালি আৰু মহেন্দ্ৰ মালিৰ বিৰুদ্ধে গোচৰ তৰিছে। হোজাই আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধিৰ ৩৪২/৩২৫/৩০৭/৩৪ নম্বৰ ধাৰাৰ অধীনত ৩২১/২১ নম্বৰ গোচৰ পঞ্জীয়ন কৰি ইন্দ্ৰ নাৰায়ণ মালিক আটক কৰি জেললৈ প্ৰেৰণ কৰিছে যদিও শিক্ষক হত্যাৰ জড়িত অন্যকেইজন আচামী এতিয়াও পলাতক হৈ আছে। ইফালে, যোৱা নিশা শিক্ষকজনৰ মৃতদেহ ময়নাতদন্তৰ পৰীক্ষাৰ পাছত হোজাইৰ নিজ বাসগৃহলৈ অনা হয় যদিও আজি মৃতদেহ সৎকাৰৰ সময়ত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। একাংশ উত্তেজিত লোকে শিক্ষকজনৰ মৃতদেহ অভিযুক্তৰ চোতালত দাহ কৰিব বিচাৰি এক উত্তেজনাময় পৰিবেশৰ সৃষ্টি কৰে। পাছত হোজাই আৰক্ষীৰ মধ্যস্থতাত শিক্ষকজনৰ মৃতদেহ শ্মশানত দাহ কৰা হয়। ইফালে শিক্ষকজনৰ বাসগৃহত আজি অন্তিম শ্ৰদ্ধা জ্ঞাপন কৰিবলৈ শতাধিক শিক্ষাৰ্থী লগতে অন্যান্য লোকৰ ভিৰ পৰা দেখা যায়। সকলোৱে শিক্ষকজনক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি হত্যাকাৰীক উচিত শাস্তি দিয়াৰ দাবী জনায়।

## এবছৰৰ ভিতৰতে সম্পূৰ্ণ হ'ব উত্তৰ

*তিনি পৃষ্ঠাৰ পৰা* বৃহৎ বান্ধ নিৰ্মাণ কৰিব খোজা হৈছে সেই নদীও ১৯৫০ৰ বৰভুঁইকঁপত পাহাৰ খহি সৃষ্টি হোৱা কৃত্ৰিম জলাধাৰ ভাগি গৈ প্ৰলয়ৰ সূচনা হৈছিল লখিমপুৰ, ধেমাজিত। ওখ শিমলুগছৰ আগেৰে পানী বৈছিল বুলি এতিয়াও একাংশ বয়োজ্যেষ্ঠই সেই সময়ৰ বিভীষিকাৰ কথা স্মৰণ কৰে। তেনে ভয়াৱহ ইতিহাসৰ ঘটনা সাক্ষী থকা নদীখনত পুনৰ বৃহৎ বান্ধ নিৰ্মাণ কৰিলে আৰু ভৱিষ্যতে বান্ধ ভাগিব লাগিলে কল্পনা কৰিব নোৱাৰা পৰিস্থিতিৰ সৃষ্টি হ'ব। এনে সংশয় আৰু সম্ভাৱনাৰ বাবে লখিমপুৰ, ধেমাজিত এটা দশকৰো অধিক কাল প্ৰকল্পটোৰ বন্ধৰ দাবীত প্ৰবল আন্দোলন চলি আছে। ২০১১ বৰ্ষত হোৱা এনে প্ৰবল প্ৰতিবাদৰ ফলত তেতিয়াৰ কংগ্ৰেছী ৰাজ্য চৰকাৰখনে প্ৰকল্পটোৰ নিৰ্মাণ স্থগিত ৰাখিবলৈ বাধ্য হৈছিল। আন্দোলনকাৰী ৰাইজ, শতাধিক দল-সংগঠনে স্বস্তিৰ নিশ্বাস কাঢ়িছিল। পিছে কেন্দ্ৰ অথবা ৰাজ্যত ৰাজনৈতিক পট পৰিৱৰ্তন ঘটাত বিজেপি চৰকাৰে পুনৰাই প্ৰকল্পটোৰ নিৰ্মাণত হাত উজান দিয়ে। ৰাইজৰ প্ৰতিবাদ, অদূৰ ভৱিষ্যতৰ ভয়াৱহ ধ্বংসলীলাৰ সম্ভাৱনা এই সকলোবোৰ একাষৰীয়া কৰি বিজেপি চৰকাৰে বৃহৎ পুঁজিপতিৰ স্বাৰ্থৰ বাবে প্ৰকল্পটোৰ নিৰ্মাণত হাত বাউল দিয়ে। আন্দোলনকাৰী একাংশয়ো ৰাজনৈতিক মুনাফাৰ স্বাৰ্থতে বিজেপি পথত থিয় দি নিজৰ চৰিত্ৰ প্ৰকাশ কৰে। পিছে গৰিষ্ঠ সংখ্যক সংগঠন, ৰাইজে এতিয়াও প্ৰতিবাদৰ ধাৰা অব্যাহত ৰাখিছে। প্ৰতিবাদী কাৰ্যসূচীয়েই নহয় প্ৰকল্পৰ নিৰ্মাণ সামগ্ৰী সৰবৰাহ বন্ধ কৰিবলৈও প্ৰচেষ্টা কৰি আহিছে যদিও চৰকাৰে বল প্ৰয়োগ কৰি সামগ্ৰী সৰবৰাহ কৰিছে। বিগত নিৰ্বাচনত সকলো ব্যস্ত থকাৰ সুযোগ লৈ অথবা সম্প্ৰতি নৈশ কৰ্ফিউৰ সুযোগত নিশা প্ৰকল্পটোলৈ নিৰ্মাণ সামগ্ৰী নিয়া হৈছে। কোনো সংগঠনে বাধা দিয়াৰ প্ৰয়াস কৰিলে চৰকাৰে বল প্ৰয়োগ কৰাই নহয় তেওঁলোকৰ ওপৰত গোচৰ জাপি দিয়া হৈছে। সম্প্ৰতি প্ৰকল্পটো নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পথত। ৰাইজ তথা দল সংগঠনৰ প্ৰতিবাদক আওকাণ কৰি চুবুৰীয়া অৰুণাচল প্ৰদেশক উপকৃত কৰা আৰু উত্তৰ অসমক ধ্বংস কৰিব পৰা প্ৰকল্পটো সম্পূৰ্ণ হ'বলৈ এটা বছৰো প্ৰয়োজন নহয়। এনে সময়ত যোৱা কিছুদিনৰ পৰা ৰাজ্যত হৈ থকা এলানি সৰু-বৰ ভুঁইকঁপে পুনৰ প্ৰকল্পটোৰ প্ৰসংগক চৰ্চালৈ আনিছে। ভুঁইকঁপে প্ৰকল্পটোৰ জলাধাৰ ভাঙি পেলোৱাৰ সংশয়ে পুনৰ গা কৰি উঠিছে। কেইদিনমানৰ পূৰ্বে হোৱা সাত ৰিখটাৰ স্কেলৰ ভুঁইকঁপে ৰাজ্যৰ বহু অট্টালিকাৰ ক্ষতিসাধন কৰাৰ পাছৰে পৰা এনে আশংকা বৃদ্ধি পাইছে। সাত ৰিষ্টাৰ স্কেলৰ প্ৰাবল্যতকৈ অধিক ভুঁইকঁপে জোঁকাৰিব লাগিলে এই প্ৰকল্পৰ জলাধাৰৰ বান্ধ ভঙাৰ সম্ভাৱনা আছে আৰু সেয়ে হ'লে উত্তৰ অসম পৰিণত হ'ব মাহসাগৰত। কিছুদিনৰ পৰা ৰাজ্যত হৈ থকা প্ৰতিটো ভুঁইকঁপৰ জোঁকাৰণিয়ে এতিয়া এনে ভয়াৱহ আশংকাৰ জোঁকাৰণি তুলি আহিছে লখিমপুৰ-ধেমাজিৰ প্ৰতিজন লোকৰ হৃদয়ত।

## চুমিলা ওৰফে মিলি ৰংহাংপিৰ নামত

*তিনি পৃষ্ঠাৰ পৰা* কাৰ্যবাহী সদস্যৰ পৰা সাধাৰণ সদস্যলৈ, চৰকাৰী বিষয়াৰ পৰা আৰক্ষীলৈকে। সৰু-বৰ গাড়ীৰ পৰা মটৰ চাইকেলৰ লানি নিছিগা শাৰী। চৰকাৰী বিষয়া-আৰক্ষী উপস্থিত হৈছে তদন্তৰ খাতিৰত। সকলোৰে এটাই ইচ্ছা দুৰ্ভগীয়া পৰিয়ালটোক এনে দুখৰ সময়ত অকণমান সমবেদনা জ্ঞাপন কৰা আৰু পাৰ্যমানে সহায় কৰা। কোনোৱে দিছে খাদ্য সামগ্ৰী, কাপোৰ-কানি, অৰ্থ সাহায্য আৰু কোনোৱে ঘোষণা কৰিছে অৰ্থ সাহায্যৰ। এই গাঁওখনৰ পাহাৰৰ এটা টিলাৰ ওপৰত সৰু সৰু দুটা পঁজা। এই পঁজাতেই থাকে চাৰ্থে ৰংহাঙৰ পৰিয়াল। চাৰ্থে ৰংহাঙৰ চোতালত এখন টেবুলত এগৰাকী কিশোৰীৰ হাঁহি মুখে থকা এখন ৰঙীণ ফটো। ফটোখনৰ তলত অনবৰতে জ্বলি আছে এগছি বন্তি। সমবেত প্ৰায়বোৰেই ফটোখনৰ তলত জ্বলাইছে ধূপ, ছটিয়াইছে ফুল আৰু দৃশ্যবোৰ প্ৰত্যক্ষ কৰি নিৰ্বাক হৈ হা-হুমুনিয়াহ কাঢ়ি পঁজা এটাৰ বাৰাণ্ডাত বহি আছে চাৰ্থে ৰংহাং আৰু পত্নী বাচাপী ক্ৰ'পী। কাৰ্বি ভাষাতে দুই-একে সান্ত্বনা দি আছে। অসমীয়া ভাষা ভালকৈ ক'ব নোৱাৰে। অতিকে সহজ-সৰল, দৰিদ্ৰতাৰ ধামখুমীয়াত জীয়াতু ভুগি ককবকাই থকা চাৰ্থে ৰংহাং ছয়টা সন্তানৰ পিতৃ। সন্তানকেইটা ক্ৰমে মংগল (১৬), চুমিলা ওৰফে মিলি (১৩), চামেলি (১০), ৰূপজুলি (১০), চাৰহন (৫) আৰু ৰাধিকা (৩)। পাহাৰত ঝুম খেতি কৰি কোনোমতে খাই জীৱন নিৰ্বাহ কৰা চাৰ্থে ৰংহাঙে নিজে শিক্ষাৰ আলোকৰে আলোকিত হ'ব নোৱাৰিলে যদিও সন্তানক শিক্ষাৰ পৰা বঞ্চিত নকৰি ভাল মানুহ, ডাঙৰ মানুহ হোৱাৰ সপোন দেখি বহু আশা মনত পুহি ছয়টা সন্তানৰ চাৰিটাকে ৰহাৰ দুটা পৰিয়ালত সপি দিলে। জ্যেষ্ঠ পুত্ৰ মংগল আৰু ভনীয়েক চামেলি থাকে এঘৰত আৰু চুমিলা ওৰফে মিলি থাকে ৰহা খাইগড়ৰ প্ৰকাশ বৰঠাকুৰৰ ঘৰত আৰু ভনীয়েক ৰূপজুলি থাকে প্ৰকাশ বৰঠাকুৰৰ বিবাহিতা জীয়ৰীৰ নগাঁৱৰ ঘৰত। প্ৰকাশ বৰঠাকুৰৰ ঘৰত চুমিলা থকা পাঁচ বছৰেই হ'ল। কিন্তু এই পাঁচ বছৰত তাই এদিনো ঘৰলৈ যাবলৈ নোৱাৰিলে। মানে তাইক যাব নিদিলে। অহা দিন ধৰি ঘৰখনৰ লগত নাই কোনো যোগাযোগ। পাঁচ বছৰত পিতৃ-মাতৃয়ে দেখা নাপালে নিজ কন্যাৰ মুখ। অতি আচৰিত এই পাঁচ বছৰত প্ৰকাশ বৰঠাকুৰৰ পৰিয়ালে সৌজন্যতাৰ খাতিৰতে হওঁক কিম্বা মানৱতাৰ খাতিৰতে হওক এবাৰো চাৰ্থে ৰংহাঙৰ পৰিয়ালক সাক্ষাৎ নকৰিলে। অতি দুখ আৰু পৰিতাপৰ বিষয় যে বনকৰা ছোৱালী হিচাপে ৰখা চুমিলা ৰংহাংপিৰ পৰিয়ালক পাঁচ বছৰত ফুটা কড়ি এটাও নিদিলে প্ৰকাশ বৰঠাকুৰৰ পৰিয়ালে। দুখ- বেদনাৰ মাজেৰেই গতানুগতিকভাৱে দিন বাগৰিল। কিন্তু ২২ এপ্ৰিলত ঘটিল সেই অপ্ৰত্যাশিত ঘটনাটো। জীৱন বন্তি নুমাই গ'ল চুমিলাৰ। ঘোৰ অন্ধকাৰে আবৰি ধৰিলে চাৰ্থে ৰংহাঙৰ পৰিয়ালটোক। সিদিনা বিয়লি প্ৰকাশ বৰঠাকুৰৰ ঘৰৰ পিছফালে উদ্ধাৰ হ'ল চুমিলাৰ অগ্নিদগ্ধ মৃতদেহ। হুৱাদুৱা লাগিল অঞ্চলটোত। চুমিলাক পৰিকল্পিতভাৱে হত্যা কৰাৰ অভিযোগ উত্থাপন হ'ল প্ৰকাশ বৰঠাকুৰৰ পৰিয়ালৰ বিৰুদ্ধে। আটক কৰা হ'ল প্ৰকাশ বৰঠাকুৰ, পত্নী ৰীনা বৰঠাকুৰ আৰু পুত্ৰ নয়নজ্যোতি বৰঠাকুৰক। আৰক্ষীৰ তদন্ত অব্যাহত আছে। চৰকাৰে গঠন কৰিলে এজনীয়া তদন্ত আয়োগ। এমাহৰ ভিতৰত তদন্তৰ প্ৰতিবেদন দাখিলৰ নিৰ্দেশ। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে এই হত্যাকাণ্ডৰ বিচাৰ আৰু দোষীক উপযুক্ত শাস্তিৰ দাবীত বিভিন্ন দল-সংগঠনৰ বিভিন্ন কাৰ্যসূচী ৰূপায়ণ। সকলোৱে মুখত এতিয়া এটাই দাবী দোষীয়ে উপযুক্ত শাস্তি পাবই লাগিব। আইনৰ সুৰুঙাৰে যাতে দোষী সাৰি যাব নোৱাৰে তাৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষক দল-সংগঠনৰ আহ্বান

### চুমিলাৰ নামত হ'ব আৱাসিক বিদ্যালয়

যোৱা ২২ এপ্ৰিলত সংঘটিত দুৰ্ভাগ্যজনক ঘটনাটোৰ পাছত প্ৰায়বোৰ অভিভাৱকে আনৰ ঘৰত ৰখা নিজ সন্তানক ঘৰলৈ ওভতাই নিছে। এই ক্ষেত্ৰত কাৰ্বি ছাত্ৰ সন্থাই বিশেষ ভূমিকা লোৱা পৰিলক্ষিত হৈছে। ইতিমধ্যে ঘৰলৈ ওভতাই নিয়া ছাত্ৰ-ছাত্ৰীসকলক ওচৰৰে বিদ্যালয়ত নামভৰ্তি কৰাৰ সুযোগ দিছে কাৰ্বি আংলং স্বায়ত্ত পৰিষদে। যাতে শিক্ষাগ্ৰহণ কৰিবলৈ আহি পুনৰ এনে অবাঞ্চিত ঘটনাৰ মুখামুখি নহয় তাৰ বাবে এনে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। আনহাতে চুমিলা ওৰফে মিলি ৰংহাংপিৰ ঘৰৰ সন্মুখতে কিশোৰীগৰাকীৰ নামত এখন আৱাসিক বিদ্যালয় খোলাৰ পূৰ্ণ প্ৰস্তুতি চলাইছে কাৰ্বি স্বায়ত্ত পৰিষদে। বিদ্যালয়খনত প্ৰাথমিক শ্ৰেণীৰ পৰা উচ্চ মাধ্যমিকলৈ শ্ৰেণী থাকিব। ইয়াৰ লগতে ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ৰ চৌহদতে থকা-খোৱাৰ সুবিধা পাব। ইয়াৰ উপৰি বিদ্যালয়খনৰ সন্মুখতে মৃত মিলিৰ এটা প্ৰতিমূৰ্তিও স্থাপন কৰা হ'ব। উল্লেখ্য যে মৃত মিলি ৰংহাংপিৰ গাঁৱৰ লগতে ওচৰৰ গাঁৱত কোনো বিদ্যালয় নাই। যাৰ বাবে প্ৰায় দুই কিলোমিটাৰ পাহাৰৰ বাট অতিক্ৰম কৰি বিদ্যালয়লৈ যাব লাগে। এনে কাৰণতে কুদাম ৰংহাং গাঁৱৰ প্ৰায়বোৰ ল'ৰা-ছোৱালীয়ে আনত থাকি পঢ়িবলগীয়া হৈছিল।

## নতুন মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মালৈ অভিনন্দন

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ১১ মে' ঃ** নতুন মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ লগতে তেওঁৰ নেতৃত্বাধীন নৱগঠিত ৰাজ্য চৰকাৰলৈ সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাই অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে। সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সভাপতি ৰাজেন বৰাই এক বিবৃতিযোগে কয় যে দক্ষ, দূৰদৰ্শী, পৰিপক্ক ৰাজনীতিবিদ ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম চৰকাৰে ৰাজ্যখনক উন্নতিৰ শিখৰলৈ লৈ যোৱাত সফলকাম হ'ব। তেওঁ লগতে অসমৰ গ্ৰাম্য অৰ্থনীতিত প্ৰভূত বৰঙণি আগবঢ়োৱা ৰাজ্যৰ ডেৰ লক্ষাধিক ক্ষুদ্ৰ চাহ খেতিয়কৰ সমস্যাৱলী সমাধানৰ ক্ষেত্ৰত নতুন চৰকাৰখনে যথোচিত ব্যৱস্থা গ্ৰহণ কৰিব বুলিও আশা প্ৰকাশ কৰে। সন্থাৰ সভাপতি ৰাজেন বৰাই লগতে সদ্য বিদায়ী মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ কাৰ্যকালত ক্ষুদ্ৰ চাহ খেতিয়কক মাটিৰ পট্টা প্ৰদান কৰাকে ধৰি কে'বাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ কাৰ্যকৰীকৰণৰ বাবে সহযোগ আগবঢ়োৱা আৰু সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যালয় নিৰ্মাণৰ বাবে দুই কোটি টকা আগবঢ়াই কাম সম্পূৰ্ণ কৰাৰ সহযোগ কৰাৰ বাবে প্ৰাক্তন মুখ্যমন্ত্ৰী সোণোৱালৰ প্ৰতি বিশেষভাৱে কৃতজ্ঞতা প্ৰকাশ কৰে।

## জুৰীয়াত ঈদৰ সমূহীয়া নামাজ বাতিল

**অগ্ৰদূত বাৰ্তা**

**জুৰীয়া, ১১ মে' ঃ** সমগ্ৰ বিশ্বত মহামাৰী কৰ'নাৰ সংহাৰ চলাৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ ঈদত জুৰীয়াত নহয় সমূহীয়া নামাজ। জুৰীয়া কেন্দ্ৰীয় মছজিদ কমিটীয়ে গ্ৰহণ কৰিছে এই সিদ্ধান্ত। চৰকাৰী নিয়ম মানি সকলোকে নামাজ আদায়ৰ আহ্বান জনাইছে মছজিদ কমিটীসমূহে। দুটা দিনৰ পাছতে ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পবিত্ৰ ঈদ উল ফিটৰ অনুষ্ঠিত হ'ব। এটা মাহ ৰোজা ৰাখি উলহ-মালহেৰে প্ৰত্যেক বছৰে ইছলাম ধৰ্মাৱলম্বী লোকসকলে পালন কৰে ঈদ উল ফিটৰ। মুকলি আকাশৰ তলত ঈদগাহ ময়দানসমূহত কে'বাসহস্ৰাধিক লোকে ৰাজহুৱাভাৱে ঈদৰ নামাজ আদায় কৰে। কিন্তু এইবাৰ কৰ'না ভাইৰাছৰ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি সমূহীয়াভাৱে পালন নকৰে ঈদ। ঈদগাহ ময়দানসমূহত সমূহীয়াভাৱে নামাজ পঢ়াৰ পৰা বিৰত থাকিব ইছলাম ধৰ্মাৱলম্বী লোকসকল। তাৰ বিপৰীতে সামাজিক দূৰত্ব বজাই ৰাখি অনুষ্ঠুপীয়াকৈ ঘৰে ঘৰে পালন কৰিব ঈদ। প্ৰত্যেককে নিজৰ নিজৰ ঘৰতে ঈদৰ নামাজ আদায় কৰিবলৈ আহ্বান জনাইছে জুৰীয়া কেন্দ্ৰীয় মছজিদ কমিটীয়ে। কৰ'না ভাইৰাছৰ পৰা যাতে সকলোৱে পৰিত্ৰাণ পাব পাৰে তাৰ বাবে লৈছে এই সিদ্ধান্ত। লগতে জুৰীয়া কেন্দ্ৰীয় মছদিদ কমিটীয়ে ইছলাম ধৰ্মাৱলম্বী লোকসকলক আহ্বান জনাইছে যাতে ঈদৰ দিনা আনন্দ-ফূৰ্তি কৰি চৰকাৰী নীতি-নিৰ্দেশনা ভংগ নকৰে। ঘৰতে সুৰক্ষিত থাকি ঈদ উদ্‌যাপন কৰিবলৈ আহ্বান জনাইছে সকলোকে।

## নগাঁৱত পদে পদে উলংঘা

*তিনি পৃষ্ঠাৰ পৰা* পৰা আজি অজানিতেই বহু লোকে সামগ্ৰী ক্ৰয় কৰে। সাধাৰণ ভুলৰ বাবেই ক'ভিডৰ গণ সংক্ৰমণ ঘটাৰ প্ৰবল সম্ভাৱনা থকাৰ পাছতো ৰজকে ব্যৱসায়িক প্ৰতিষ্ঠান খুলি ব্যৱসায় আৰম্ভ কৰাৰ খবৰ লাভ কৰি এদল সাংবাদিক গৈ সেই স্থানত উপস্থিত হৈ স্বত্বাধিকাৰীক প্ৰশ্ন কৰাৰ লগে লগে দোকান বন্ধ কৰি তেওঁ ততালিকে আঁতৰি যায়। ইতিমধ্যে যিসকল লোকে আজি উক্ত দোকানখনলৈ আহিছিল তেওঁলোকে শীঘ্ৰেই ক'ভিড পৰীক্ষা কৰিব লগা এটা পৰিস্থিতিৰ উদ্ভৱ হোৱাত ৰাইজে প্ৰশাসনক প্ৰতিষ্ঠানখনৰ বিৰুদ্ধে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী উত্থাপন কৰিছে। ইপিনে, নগাঁও চহৰৰ ইটাচালিত থকা ভাৰতীয় খাদ্য নিগমৰ ভঁৰালত কৰ্মৰত বহুসংখ্যক শ্ৰমিকৰ মুখত এখনো মাস্ক নথকাৰ পাছতো নিগমৰ বিষয়াসকলে কোনো আপত্তি নকৰাকৈ কাম কৰিবলৈ অনুমতি দিয়া কাৰ্যই প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

## বাসুগাঁও জুৱেলাৰীত চুৰিকাণ্ড

*তিনি পৃষ্ঠাৰ পৰা* জুৱেলাৰীৰ তলা ভাঙি চুৰিকাণ্ডত নগদ ধনৰ লগতে সকলো আ-অলংকাৰ আৰু লকাৰ লুটি নিছিল চোৰে। পিছদিনা দুৰামাৰীৰ নৈত উদ্ধাৰ হৈছিল খালী লকাৰটো। জুৱেলাৰীৰ স্বত্বাধিকাৰী মৃণাল দেৱনাথে দিয়া এজাহাৰৰ ভিত্তিত বাসুগাঁও থানাত ভাৰতীয় দণ্ড বিধিৰ ৪৫৭/৩৮০ ধাৰা অনুসৰি ২৩/২১ নম্বৰ গোচৰ পঞ্জীয়ন কৰি আৰক্ষীয়ে চলাইছিল গোপনে অভিযান। জিলা সদৰ উপ-আৰক্ষী অধীক্ষক প্ৰতাপ দাসৰ নেতৃত্বত চলা অভিযানত বঙাইগাঁও জিলাৰ ঘিলাগুৰীৰ জামাত আলী (৫০)ক গ্ৰেপ্তাৰ কৰে আৰু তেওঁৰ স্বীকাৰোক্তিৰ ভিত্তিত বাসুগাঁও নতুনপাৰাৰ অৰুণ বসুমতাৰী নামৰ লোকজনৰ স'তে তেওঁ চুৰিকাণ্ড সংঘটিত কৰিছিল বুলি কয়। জুৱেলাৰীত চুৰি কৰা সামগ্ৰীখিনি বাসুগাঁৱৰ পাক্ৰিগুৰীৰ জহিৰ আলী নামৰ এজন লোকে ক্ৰয় কৰিছিল। আৰক্ষীয়ে তেওঁকো গ্ৰেপ্তাৰৰ পাছত সোণ আৰু ৰূপৰ আ-অলংকাৰৰ লগতে অন্যান্য সামগ্ৰীও জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে জামাত আৰু জহিৰ আলী নামৰ দুয়োজন লোকক গ্ৰেপ্তাৰ কৰি আইনী ব্যৱস্থা গ্ৰহণ কৰিছে।

## 'সকলোৰে বাবে বিনামূল্যে

*তিনি পৃষ্ঠাৰ পৰা* সভাপতি কৃষ্ণকান্ত গগৈ, জিলা সম্পাদক ৰতন হেমৰম, প্ৰমোদ বৰা, পুণেশ্বৰ বৰা আৰু ধিৰেন মানকিয়ে বাতৰি কাকতলৈ দিয়া এটা বিবৃতিত কয় ঃ শিক্ষা আৰু স্বাস্থ্য এখন জনকল্যাণ কামী ৰাষ্ট্ৰত এই দুয়োটা সম্পূৰ্ণৰূপে বিনামূলীয়া হ'ব লাগে আৰু দুয়ো শিতানতে মুঠ ঘৰুৱা উৎপাদনৰ 12í কৈ খৰচ ব্যয় কৰিব লাগে। তাৰ বিপৰীতে স্বাধীনতাৰ দোকমোকালিতে ভাৰতে দুয়ো শিতানতে মাত্ৰ 6í কৈ খৰচ কৰিছিল, তাৰ পাচত তাক 3í আৰু এতিয়া 1.5í লৈ কমাইছেহে। তাৰ বিপৰীতে মঞ্চ আৰু ইউনিয়নে দাবি কৰে, এখন প্ৰকৃত জনকল্যাণকামী ৰাষ্ট্ৰৰ দৰে ভাৰতেও স্বাস্থ্য আৰু শিক্ষা শিতানত জিদিপিৰ 12í তকৈ খৰচ কৰক। সাম্প্ৰতিক কৰনা অতিমাৰীৰ বাবে মোদী চৰকাৰ চৰম অৱহেলা, নিৰ্বাচনৰ সময়ত লাখ লাখ মানুহৰ সভাত ভাষণ দি স্বয়ং মোদীয়ে চুপাৰস্প্ৰেদাৰৰ ভূমিকা লোৱা, কুম্ভমেলাৰ জৰিয়তে লাখ লাখ মানুহক ক'ৰনা আক্ৰান্ত কৰাৰ বিপৰীতে আনসকলো অসুখৰ বিনামূলীয়া চিকিৎসাৰ উপৰিও বিশেষকৈ ক'ৰনাৰ বিনামূলীয়া পৰীক্ষা, বিনামূলীয়া চিকিৎসা, বিনামূলীয়া অম্লজান আৰু ঘৰে ঘৰে গৈ বিনামূলীয়া ছিটা দিয়াৰ দাবিত ৰাজ্যজুৰি এক প্ৰবল গণ আন্দোলনৰ আহ্বান জনাইছে সংগঠন দুটাই।

## সান্ধ্য আইনৰ মাজতে নৰ্থ-ইষ্ট

*তিনি পৃষ্ঠাৰ পৰা* দাবীক কাণসাৰ নিদিয়াৰ বাবে পুনৰ গৰজি উঠিছে উত্তৰ-পূবৰ এল পি জি ট্ৰান্সপ'ৰ্টাৰ সন্থা। সংগঠনটিৰ তৰফৰ পৰা জানিবলৈ দিয়া মতে, পুৱাৰে পৰা বন্ধ থাকিব উত্তৰ-পূবৰ আঠটাকৈ প্লাণ্টৰ ৰন্ধন গেছ সৰবৰাহ। উত্তৰ গুৱাহাটী, মিৰ্জা, সৰপাৰা, দুলীয়াজান, শিলচৰ, গোপানাৰী, ডিমাপুৰ, বঙাইগাঁও আৰু চেকমাইৰ বটলিং প্লাণ্টত ৰন্ধন গেছ ট্ৰান্সপ'ৰ্টাৰৰ এই অসহযোগ কাৰ্যসূচী গ্ৰহণ কৰিছে। আই অ' চি এল কৰ্তৃপক্ষৰ বঞ্চনা আৰু শোষণৰ প্ৰতিবাদত সময়ে সময়ে এই ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে সংগঠনটিৰে। সংস্থাটিৰ দাবী মানি নোলোৱালৈ অব্যাহত ৰাখিব অসহযোগ কাৰ্যসূচী ল'ব বুলি সদৰী কৰে সংস্থাৰ সভাপতি জয়ন্ত নাথে। ট্ৰান্সপৰ্টাৰৰ অসহযোগৰ ফলত গৃহিণীসকলে চৰম অসুবিধাৰ সন্মুখীন হ'লে আই অ' চি এল কৰ্তৃপক্ষই দায়ী হ'ব বুলি কয় সভাপতিজনে।

## চুবুৰীয়া ৰাজ্য নগালেণ্ডত

*তিনি পৃষ্ঠাৰ পৰা* ৰাজ্যখনত সম্পূৰ্ণ তলাবন্ধ দিবলৈ বাধ্য হৈ পৰে নগালেণ্ড চৰকাৰ। স্বাস্থ্য আৰু অন্যান্য জৰুৰীকালীন সেৱাসমূহক এই তলাবন্ধৰ পৰা ৰেহাই দিয়া হৈছে। উল্লেখ্য যে ব্যৱসায়-বাণিজ্যৰ লগতে বিভিন্ন কাৰণত অসম আৰু নগালেণ্ডৰ লোকৰ মাজত সঘন অহা-যোৱা হয়। অসমত এই পৰ্যন্ত সম্পূৰ্ণ তলাবন্ধ হোৱা নাই যদিও চুবুৰীয়া ৰাজ্যসমূহত সৃষ্টি হোৱা এনে অৱস্থাই চিন্তিত আৰু শংকিত কৰি তুলিছে সচেতন মহলক।

## জুৰীয়াত ভূমিকেন্দ্ৰিক সংঘৰ্ষত

*তিনি পৃষ্ঠাৰ পৰা* নগাঁৱলৈ প্ৰেৰণ কৰে। পাছত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। ঘটনা সংক্ৰান্তত দুয়োপক্ষই পৃথকে পৃথকে জুৰীয়া আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। ইতিমধ্যে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে।

## দাম নবঢ়াব! ব্যৱসায়ীক বৰপেটা জিলা প্ৰশাসনৰ আহ্বান

### উপায়ুক্তৰ কাৰ্যালয়ত সভা ঃ ক'ভিড নীতি-নিয়ম মানি চলাৰ নিৰ্দেশ

**বিশেষ সংবাদদাতা**

**বৰপেটা, ১১ মে' ঃ** বৰপেটা জিলাৰ অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ বিক্ৰেতাসকলক সামগ্ৰীসমূহৰ মজুত আৰু মূল্যমানৰ বিষয়ে উল্লেখ কৰি দোকানৰ সন্মুখতে স্পষ্টকৈ দেখাকৈ আঁৰি দিবলৈ নিৰ্দেশ দিয়া হৈছে। আজি জিলা উপায়ুক্ত তেজ প্ৰসাদ ভূষালৰ নিৰ্দেশ মৰ্মে খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ উদ্যোগত আন্তঃবিভাগীয় বিষয়াসকলৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰীসমূহৰ পাইকাৰী আৰু খুচুৰা ব্যৱসায়ীসকলৰ মাজত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ সভাত এই নিৰ্দেশ জাৰি কৰা হয়। উপায়ুক্তৰ হৈ অতিৰিক্ত উপায়ুক্ত কৰ্মদেৱ ব্ৰহ্মৰ সভাপতিত্বত অনুষ্ঠিত সভাত ব্যৱসায়ীসকলে নিজৰ ব্যৱসায়িক প্ৰতিষ্ঠানত মজুত আৰু বিক্ৰী মূল্য সঠিকভাৱে আঁৰি থোৱাৰ লগতে ক'ভিডৰ চৰকাৰী নীতি-নিৰ্দেশনা মানি সামগ্ৰী বিক্ৰী কৰিবলৈ আহ্বান জনায়। লগতে প্ৰতিখন দোকানৰ সন্মুখত চাবোন পানী মজুত ৰাখিবলৈ আৰু সঠিকভাৱে হাত ধুইহে ব্যৱসায়িক প্ৰতিষ্ঠানত প্ৰৱেশৰ অনুমতি দিবলৈ আহ্বান জনোৱা হয়। সভাত যোগান বিভাগৰ বিষয়াসকলৰ লগতে জিলাখনৰ কৃষি, পশুপালন আৰু মীন বিভাগৰ মুৰব্বী বিষয়াসকলো উপস্থিত থাকে। সাম্প্ৰতিক পৰিস্থিতিৰ গইনা লৈ অধিক দৰত সামগ্ৰী বিক্ৰী নকৰিবলৈও কঠোৰভাৱে সকীয়াই দিয়া হয়। বিশেষকৈ মাছ-মাংস আৰু কৃষিজাত সামগ্ৰীৰ লগতে নিত্য প্ৰয়োনীয় সামগ্ৰীসমূহ মজুত ৰাখিবলৈ আৰু কোনেও যাতে অধিক মূল্য ল'ব নোৱাৰে তাৰ প্ৰতি সতৰ্ক দৃষ্টি ৰাখিবলৈ সংশ্লিষ্ট বিভাগসমূহক উপায়ুক্তই নিৰ্দেশ দিয়ে। উল্লেখ্য যে কালি জিলাৰ ভাৰপ্ৰাপ্ত উপায়ুক্ত তেজ প্ৰসাদ ভূষালে যোগান বিভাগৰ বিষয়াসকলৰ স'তে এখন বৈঠক মিলিত হৈ নিয়মীয়াকৈ বজাৰ পৰিদৰ্শন কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে ব্যৱসায়ী তথা আন্তঃবিভাগীয় বিষয়াসকলক লৈ এখন সভা অনুষ্ঠিত কৰিবলৈ পৰামৰ্শ আগবঢ়াইছিল।

## ধুবুৰীত অৰ্ধসাপ্তাহিক বজাৰ বন্ধ ৰখাৰ নিৰ্দেশ উপায়ুক্তৰ

**অগ্ৰদূত বাৰ্তা**

**গৌৰীপুৰ, ১১ মে' ঃ** ধুবুৰী জিলাত ক'ভিড সংক্ৰমণ দ্ৰুতগতিত বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি জিলা উপায়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অধ্যক্ষ দেৱ কুমাৰ কলিতাই জিলাখনৰ সকলো অৰ্ধসাপ্তাহিক আৰু সাপ্তাহিক বজাৰ বন্ধ ৰখাৰ নিৰ্দেশ জাৰি কৰিছে। এনে বজাৰবোৰত ব্যাপক জনসমাগম হোৱাৰ লগতে সমবেত হোৱা আৰু সামাজিক দূৰত্ব আদি ক'ভিড বিধি মানি নচলাৰ পৰিপ্ৰেক্ষিতত সন্দৰ্ভতো আজি এক নিৰ্দেশনা জাৰি কৰে উপায়ুক্তই। কাইলৈ পুৱা পাঁচ বজাৰ পৰা ধুবুৰী জিলাত কাৰ্যকৰী হ'ব এই নিৰ্দেশনা। পৰৱৰ্তী নিৰ্দেশ জাৰি নকৰালৈকে আজি জিলা উপায়ুক্তই জাৰি কৰা নিষেধাজ্ঞা অব্যাহত থাকিব। নিৰ্দেশ অমান্যকাৰীক দুৰ্যোগ ব্যৱস্থাপনা আইন, ২০০৫ৰ লগতে ভাৰতীয় দণ্ড বিধি আৰু অন্যান্য আইনৰ অধীনত শাস্তি বিহা হ'ব বুলি জিলা উপায়ুক্তই নিৰ্দেশটোত উল্লেখ কৰিছে।

## মুখ্যমন্ত্ৰীক শুভেচ্ছা বিহপুৰীয়া শাখা সাহিত্য সভাৰ

**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ১১ মে' ঃ** ৰাজ্যৰ নৱনিৰ্বাচিত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক শুভেচ্ছা জ্ঞাপন কৰিছে বিহপুৰীয়া শাখা সাহিত্য সভাই। বিহপুৰীয়া শাখা সাহিত্য সভাৰ সভাপতি যাদৱ শৰ্মা আৰু সম্পাদক প্ৰবীণ হাজৰিকাই 'দৈনিক অগ্ৰদূত'লৈ প্ৰেৰণ কৰা এক বিজ্ঞপ্তিৰ জৰিয়তে এজন সুদক্ষ ৰাজনীতিবিদ তথা সাহিত্যিক ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যখন উন্নয়নৰ দিশত দোপতদোপে আগুৱাই যাব বুলি উল্লেখ কৰি তেওঁৰ নেতৃত্বত ৰাজ্যৰ জ্বলন্ত সমস্যাসমূহ সমাধান হ'ব বুলি আশা প্ৰকাশ কৰে।

## নগাঁৱৰ সৰবৰহী যুৱকৰ অকাল মৃত্যু

**বিশেষ সংবাদদাতা**

**নগাঁও, ১১ মে' ঃ** নগাঁও চহৰৰ সমীপৱৰ্তী মধুপুৰ নিবাসী সঞ্জীৱ বৰা (৪৫)ৰ আজি পুৱা প্ৰায় ছয় বজাত নিজ ঘৰৰ ওচৰৰে ৰেল আলিৰ দাঁতিতে মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, কালি সন্ধিয়া প্ৰায় ছয় বজাত নিজৰ মটৰ চাইকেলখন লৈ ঘৰৰ পৰা ওলাই যোৱা সঞ্জীৱ নিশালৈকে ঘৰলৈ উভতি নহাত পৰিয়ালৰ লগতে ওচৰ চুবুৰীয়াই খা-খবৰ লয়। মাজনিশা পৰ্যন্ত সঞ্জীৱৰ ফোন ৰিং কৰি থকাৰ পাছতো ৰিচিভ নকৰাত পৰিয়ালৰ লোকে নিশাই নগাঁও সদৰ আৰক্ষী থানাত লিখিতভাৱে অৱগত কৰে। আৰক্ষীয়ে অনুসন্ধান কৰি আজি পুৱা ৰেলআলিৰ দাঁতিত পৰিত্যক্ত অৱস্থাত মটৰ চাইকেলখন আৰু কিছু নিলগত মৃতদেহটো উদ্ধাৰ কৰে। সন্দেহ কৰা মতে, চলন্ত ৰেলত প্ৰচণ্ড খুন্দা মৰাৰ ফলত মূৰৰ লাওখোলা ভাঙি যায়। সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন নেতা তথা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ থকা বৰা নগাঁৱৰ এজন প্ৰতিষ্ঠিত ইভেণ্ট মেনেজমেণ্টৰূপে পৰিচিত আছিল। সৰবৰহী যুৱকজনৰ মৃত্যুত সমগ্ৰ চহৰখনতে শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেওঁ পিতৃ-মাতৃৰ লগতে পত্নী, দুটি কণমানি সন্তান ইহ সংসাৰত এৰি যায়।

## বিষয় ভিত্তিত অনলাইন কুইজত শিৱসাগৰ জিলাৰ মেট্ৰিক পৰীক্ষাৰ্থীৰ সঁহাৰি

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১১ মে' ঃ** কভিড 19 সংক্ৰমণৰ নিয়ন্ত্ৰণৰ বাবে বিদ্যালয়সমূহ বন্ধ হোৱাৰ পৰিপ্ৰেক্ষিতত অন লাইনৰ যোগেদি শিৱসাগৰ জিলা বিদ্যালয়সমূহত পৰিদৰ্শকৰ উদ্যোগত আৰু শিক্ষা উপদেষ্টা সমিতিৰ সৌজন্যত জিলাখনৰ তৃতীয় শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে পাঠদান অব্যাহত আছে। চলিত বিদ্যালয় বন্ধ সময়চোৱাত প্ৰথমে পঞ্চম শ্ৰেণীৰ অসমীয়া বিষয়ৰ অনলাইন যোগে পাঠ ভিত্তিত কুইজৰ 3 মে' তাৰিখে প্ৰতিযোগিতা আৰম্ভ হয়। ইয়াৰ পাছতো আমি আগন্তুক হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীসকলৰ বাবে ইংৰাজী বিষয়ৰ পাঠ ভিত্তিত কুইজৰ শুভাৰম্ভ কৰা হয়। এই পাঠদান কাৰ্যসূচী শুভাৰম্ভ হয় বিদ্যালয়সমূহৰ প্ৰাক্তন শিক্ষা বিষয়া তথা প্ৰাথমিক যুটীয়া শিক্ষা সঞ্চালক আব্দুল জেলিল ডাঙৰীয়াই। উদ্বোধনী ভাষণত কয় যে, এই অনলাইন পাঠদান ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শিক্ষাৰ পৰিবেশ বৰ্তাই ৰখাত সহায় কৰিব। আৰু সকলো শিক্ষক, ছাত্ৰ-ছাত্ৰীয়ে এই অনলাইন কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। উল্লেখ্য যে, এই কাৰ্যসূচী ধাৰাবাহিক ভাৱে প্ৰতিটো বিষয়ৰ অনলাইন পাঠদান চলি থাকিব। পাঠ ভিত্তিত কুইজৰ সপ্তাহিক ৰুটিন দি দিয়া হয়। উপদেষ্টা মণ্ডলী সকলৰ ভিতৰত পবিত্ৰপ্ৰাণ ভট্টাচাৰ্য, সম্পাদক ৰাজ্যিক অধিবিদ্যা পৰিষদ, অধ্যক্ষ ক্ৰমে স্বৰ্ণজ্যোতি বৰুৱা, গিৰিন্দ্ৰ কুমাৰ গগৈ, অমৰজ্যোতি বৰঠাকুৰ, সুৰুয দত্ত, হীৰেণ নেওগ, কেশৱ দেউৰী, মনমোহন দেৱনাথ, ভূৱন নেওগ, জিলা আঁচনি বিষয়া ক্ৰমে গৌৰীশংকৰ বৰুৱা, ঋষা শইকীয়াৰ উপৰিও বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে পাঠসমূহ প্ৰস্তুত কৰি অনলাইন যোগে ছাত্ৰ-ছাত্ৰীক পাঠদানৰ সুবিধা কৰি আছে আৰু বিদ্যালয় নোখোলা পৰ্যন্ত প্ৰতিদিনে অনলাইন পাঠদান অব্যাহত থাকিব। পাঠ ভিত্তিত কুইজৰ ক্ষেত্ৰত মেট্ৰিক পৰীক্ষাৰ্থী সকলৰ ব্যাপক সহাৰিয়ে কৰনা মহামাৰী সময়তো জিলাখনৰ শিক্ষাদান সজীৱ হৈ আছে বুলি বিভিন্ন জনে মত পোষণ কৰিছে।

## ঈদৰ নামাজ ঘৰতে আদায় কৰাৰ আহ্বান বৰপেটা উপায়ুক্তৰ

### ইছলামধৰ্মী নেতৃস্থানীয় ব্যক্তিৰ স'তে জিলা প্ৰশাসনৰ বৈঠক

**বিশেষ সংবাদদাতা**

**বৰপেটা, ১১ মে' ঃ** আগন্তুক ঈদ-উল-ফিটৰৰ পবিত্ৰ নামাজ এইবাৰ কৰ'নাজনিত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত নিজ নিজ ঘৰতে আদায় কৰাৰ লগতে ঘৰত উৎসৱ উদ্‌যাপন কৰিবলৈ বৰপেটা জিলাৰ ভাৰপ্ৰাপ্ত উপায়ুক্ত তেজ প্ৰসাদ ভূষালে সকলোৰে প্ৰতি আহ্বান জনাইছে। কালি জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত ইছলামধৰ্মীয় সমাজৰ নেতৃস্থানীয় ব্যক্তিৰ স'তে অনুষ্ঠিত এখন বৈঠকত উপায়ুক্তই এই অনুৰোধ জনাই কয় যে ক'ভিড নীতি-নিয়ম অনুসৰি সম্প্ৰতি পাঁচজনতকৈ অধিক লোকৰ সমাগম সম্পূৰ্ণ নিষিদ্ধ কৰা হৈছে। যিহেতু এই মহামাৰীয়ে দেশৰ অন্যান্য অংশৰ লগতে অসম তথা বৰপেটা জিলাতো ব্যাপক ৰূপ ধাৰণ কৰিছে সেয়েহে সকলোৱে নিজৰ লগতে আনৰ সুৰক্ষাৰ বাবে সতৰ্ক হ'বই লাগিব। তেওঁ ঈদৰ বজাৰলৈ যোৱাৰ সময়ত মাস্ক পৰিধান কৰা আৰু সামাজিক দূৰত্ব বৰ্তাই ৰখা আদি নিয়ম পালনৰ ওপৰতো গুৰুত্ব দিয়ে। সভাত জিলা উন্নয়ন আয়ুক্ত দিগন্ত দাস, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ ছিকাৰীয়া, অতিৰিক্ত উপায়ুক্ত নৰজিৎ পাঠক, অতিৰিক্ত আৰক্ষী অধীক্ষক নিৰুপম হাজৰিকা, চক্ৰ বিষয়াসকল, বৰপেটা জামে মছজিদ সমিতি, হাউলি মছজিদ সমিতি আদি বিভিন্ন ঈদগাহ সমিতিৰ বিষয়ববীয়াৰ লগতে ইছলাম সমাজৰ কে'বগৰাকী নেতৃস্থানীয় ব্যক্তিয়ে অংশগ্ৰহণ কৰে। জিলা উপায়ুক্তই চক্ৰ বিষয়াসকলক আৰু মছজিদ তথা ঈদগাহ সমিতিসমূহকো এই সম্পৰ্কে ৰাইজৰ মাজত ব্যাপক প্ৰচাৰ চলোৱাৰ আহ্বান জনায়।

## শালকোচাত নাবালিকা হত্যাকাণ্ডৰ তিনি দিনে নোলাল শুংসূত্ৰ

### দুৰ্ভগীয়া দুই পৰিয়ালৰ গৃহত উপস্থিত কেএচিৰ কাৰ্যবাহী সদস্য জীৱেশ ৰায়

**বিশেষ সংবাদদাতা**

**বিলাসীপাৰা, ১১ মে' ঃ** বিলাসীপাৰা মহকুমাৰ শালকোচা আৰক্ষী চকীৰ অন্তৰ্গত কুমুৰীগাঁৱত যোৱা ন মে'ত সংঘটিত দুই নাবালিকা হত্যাকাণ্ডৰ শুংসূত্ৰ আজিও উলিয়াবলৈ সক্ষম নহ'ল আৰক্ষীয়ে। আজি গেৰাভিটা গাঁৱৰ দুৰ্ভগীয়া পৰিয়াল দুটাৰ মাজত উপস্থিত হয় আক্ৰাছুৰ নেতা তথা কে এ চি'ৰ কাৰ্যবাহী সদস্য জীৱেশ ৰায়। নেতাজনে সমগ্ৰ ঘটনাৰ বুজ লোৱাৰ লগতে শোক সন্তপ্ত পৰিয়াল দুটালৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। ইয়াৰ পাছতে শালকোচা আৰক্ষী চকীত উপস্থিত তদন্তৰ বিষয়ে খবৰ লয় আৰু ঘটনাত জড়িত দোষীক অতি শীঘ্ৰে চিনাক্ত কৰি গ্ৰেপ্তাৰৰ দাবী কৰে। উল্লেখ্য যে যোৱা ন মে'ত দিনৰ ১০ বজাৰ পৰা নিৰুদ্দেশ হৈ পৰিছিল গাঁওখনৰ দুই নাবালিকা। পাছত সম্পৰ্কীয় বায়েক-ভনীয়েক দুগৰাকীৰ বিবস্ত্ৰ অৱস্থাত মৃতদেহ উদ্ধাৰ হয় সমীপৰে কুমুৰীগাঁৱৰ জলাশয় এটাত। কোনো দুৰ্বৃত্তই নাবালিকা দুগৰাকীক প্ৰথমে ধৰ্ষণ কৰি পাছত হত্যা কৰি পেলাই থোৱাৰ সন্দেহ কৰিছে পৰিয়ালৰ লগতে বিভিন্ন মহলে। সিদিনাই নিশা ১১ টা মান বজাত ধুবুৰীৰ আৰক্ষী অধীক্ষক, মহকুমা আৰক্ষী বিষয়া ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ দুটা জলাশয়ৰ পৰা উদ্ধাৰ কৰি পাছত মৰণোত্তৰ পৰীক্ষা কৰি তদন্ত অব্যাহত ৰাখে। কিন্তু আজি তিনি দিনে ঘটনাত জড়িত কোনো এজনক আটক কৰিবলৈ সক্ষম হোৱা নাই আৰক্ষীয়ে।

## ইউ জি ব্ৰহ্মক মন্ত্ৰিত্ব প্ৰদানত অভিনন্দন

অগ্ৰদূত বাৰ্তা

**দোতমা/ফকিৰাগ্ৰাম, ১১ মে' ঃ** অসম মন্ত্ৰীসভাত ইউপিপিএলৰ জ্যেষ্ঠ নেতা উৰ্খাও গৌৰা ব্ৰহ্মক কেবিনেট মন্ত্ৰীৰূপে দায়িত্বভাৰ দিয়াত উৎফুল্লিত হৈছে বিভিন্ন দল-সংগঠনৰ নেতৃবৃন্দ। আজি আক্ৰাছুৰ প্ৰাক্তন সভাপতি তথা কেএচিৰ ই এম কৰ্মেশ্বৰ ৰায়ে ব্ৰহ্মক অভিনন্দন জ্ঞাপন কৰি কয় যে বিটিআৰৰ জ্যেষ্ঠ ৰাজনীতিবিদ তথা সুলেখক ব্ৰহ্মাই মন্ত্ৰিত্ব লাভ কৰাত আমি নথৈ আনন্দিত হৈছে। ব্ৰহ্মাই ভৱিষ্যতে বিভিন্ন জাতি-জনগোষ্ঠীৰ উন্নয়নৰ লগতে অসমৰ সৰ্বাংগীণ উন্নয়ন কৰি অসমখনক ভাৰত তথা বিশ্বৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ ৰাজ্য হিচাপে পৰিগণিত কৰিব। ইয়াৰ লগতে সদৌ বিটিআৰ অনুসূচিত জাতি ছাত্ৰ সন্থাৰ সম্পাদক সুজিত দাস, দোতমা প্ৰেছ ক্লাবৰ সভাপতি কৃষ্ণ বৰ্মন, সম্পাদক ৰমেশ মিশ্ৰা, সহকাৰী সম্পাদক ধনকেশ বৰ্মনে ব্ৰহ্মাই মন্ত্ৰিত্ব লাভ কৰাত অভিনন্দন জ্ঞাপন কৰে।

# নলবাৰীত কৰ'নাৰ ভয়াবহ ৰূপ

## মুখ্যমন্ত্ৰীলৈ ৰাইজৰ দলৰ স্মাৰকপত্ৰ প্ৰেৰণ

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১১ মে' ঃ** কৰ'না মহামাৰীৰ সাম্প্ৰতিক পৰিস্থিতিত নলবাৰী জিলাৰ জনসাধাৰণৰ সমস্যা সমাধানৰ দাবীত আজি ৰাইজৰ দলৰ নলবাৰী জিলা সমিতিয়ে জিলা উপায়ুক্তৰ জৰিয়তে অসমৰ নৱনিযুক্ত মুখ্যমন্ত্ৰীলৈ এখন ১৭ দফীয়া দাবী সম্বলিত স্মাৰকপত্ৰ প্ৰেৰণ কৰে। উল্লেখ্য যে ৰাইজৰ দলৰ জিলা সভাপতি জ্ঞানেন চক্ৰৱৰ্তী, সম্পাদক ৰূপম দাস আৰু সাধাৰণ সম্পাদক ইফটিকাৰ হুছেইন স্বাক্ষৰিত স্মাৰকপত্ৰখনত ১৭ টা দাবী পূৰণৰ আহ্বান জনাইছে। ক'ভিড সৃষ্ট বৰ্তমানৰ এই সংকট কালত ৰাইজৰ বিভিন্ন সমস্যাৰ সমাধানৰ দাবী সম্বলিত স্মাৰকপত্ৰখনত উল্লেখ কৰা দাবীসমূহ ক্ৰমে জিলাখনৰ প্ৰতিখন পঞ্চায়তত ক'ভিড প্ৰতিষেধক কেন্দ্ৰ স্থাপন, প্ৰতিখন জিলা পৰিষদত এশখন বিছনাযুক্ত ক'ভিড হাস্পতাল স্থাপনৰ ব্যৱস্থা, প্ৰতিটো উন্নয়ন খণ্ডৰ অন্তৰ্গত অঞ্চলত দুটাকৈ ক'ভিড কেয়াৰ কেন্দ্ৰ স্থাপন, ক'ভিড ৰোগীৰ ঔষধপাতিকে ধৰি সকলো ধৰণৰ চিকিৎসা বিনামূলীয়া, হোম কোৱাৰেন্টাইনত থকা ৰোগীসকলক বিনামূলীয়াকৈ অক্সিমিটাৰ আৰু ঔষধৰ যোগান ধৰাৰ লগতে প্ৰতিদিনে স্বাস্থ্যকৰ্মীৰ জৰিয়তে স্বাস্থ্যৰ বুজ লোৱাৰ ব্যৱস্থা, মৃতকৰ সৎকাৰৰ যথোপযুক্ত ব্যৱস্থা গ্ৰহণ, চিকিৎসালয়সমূহত পৰ্যাপ্ত পৰিমাণে আই চি ইউৰ বিছনা, অক্সিজেন চিলিণ্ডাৰ আৰু অক্সিজেন ফ্লো মিটাৰ মজুত ৰখাৰ ব্যৱস্থা, হোমকোৱাৰেন্টাইনত থকা ৰোগীসকলৰ লগতে ৰোগীৰ পৰিয়ালৰ দৈনিক ভাট্টা বহন আৰু মৃতকৰ পৰিয়ালক আৰ্থিকভাৱে পাঁচ লাখ টকাৰ সাহায্য প্ৰদান কৰা। তদুপৰি কৰ্মক্ষেত্ৰত স্বাস্থ্য বিভাগৰ কৰ্মচাৰীৰ হেমাহিৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ, অন্য গুৰুতৰ ৰোগত আক্ৰান্ত ৰোগীৰ ক্ষেত্ৰত চিকিৎসাৰ সঠিক ব্যৱস্থাপনা গ্ৰহণ, ক্ষুদ্ৰ ব্যৱসায়ী আৰু শ্ৰমজীৱী পৰিয়ালসমূহক এই সময়ছোৱাত দৈনিক তিনিশ টকাকৈ আৰ্থিক সাহায্য প্ৰদান, অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰি অসাধু ব্যৱসায়িক প্ৰতিষ্ঠান বা ব্যৱসায়ীৰ ওপৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰো দাবী জনাইছে। ইফালে, গৰ্ভৱতী মাতৃ আৰু শিশুৰ খাদ্য, ঔষধ আৰু চিকিৎসা সম্পূৰ্ণ বিনামূলীয়া কৰা, ব্যক্তিগত ব্যৱসায়িক বাহনসমূহক দৈনিক হিচাপত ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা আৰু বিশেষকৈ যাত্ৰীবাহী বাহনসমূহৰ ক্ষেত্ৰত এক নিৰ্দিষ্ট বিধি বলৱৎ, ব্যৱসায়িক ঋণ, মাইক্ৰ'ফাইনেন্সৰ ঋণ আৰু সকলো ধৰণৰ বেংকৰ ঋণৰ কিস্তি পৰিশোধৰ সময়সীমা বৃদ্ধি, মাস্ক, ছেনিটাইজাৰ আদিৰ মূল্য হ্ৰাস কৰাৰ লগতে দৰিদ্ৰ সীমাৰেখাৰ তলৰ ৰাইজক বিনামূলীয়াকৈ খাদ্য প্ৰদানৰ ব্যৱস্থা কৰাৰ লগতে দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ বিজুলী বিলৰ মাচুল ৰেহাইৰ ব্যৱস্থা কৰাৰ দাবী জনাইছে।

# বঙাইগাঁৱত স্থাপন হ'ব অক্সিজেন জেনেৰেচন প্লাণ্ট

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ১১ মে' ঃ** বঙাইগাঁও জিলাত ক'ভিড-১৯ ৰোগীৰ সেৱাত সহায় হোৱাৰ লক্ষ্যৰে আজি ৰাষ্ট্ৰীয় ঘাইপথ পৰিবহণ বিভাগৰ পৰা বঙাইগাঁও জিলা প্ৰশাসনক উন্নত চিকিৎসা সামগ্ৰী সমৃদ্ধ এখন এম্বুলেন্স জিলা প্ৰশাসনক প্ৰদান কৰে। এই উপলক্ষে জিলা উপায়ুক্ত কাৰ্যালয় চৌহদত নেচনেল হাইৱে এণ্ড ইনফকাকষ্টাৰ ডেভে'লপমেণ্ট কৰ্প'ৰেচন লিমিটেড চমুকৈ এন এইছ আই ডি চি এল কৰ্তৃপক্ষই জিলাখনত ক'ভিড-১৯ৰ উন্নত ব্যৱস্থাপনাৰ বাবে তেওঁলোকৰ ছি এছ আৰ পুঁজিৰ অধীনত এই এম্বুলেন্স প্ৰদান কৰে। বঙাইগাঁৱৰ স্থানীয় বিধায়ক ফণী ভূষণ চৌধুৰীয়ে উপায়ুক্ত ডাঃ এম এছ লক্ষ্মীপ্ৰিয়া আৰু ৰাষ্ট্ৰীয় ঘাইপথ পৰিবহণ বিভাগৰ বিষয়াৰ

### পথ পৰিবহণ বিভাগৰ দ্বাৰা এম্বুলেন্স সেৱা প্ৰদান

উপস্থিতিত এম্বুলেন্স সেৱা মুকলি কৰে। ১৫ লাখ টকা ব্যয় সাপেক্ষ এম্বুলেন্সখনত অক্সিজেন আৰু অন্যান্য চিকিৎসা সুবিধাৰে সজ্জিত কৰা হৈছে। জিলাখনৰ ক'ভিড পৰিস্থিতি সন্দৰ্ভত জিলা উপায়ুক্ত ডাঃ এম এছ লক্ষ্মী প্ৰিয়াই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে যে এই এম্বুলেন্স সেৱা সকলো ৰাইজলৈ প্ৰদান কৰা হ'ব। কোনো লোকে ক'ভিড-১৯ৰ পৰীক্ষা কৰিব বিচাৰিলে জিলা প্ৰশাসনৰ কল চেণ্টাৰত ফোন কৰি ছেনিটাইজ কৰা ই-ৰিক্সা বা অট'ৰিক্সাৰে চিকিৎসা কেন্দ্ৰলৈ যাব পাৰিব। বঙাইগাঁও পৌৰসভা কাৰ্যালয়ত এটা কেন্দ্ৰ মুকলি কৰা হৈছে আৰু কেন্দ্ৰটোত গেলামাল আৰু পাচলি অৰ্ডাৰ দিব পাৰিব। জিলাখনত কালিলৈ ৮৭৭ জন ক'ভিড-১৯ ৰোগী আছিল আৰু ক'ভিড-১৯ ৰোগী চিকিৎসা কৰিবলৈ জিলাখনত ৩৫০ বিছনা সাজু কৰি ৰখা হৈছে। বঙাইগাঁও অসামৰিক চিকিৎসালয়ত ২০খন আই ইউ বিছনাৰ কাম চলি আছে। চলিত মাহৰ শেষৰ ফালে এই কেন্দ্ৰটো মুকলি কৰিব পৰা যাব বুলি উপায়ুক্তই জানিবলৈ দিয়ে। উপায়ুক্ত ডাঃ এম এছ লক্ষ্মী প্ৰিয়াই বঙাইগাঁও অসামৰিক চিকিৎসালয়ত এটা অক্সিজেন জেনেৰেচন প্লাণ্ট নিৰ্মাণ কৰাৰ ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি জানিবলৈ দিয়ে।

## মুখ্যমন্ত্ৰীক শুভেচ্ছা বিটিআৰৰ কাৰ্যবাহী সদস্য গৌতম দাসৰ

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১১ মে' ঃ** নৱগঠিত ৰাজ্য চৰকাৰৰ দপ্তৰপ্ৰাপ্ত সকলো মন্ত্ৰীকে বিটিআৰৰ কাৰ্যবাহী সদস্য তথ্য মথনগুৰি পৰিষদীয় সমষ্টিৰ এমচিএলএ গৌতম দাসে শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে বিশেষভাৱে শুভেচ্ছা জনাইছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক। কেবিনেট মন্ত্ৰিত্ব লাভ কৰা ৰাজ্যিক বিজেপিৰ সভাপতি ৰঞ্জিত কুমাৰ দাসকো শুভেচ্ছা জ্ঞাপন কৰে দাসে। বিজেপি মিত্ৰজোঁটে শান্তি-সম্প্ৰীতি অটুট ৰাখি ৰাজ্যত সামগ্ৰিক উন্নয়ন কৰিব বুলি উল্লেখ কৰে কাৰ্যবাহী সদস্যজনে। উল্লেখ্য যে ইউপিপিএলৰ পৰা কেবিনেট মন্ত্ৰিত্ব লাভ কৰা উৰ্খাও গৌৰা ব্ৰহ্মকো শুভেচ্ছা জ্ঞাপন কৰে বিটিআৰৰ নেতাজনে। ইফালে, বিপিএফৰ দুগৰাকী এমচিএলএ বিজেপিত যোগা দিয়াৰ বাবে যোগাযোগ কৰি থকা বুলিও জানিবলৈ দিয়ে দাসে।

## শোণিতপুৰৰ সাপ্তাহিক-অৰ্ধ সাপ্তাহিক বজাৰ বন্ধৰ নিৰ্দেশ

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ১১ মে' ঃ** শোণিতপুৰৰ অৰ্ধৱ সাপ্তাহিক আৰু সাপ্তাহিক হাট- বজাৰসমূহ অহা ৩১ মে' পৰ্যন্ত বন্ধৰ নিৰ্দেশ দিছে শোণিতপুৰ প্ৰশাসনে। উল্লেখ্য যে জিলাখনত বিভিন্ন বাৰত বহা প্ৰায় ২০খন এনে বজাৰ আছে। কেৱল তেজপুৰৰ গাভৰু উন্নয়ন খণ্ডৰ অধীনত কেতেকীবাৰী অৰ্ধৱ সাপ্তাহিক বজাৰৰ উপৰি পাঁচমাইল আৰু ভোমোৰাগুৰিত আছে সাপ্তাহিক দুখন বজাৰ। এনেদৰে ঢেকিয়াজুলি, বালিপৰাৰ লগতে লোক্ৰা, বিন্দুকুৰি আদিকে ধৰি বিভিন্ন অঞ্চলত এনে বজাৰ আছে। শেহতীয়াকৈ শোণিতপুৰত কৰ'নাৰ সংক্ৰমণ বৃদ্ধি পোৱাৰ পৰিণতিত দিনৰ দুই বজাৰ পৰা সকলো দোকান-বজাৰ বন্ধ ৰখাৰ বাবে প্ৰশাসনে দিয়া নিৰ্দেশৰ বিপৰীতে বজাৰসমূহত ভিৰ হ্ৰাস নোপোৱাৰ সমান্তৰালভাৱে সাপ্তাহিক আৰু অৰ্ধৱ সাপ্তাহিক বজাৰতো গ্ৰাহকৰ ভিৰ হোৱাৰ উপৰি কোনো ধৰণৰ কৰ'না প্ৰতিৰোধী নীতি-নিয়ম নমনাৰো অভিযোগ উঠি আহিছে। এনে অৱস্থাত কালি শোণিতপুৰৰ উপায়ুক্ত মানবেন্দ্ৰ প্ৰতাপ সিঙে জিলাখনৰ সাপ্তাহিক আৰু অৰ্ধৱ সাপ্তাহিক বজাৰসমূহ অহা ৩১মে' পৰ্যন্ত সম্পূৰ্ণৰূপে বন্ধৰ নিৰ্দেশ দিয়ে। উল্লেখ্য যে আজিলৈকে শোণিতপুৰত দ্বিতীয় ঢৌত মুঠ এহেজাৰ এশ ২৪ জন কৰ'না ৰোগী চিকিৎসাধীন হৈ আছে।

## নৱনিৰ্বাচিত মুখ্যমন্ত্ৰীক অভিনন্দন বড়োলেণ্ড কৰ্মচাৰী পৰিষদৰ

অগ্ৰদূত বাৰ্তা

**বাগানপাৰা, ১১ মে' ঃ** অসমৰ ৰাজনৈতিক ক্ষেত্ৰখনৰ অন্যতম কৰ্মদক্ষ নেতা ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ নৱনিৰ্বাচিত মুখ্যমন্ত্ৰীৰূপে আসন অলংকৃত কৰাত অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে বড়োলেণ্ড কৰ্মচাৰী পৰিষদে। আজি এক বিবৃতিযোগে পৰিষদৰ সভাপতি দীপক কুমাৰ ৰামচিয়াৰী আৰু সাধাৰণ সম্পাদক নবীন কলিতাই কয় যে নৱনিৰ্বাচিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমবাসীয়ে এখন বিকশিত অসম দেখিবলৈ সক্ষম হ'ব। অসমৰ জ্বলন্ত সমস্যাসমূহৰ লগতো চৰকাৰী শাসন ব্যৱস্থাৰ মূল চালিকা শক্তি কৰ্মচাৰীসকলৰ দীৰ্ঘদিনীয়া সমস্যাসমূহ সমাধান কৰাৰ ক্ষেত্ৰতো মুখ্যমন্ত্ৰী ড° শৰ্মাই বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিব বুলি পৰিষদে আশা প্ৰকাশ কৰে। বিশেষকৈ কৰ্মচাৰীসকলৰ দৰমহাৰ ২১ মাহৰ বকেয়া, ২০২০ৰ জানুৱাৰীৰ পৰা বন্ধ কৰি ৰখা মৰগীয়া বানচ বকেয়াসহ মুকলি, স্বাস্থ্য বীমা আঁচনি প্ৰৱৰ্তন, জিলা পৰ্যায়ৰ সকলো চৰকাৰী কাৰ্যালয়ত মুখ্য সহায়ক পদ সৃষ্টি কৰি ছাৰ্ভিচ ৰুল প্ৰস্তুত, ২০০৫ৰ পাঁচ ফেব্ৰুৱাৰীৰ পৰা অসমত নিযুক্তি লাভ কৰা কৰ্মচাৰীসকলৰ এনপিএছৰ পৰিৱৰ্তে পুৰণি পেঞ্চন ব্যৱস্থা বাহাল ৰখা আদি কাৰ্য ক্ষিপ্ৰতাৰে সম্পন্ন কৰি কৰ্মচাৰীসকলৰ উমৈহতীয়া দায়বদ্ধতা, কৰ্মনিপুণতা আৰু জনসাধাৰণৰ প্ৰতি সেৱাৰ মনোভাবক অধিক উৎসাহ আৰু প্ৰেৰণ যোগাবলৈ নৱনিৰ্বাচিত মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ কৰ্মচাৰীসকলৰ সমস্যা সমাধানৰ ক্ষেত্ৰত আন্তৰিকতা প্ৰীতি প্ৰদৰ্শন কৰিবলৈ বড়োলেণ্ড কৰ্মচাৰী পৰিষদে আহ্বান জনাইছে। একেটা বিবৃতিতে বিটিআৰ অঞ্চলৰ পৰা নতুন মন্ত্ৰীসভাত স্থান লাভ কৰা মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাক বড়োলেণ্ড কৰ্মচাৰী পৰিষদে অভিনন্দন জ্ঞাপন কৰি বিটিচিৰ অধীনস্থ কৰ্মচাৰীসকলৰ সমস্যাসমূহৰ আশু সমাধানৰ ক্ষেত্ৰতো মন্ত্ৰী ব্ৰহ্মাই বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰে।

# এদিনতে এই পৰ্যন্ত সৰ্বাধিক ৬,২৫৮

*দুই পৃষ্ঠাৰ পৰা*

### নলবাৰীত দুজনৰ মৃত্যু ঃ বালিতাৰা চুবুৰীত গণ সংক্ৰমণ

**নলবাৰীৰ অগ্ৰদূত বাৰ্তা ঃ** নলবাৰী জিলাত আজি দুজন ক'ভিড ৰোগীৰ মৃত্যু হয়। ইয়াৰে এজন হৈছে জিলাখনৰ জাপাৰকুছিৰ কমলাকান্ত তালুকদাৰ (৬৫)। কৰ'নাত আক্ৰান্ত হৈ কিছুদিন ধৰি জি এন আৰ চি হাস্পতালত চিকিৎসাধীন হৈ থকাৰ পাছত আজি তেওঁৰ হাস্পতালতে মৃত্যু হয়। অৱশ্যে আনজন মৃত ৰোগীৰ সবিশেষ তথ্য এই পৰ্যন্ত পোহৰলৈ অহা নাই। ইফালে, জিলাখনত আজি ২১৯ জন ক'ভিড ৰোগী চিনাক্ত হয়। ফলত জিলাখনত আক্ৰান্ত লোকৰ সংখ্যা দুহেজাৰ ৬৯৪ জনলৈ বৃদ্ধি পালে। উল্লেখ্য যে জিলাখনৰ পূব বালিতাৰা গাঁৱত সম্প্ৰতি এখন বিবাহৰ পৰা গণ সংক্ৰমণ আৰম্ভ হৈছে। যোৱা ৩০ এপ্ৰিলত গাঁওখনত এক বিবাহ অনুষ্ঠান আয়োজিত হৈছিল। ইয়াৰ পাছতে বিবাহত উপস্থিত থকা ৬৯ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰাত সম্প্ৰতি জিলা প্ৰশাসনে গাঁওখনক কণ্টেইনমেণ্ট জ'ন ঘোষণা কৰিছে। উল্লেখ্য যে উক্ত বিবাহ অনুষ্ঠানত উপস্থিত থকাৰ পাছত চটাইবাৰী গাঁৱৰ সোমনাথ বড়ো নামৰ লোকজনৰ ক'ভিডত মৃত্যু হৈছিল।

### গোৱালপাৰাত চাৰিজন ক'ভিড ৰোগীৰ মৃত্যু

**মাটিয়াৰ অগ্ৰদূত বাৰ্তা ঃ** গোৱালপাৰা জিলাত বিগত ২৪ ঘণ্টাত চাৰিজন ক'ভিড ৰোগীৰ মৃত্যু হয়। ইয়াৰ ফলত জিলাখনত কৰ'নাৰ দ্বিতীয় লহৰত মৃত্যু হোৱা ৰোগীৰ সংখ্যা আঠজনলৈ বৃদ্ধি পোৱা বুলি সদৰী কৰিছে গোৱালপাৰা অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ শ্যামলেন্দু দাসে। জিলাখনৰ জলেশ্বৰৰ আব্দুল কালাম পৰামানিক (৪৬) কৰ'নাত আক্ৰান্ত হোৱাৰ পাছত স্বাস্থ্যৰ অৱনতি ঘটাত আজি পুৱতি নিশা গোৱালপাৰা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। কিন্তু চিকিৎসকে তেওঁক মৃত্যু বুলি ঘোষণা কৰে। আনহাতে, নগাঁও জিলাৰ জখলাবন্ধাৰ উদীপ্ত শইকীয়া (৩৭) নামৰ লোকজনে গোৱালপাৰাত বিয়া খাবলৈ আহি কৰ'নাত আক্ৰান্ত হৈ যোৱা ন মে'ৰ বিয়লিৰ পৰা অসামৰিক চিকিৎসালয়খনত ভৰ্তি হৈ আছিল। আজি পুৱা পাঁচ বজাত শইকীয়াৰ মৃত্যু হয়। আনহাতে, অসামৰিক চিকিৎসালয়খনত মৃত্যু হোৱা আন দুজন কৰ'না ৰোগী হৈছে চহৰৰ পাহাৰতলিৰ মীৰা ৰাজ (৫৮) আৰু মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত ডেকধোৱাৰ ৰৌচান আলী (৬০)। কালি বিয়লি ৩-৪০ বজাত মীৰা ৰাজক চিকিৎসালয়ত ভৰ্তি কৰোৱাৰ ১০ মিনিটৰ পাছতে মৃত্যু হয়। আনহাতে, কালি সন্ধিয়া ৭-৪৫ বজাত আলীক চিকিৎসালয়ত ভৰ্তি কৰোৱাৰ পাঁচ মিনিটৰ পাছতে তেওঁৰ মৃত্যু হয়। ইপিনে, জিলাখনত আজি নতুনকৈ ১৪৯ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ফলত জিলাখনত আক্ৰান্ত লোকৰ সংখ্যা ৭৭৩ জনলৈ বৃদ্ধি পালে। ইয়াৰে ৪২ জন চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। আনহাতে, আজিৰ দিনটোত জিলাখনৰ ১৩৪ জন ৰোগীক ক'ভিডমুক্ত বুলি ঘোষণা কৰা হয়।

### হোজাইত এজনৰ মৃত্যু ঃ চিকিৎসক-ইমাম-অধ্যক্ষ আক্ৰান্ত

**হোজাই/যমুনামুখৰ অগ্ৰদূত বাৰ্তা ঃ** হোজাই জিলাত আজি এজন ক'ভিড আক্ৰান্তৰ মৃত্যু হয়। অৱশ্যে মৃত লোকজনৰ সঠিক তথ্য এতিয়াও স্বাস্থ্য বিভাগে সদৰী কৰা নাই। উল্লেখ্য যে জিলাখনত আজি চিকিৎসক, মছজিদৰ ইমাম আৰু এখন বিদ্যালয়ৰ অধ্যক্ষৰ শৰীৰতো ক'ভিডৰ উপস্থিতি ধৰা পৰে। জিলাখনৰ ডবকা চিকিৎসালয়ৰ দুজন চিকিৎসক কৰ'নাত আক্ৰান্ত হৈছে। সেইদৰে ডবকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আৰু ডবকা বৰ মছজিদৰ ইমামৰ শৰীৰতো ক'ভিডৰ উপস্থিতি ধৰা পৰা বুলি স্বাস্থ্য বিভাগৰ

সূত্ৰই জনাইছে। ইপিনে, ইমামজন ক'ভিডত আক্ৰান্ত হোৱাত ৰমজান মাহত নামাজ পঢ়িবলৈ মছজিদলৈ অহা অন্যান্য লোকৰ মাজতো সংক্ৰমণ বিয়পোৱাৰ আশংকাই দেখা দিছে। উল্লেখ্য যে আজি জিলাখনত মুঠ ৯২ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ফলত জিলাখনত আক্ৰান্ত লোকৰ সংখ্যা এহেজাৰ ২৪৯ জনলৈ বৃদ্ধি পালে। সম্প্ৰতি জিলাখনত ৫৯৫ জন সক্ৰিয় ৰোগী আছে।

### শোণিতপুৰত পুনৰ এজনৰ মৃত্যু

**তেজপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** শোণিতপুৰ জিলাত আজি পুনৰ এজন ক'ভিড ৰোগীৰ মৃত্যু হয়। তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত শেষ নিশ্বাস ত্যাগ কৰা ৰোগীজন হৈছে তেজপুৰ চহৰৰ নিকটৱৰ্তী বান্দৰমাৰীৰ অতুল চন্দ্ৰ বৰা (৬৭)। ইফালে, আজি জিলাখনত নতুনকৈ ১৯৪ জন লোক কৰ'নাত আক্ৰান্ত হয়। আনহাতে, জিলাখনৰ ৫৮ জন কৰ'না ৰোগী আজি সুস্থ হয়। সম্প্ৰতি জিলাখনত এহেজাৰ ২৬০ জন সক্ৰিয় ৰোগী আছে।

### বঙাইগাঁৱত এজনৰ মৃত্যু ঃ অভয়াপুৰী জিলা কাৰাগাৰত ৩৬ জন বন্দী আক্ৰান্ত

**বঙাইগাঁৱৰ অগ্ৰদূত ব্যুৰ'/অভয়াপুৰীৰ অগ্ৰদূত বাৰ্তা ঃ** বঙাইগাঁও জিলাত আজি এজন ক'ভিড ৰোগীৰ মৃত্যু হয়। মৃত লোকজন হৈছে বঙাইগাঁও ষ্টেছন ৰোডৰ বাসিন্দা মদন শ্বাহ (৫৫)। ক'ভিডত আক্ৰান্ত হোৱাৰ পাচত বঙাইগাঁও ল'ৱাৰ আছাম হাস্পতাল এণ্ড ৰিচাৰ্চ চেণ্টাৰত চিকিৎসাধীন হৈ থকা অৱস্থাতে লোকজনৰ আজি মৃত্যু হয়। বঙাইগাঁও জিলাত আজি মুঠ ১১৫ জন ক'ভিড ৰোগী চিনাক্ত হয়। ফলত জিলাখনত আক্ৰান্ত ৰোগীৰ সংখ্যা ৯২২ জনলৈ বৃদ্ধি পালে। ইয়াৰে ৬০ জন ইতিমধ্যে সুস্থ হৈছে। ইপিনে, জিলাখনৰ উত্তৰ শালমাৰা মহকুমাতো আজি ১৫ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। আনহাতে, গণ সংক্ৰমণ আৰম্ভ হৈছে অভয়াপুৰীস্থিত জিলা কাৰাগাৰত। কালি কাৰাগাৰৰ ২৮ জন বন্দীৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰিছিল। আজি ক'ভিড আক্ৰান্তৰ সংখ্যা কাৰাগাৰত ৩৬ জনলৈ বৃদ্ধি পালে। ফলত জিলা কাৰাগাৰত সম্প্ৰতি আতংকৰ সৃষ্টি হৈছে।

### তামুলপুৰৰ যুৱ ব্যৱসায়ীৰ ক'ভিডত মৃত্যু ঃ চিকিৎসক আক্ৰান্ত

**তামুলপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** তামুলপুৰ মহকুমাৰ এজন যুৱ ব্যৱসায়ী তথা অভিনেতাৰ ক'ভিডত মৃত্যু হৈছে। মহকুমা সদৰ বাৰেই গাঁও (গোৰেশ্বৰ চ'ক) নিবাসী যুৱ ব্যৱসায়ী তথা সাংস্কৃতিক কৰ্মী মুন দাসে কিছুদিনৰ পূৰ্বে সপৰিয়ালে বৰপেটাৰ আত্মীয়ৰ ঘৰলৈ গৈ ক'ভিডত আক্ৰান্ত হৈছিল। তাৰ পাছৰে পৰা তেওঁ বৰপেটা ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি হৈ আছিল। আজি বিয়লি দাসৰ চিকিৎসাধীন অৱস্থাতে মৃত্যু হয়। দক্ষ অভিনেতা, সত্ৰীয়া সংস্কৃতিৰ থিয় নামৰ সুদক্ষ পাঠক দাসে পত্নী আৰু এটি কন্যা সন্তান এৰি গৈছে। ইফালে, তামুলপুৰ মহকুমাত এজন জ্যেষ্ঠ চিকিৎসকসহ আজি ২৬ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। নাগ্ৰীজুলি আদৰ্শ চিকিৎসালয়ৰ জ্যেষ্ঠ চিকিৎসকজন আক্ৰান্ত হোৱাত চিকিৎসালয়ৰ আন চিকিৎসক তথা চিকিৎসা কৰ্মীসকল শংকিত হৈ পৰিছে।

### কোকৰাঝাৰত তিনিমহীয়া শিশুসহ দুজনৰ মৃত্যু

**গোসাঁইগাঁও/দোতমা/ফকিৰাগ্ৰামৰ অগ্ৰদূত বাৰ্তা ঃ** এটি তিনিমহীয়া শিশুকো ৰেহাই নিদিলে কাল কৰ'নাই। আজি কোকৰাঝাৰ জিলাত এটি শিশুসহ দুজনৰ ক'ভিডত মৃত্যু হয়। মৰনৈ চাহ বাগিচাৰ শিশুটিক কালি পিতৃ-মাতৃয়ে চিকিৎসালয়লৈ অনাৰ পাছত পৰীক্ষাত ক'ভিডৰ সংক্ৰমণ ধৰা পৰিছিল। আজি চিকিৎসাধীন অৱস্থাতে প্ৰভাস লাক্ৰা নামৰ তিনিমহীয়া শিশুটিৰ মৃত্যু হয়। মৃত্যু হোৱা আনজন লোক হৈছে কোকৰাঝাৰ শান্তিনগৰৰ নিবাসী প্ৰমোদ বণিক (৮০)। কালি তেওঁৰ শৰীৰত ক'ভিডৰ সংক্ৰমণ ধৰা পৰাৰ পাছত নিজ গৃহতে আছুতীয়াকৈ থকাৰ ব্যৱস্থা কৰিছিল। কিন্তু নিশা শ্বাস-প্ৰশ্বাসত কষ্ট পোৱাত পৰিয়ালৰ লোকে চিকিৎসালয়লৈ নিয়ে যদিও নিশাই তেওঁৰ মৃত্যু হয়। ক'ভিডৰ দ্বিতীয় লহৰত জিলাখনত এই পৰ্যন্ত নজন আক্ৰান্তৰ মৃত্যু হৈছে। ইপিনে, আজি জিলাখনত ৯৮ জন লোকৰ শৰীৰত কৰ'নাৰ উপস্থিতি ধৰা পৰে। ইয়াৰে শ্ৰীৰামপুৰস্থিত ক'ভিড পৰীক্ষণ চকীত বহিঃৰাজ্যৰ পৰা অহা ৩৪ জন কৰ'না ৰোগী চিনাক্ত হয়। সম্প্ৰতি জিলাখনত ৩৮৭ জন সক্ৰিয় ৰোগী আছে আৰু ৩৭ জন ইতিমধ্যে সুস্থ হৈছে। জিলাখনৰ দোতমা অঞ্চলতো আজি ৪৬ জন লোকৰ ক'ভিড পৰীক্ষা সম্পন্ন হৈছিল। ইয়াৰে ১৩ জন লোকৰ ফলাফল পজিটিভ আহে। এজন ৰোগীক সংকটজনক অৱস্থাত কোকৰাঝাৰ আৰ এন বি অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে।

### আজাৰাত এজনৰ মৃত্যু

**আজাৰাৰ অগ্ৰদূত বাৰ্তা ঃ** কামৰূপ জিলাৰ আজাৰা অঞ্চলৰ এজন ক'ভিড আক্ৰান্তৰ যোৱা নিশা মৃত্যু হয়। মৃত লোকজন হৈছে আজাৰা বিষ্ণুপুৰৰ কুমুদ ঠাকুৰীয়া (৭২)। আনহাতে, আজাৰা অঞ্চলত আজি ৪৯ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ইয়াৰে নজনক বিভিন্ন চিকিৎসালয়ত চিকিৎসাধীন কৰা হৈছে।

### বিশ্বনাথত নতুনকৈ ৬৩ জন আক্ৰান্ত

**বিশ্বনাথ চাৰিআলিৰ অগ্ৰদূত বাৰ্তা ঃ** বিশ্বনাথ জিলাত আজি নতুনকৈ ৬৩ জন লোক ক'ভিডত আক্ৰান্ত হয়। ইয়াৰ ফলত জিলাখনত আক্ৰান্ত ৰোগীৰ সংখ্যা ৮০৩ জনলৈ বৃদ্ধি পালে। জিলাখনত ইতিমধ্যে ২৪৮ জন ৰোগী কৰ'নামুক্ত হৈছে। আনহাতে, ৫৪৯ জন সক্ৰিয় ৰোগী আছে। জিলাখনৰ চাৰিজন ৰোগীৰ এই পৰ্যন্ত মৃত্যু হৈছে।

### ভূৰাগাঁৱৰ পাঁচটা পৰিয়ালত ২৫ জন আক্ৰান্ত

**ভূৰাগাঁৱৰ অগ্ৰদূত বাৰ্তা ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁৱৰ পোকালাগী অঞ্চলতো আজি জিলা প্ৰশাসনে কণ্টেইনমেণ্ট জ'ন ঘোষণা কৰে। যোৱা শনিবাৰৰ পৰা অঞ্চলটোত উদ্বেগজনকভাৱে আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাইছে। বিগত তিনিটা দিনত অঞ্চলটোৰ ৪১ জন ক'ভিড ৰোগী চিনাক্ত হয়। পোকালাগীৰ এটা চুবুৰীৰ ১০ টা পৰিয়ালৰ ২৫ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰা বুলি স্বাস্থ্য বিভাগৰ সূত্ৰই জনাইছে।

### চিৰাঙত ৩৩ জন ক'ভিড ৰোগী চিনাক্ত ঃ প্ৰতিষেধকৰ নাটনি

**কাজলগাঁৱৰ অগ্ৰদূত বাৰ্তা ঃ** চিৰাং জিলাত আজি ৩৩ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ফলত জিলাখনত আক্ৰান্ত লোকৰ সংখ্যা ৪৯০ জনলৈ বৃদ্ধি পালে। ইয়াৰে ২৩৯ জন সক্ৰিয় ৰোগী আছে। ইপিনে, জিলাখনত ক'ভিড প্ৰতিষেধকৰ নাটনিৰ কথা স্বীকাৰ কৰিছে জিলাখনৰ প্ৰতিষেধক বিষয়া অতুল দাসে। তেওঁ আজি জনায় যে এই সময়ত জিলাখনত মাত্ৰ দুহেজাৰ ৪০০ জন লোককহে প্ৰতিষেধক দিব পৰা অৱস্থাত আছে। পৰৱৰ্তী এটা দিনতে এই প্ৰতিষেধক শেষ হোৱাৰ সম্ভাৱনা আছে। ইপিনে, জিলাখনৰ প্ৰতিখন চিকিৎসালয়তে ক'ভিড প্ৰতিষেধক লোৱাৰ বাবে মানুহৰ দীঘলীয়া শাৰী পৰিলক্ষিত হৈছে।

### ছাগলীয়াত বহিঃৰাজ্যৰ ২৭ যাত্ৰীৰ ক'ভিড চিনাক্ত

**আগমনী/বক্সিৰহাটৰ অগ্ৰদূত বাৰ্তা ঃ** ধুবুৰী জিলাৰ অসম-বংগ সীমান্তৰ ছাগলীয়াত আজি ২৭ জন ক'ভিড ৰোগী চিনাক্ত হয়। বহিঃৰাজ্যৰ পৰা অহা যাত্ৰীৰ মাজত সম্পন্ন কৰা পৰীক্ষাত এইসকল ৰোগী চিনাক্ত হয়। ইপিনে, আগমনী আৰক্ষী থানাৰ দুজন অভিযুক্তৰ শৰীৰতো ক'ভিডৰ উপস্থিতি ধৰা পৰিছে। দুয়োকে আগমনী চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

## ড° হিমন্ত বিশ্ব শৰ্মাৰ মুখ্যমন্ত্ৰীৰ দায়িত্ব লাভত জালুকবাৰী সমষ্টিত আনন্দৰ বন্যা

অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ১১ মে' ঃ** ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰীৰ দায়িত্ব লাভ কৰাৰ পাছতেই আনন্দত আত্মহাৰা হৈ পৰিছে জালুকবাৰী সমষ্টিৰ ৰাইজ। সমষ্টিটোৰ অন্তৰ্গত বিভিন্ন ঠাইত উৎফুল্লিত ৰাইজে হিলৈ-ফটকাৰে আনন্দ প্ৰকাশ কৰা পৰিলক্ষিত হৈছে। সমষ্টিটোৰ আগডলা, শালমাৰা, গোগ, ভোমোলাহাটী, মান্দাকাটা, বেজেৰাকে ধৰি প্ৰায় প্ৰতিখন গাঁৱৰ ৰাইজে আনন্দত আত্মহাৰা হৈ পৰে। উৎফুল্লিত ৰাইজে ক্ৰমাগতভাৱে ফটকা-ফুলজাৰিৰে আকাশ বতাহ কঁপাই তোলা পৰিলক্ষিত হয়। হিতেশ্বৰ শইকীয়া নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰৰ দিনত জালুকবাৰী সমষ্টিত ১৯৯৩-৯৪ত পদাৰ্পণ কৰা ড° শৰ্মাই সেই সময়ত যুৱ কল্যাণৰ দায়িত্ব লৈ বাট-পথ উন্নয়নৰ ধাৰা আৰম্ভ কৰিছিল। কম সময়তে প্ৰতিখন গাঁৱৰ প্ৰতিজন মানুহৰ স'তে ড° শৰ্মাই স্থাপন কৰিছিল এক নিবিড় সম্পৰ্ক। সেই সময়ৰ ন-অগপৰ জনপ্ৰিয় বিধায়ক অপ্ৰতিৰোধ্য ভৃগু ফুকনে ১৯৯৬ত পুনৰ অগপৰ প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা কৰি সেই সময়ৰ যুৱ কংগ্ৰেছ নেতা ড° শৰ্মাক পৰাভূত কৰি জালুকবাৰী পুনৰ দখল কৰে যদিও প্ৰথম পৰাজয়ে অকণো বিচলিত কৰিব নোৱাৰিলে। ড° শৰ্মাই আৰু দুগুণ উৎসাহেৰে জালুকবাৰী সমষ্টিত নিজকে অৰ্পণ কৰে। তদানীন্তন বিধায়ক ভৃগু ফুকনক কোনো দিন, কোনো নিৰ্বাচনী সভাত এবাৰো কটাক্ষ নকৰাকৈ কেৱল উন্নয়নৰ প্ৰতিশ্ৰুতিৰে ২০০১ত জালুকবাৰী সমষ্টি দখল কৰিবলৈ সক্ষম হয় বিচক্ষণ নেতা ড° শৰ্মাই। তেতিয়াৰ পৰা আৰু পাছলৈ উভতি চাব লগা হোৱা নাই ড° শৰ্মাই। প্ৰতিশ্ৰুতি অনুসৰি সমষ্টিৰ প্ৰতিখন গাঁৱৰ আলি-পদূলি ন-ৰূপত সজাই তোলা ড° শৰ্মাই পৰৱৰ্তী সময়ত সমষ্টিটোৰ বহু নিবনুৱাক চৰকাৰী চাকৰিত নিয়োগ কৰে। সমষ্টিৰ প্ৰতিজন লোকৰ বিপদ-বিঘিনিত অভিভাৱকৰ দৰে দায়িত্ব পালন কৰি অহা এজন ৰাইজৰ নেতাই অৱশেষত বহু ঘাত-প্ৰতিঘাতৰ অন্তত জালুকবাৰী সমষ্টিবাসীয়ে আশা কৰাৰ দৰে মুখ্যমন্ত্ৰীৰ দায়িত্ব লাভ কৰাত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে সমষ্টিটোত। জালুকবাৰী সমষ্টিৰ প্ৰতিখন গাঁও পঞ্চায়ত হিলৈ ফটকাৰ ধ্বনিৰে মুখৰিত হৈ পৰে।

## নীলবাগান ক'ভিড চেণ্টাৰত অৰাজকতা

অগ্ৰদূত বাৰ্তা

**হোজাই, ১১ মে' ঃ** হোজাই জিলা প্ৰশাসনে স্থাপন কৰা নীলবাগানৰ মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়ৰ ক'ভিড কেয়াৰ চেণ্টাৰত ব্যাপক অৰাজকতাৰ সৃষ্টি হোৱাৰ অভিযোগ উঠিছে। ক'ভিড ৰোগীসকলক নিম্নমানৰ খাদ্য যোগানৰ বাবে বহু ৰোগীয়ে নিজৰ ঘৰৰ পৰা খাদ্য যোগান ধৰিবলগীয়া হৈছে। ইয়াৰ উপৰি চাফ-চিকুণতাৰ দিশত অৱস্থা একেবাৰে শোচনীয় অৱস্থা। ৰোগীসকলে এই কেন্দ্ৰত চৰম অৱহেলিত হোৱাৰ অভিযোগ উঠিছে। চিকিৎসা ক্ষেত্ৰত চিকিৎসা কৰ্মীয়ে গাফিলতি কৰাৰে অভিযোগ উঠিছে। এই কেন্দ্ৰটোৰ নিৰাপত্তাৰক্ষীৰ বিপক্ষে বিস্ফোৰক অভিযোগ উঠিছে। অভিযোগ মতে, নিৰাপত্তাৰক্ষীয়ে ধনৰ বিনিময়ত ক'ভিড ৰোগীৰ আত্মীয়ক ৰোগীৰ লগত নিশা কটোৱা ক'ভিড ৰোগীৰ সংস্পৰ্শলৈ আহি সেই আত্মীয়ই বজাৰ- হাট ঘূৰি পুনৰ ৰোগীৰ কাষলৈ যোৱাৰ সুযোগ লাভ কৰে। এই ক্ষেত্ৰত নিৰাপত্তাৰক্ষীয়ে পূৰ্ণ সহযোগ কৰাৰ অভিযোগ উঠিছে। ইফালে বাৰম্বাৰ অভিযোগ কৰাৰ পাছতো সময় মতে ৰোগীসকলক খোৱাপানী, কেন্দ্ৰটোৰ ভগ্ন দুৱাৰ-খিৰিকী আদি মেৰামতি কৰাত জিলা প্ৰশাসনে কোনো গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ উঠিছে। গণ সংক্ৰমণ ৰোধ কৰাৰ বাবে কেন্দ্ৰটোত নিৰাপত্তাৰ দিশত গুৰুত্ব প্ৰদান কৰিবলৈ সচেতন মহলে অনুৰোধ জনাইছে।

## মুখ্যমন্ত্ৰী শৰ্মালৈ অভিনন্দন পেঞ্চনাৰ সন্থা-গড়কাপ্তানী ঠিকাদাৰ সন্থাৰ

বিশেষ সংবাদদাতা

**নগাঁও, ১১ মে' ঃ** অসমৰ নৱ নিৰ্বাচিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ নেতৃত্বত গঠিত নতুন চৰকাৰখনলৈ অভিনন্দন জ্ঞাপন কৰিছে নগাঁও জিলা গড়কাপ্তানী বিভাগৰ ঠিকাদাৰ সন্থাই। নগাঁও জিলাৰ গড়কাপ্তানী বিভাগৰ ঠিকাদাৰ সন্থাৰ সভাপতি বুবুল বৰা আৰু সাধাৰণ সম্পাদক গিৰিকান্ত বৰাই এক বিবৃতিত প্ৰকাশ কৰে যে ড° শৰ্মাৰ নেতৃত্বত নতুন চৰকাৰখনে অসমৰ সামগ্ৰিক বিকাশৰ জৰিয়তে ৰাজ্যখনক দেশৰ ভিতৰতে উজলাই তুলিব। মুখ্যমন্ত্ৰীয়ে নিজৰ হাতত গড়কাপ্তানী বিভাগ ৰখাত সন্থাই সন্তুষ্টি প্ৰকাশ কৰি কয় যে ৰাজ্যখনৰ বাট-পথৰ আন্তঃগাঁথনিৰ উন্নয়ন ড° শৰ্মাৰ নেতৃত্বত গতিশীল হৈ উঠিব। ইপিনে, চৰকাৰী পেঞ্চনাৰ সন্থাৰ অসমৰ নগাঁও জিলা শাখাই নৱ নিৰ্বাচিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে। সন্থাৰ সভাপতি আবুল হুছেইন আৰু সম্পাদক জীৱ প্ৰসাদ বৰকটকীয়ে এক বিবৃতিত কয় যে ড° শৰ্মাই ৰাজ্যখনৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰিব। সম্প্ৰতি ক'ভিডসৃষ্ট জটিল পৰিস্থিতি মোকাবিলা কৰিবলৈ চৰকাৰখন সক্ষম হ'ব বুলি সন্থাই আশা প্ৰকাশ কৰে।




*মিৰ্জা চ'কত নৱ নিৰ্বাচিত বিধায়কৰ উদ্যোগত ছেনিটাইজেছন, মঙলবাৰে।*

# চাপাগুৰি সমষ্টিৰ পৰা চাৰিজন বিয়াগোম জনপ্ৰতিনিধি

## আশানুৰূপ উন্নয়নক লৈ উৎকণ্ঠা

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ১১ মে' ঃ** প্ৰকৃততে ভাগ্যই টানিছে চাপাগুৰি সমষ্টিক। স্বাধীনতাৰ পাছত আজিলৈ চাপাগুৰি সমষ্টিত কেৱল মাত্ৰ এজন বিধায়ক আছিল। কি কংগ্ৰেছ, কি জনতা, কি অগপ চৰকাৰ। প্ৰতিবাৰতে চাপাগুৰি সমষ্টিত সাএধাৰণ এজন জনপ্ৰতিনিধি, বিধায়ক। গতিকে এজন বিধায়কে পাঁচ বছৰত সমষ্টিটোত এবাৰ সম্পূৰ্ণকৈ ঘূৰিয়ে নাপায়। সমষ্টিৰ সমস্যা সমস্যা হৈয়ে থাকে। বাটপথ, দলং, জলসিঞ্চন, খোৱাপানী, কৃষি, খহনীয়া, সমাজকল্যাণ, নিবনুৱা চাৰিও দিশে কেৱল সমস্যা। সমস্যা সমাধানৰ নামত কেৱল প্ৰতিশ্ৰুতি। মূৰকত সমস্যা সমস্যা হৈয়ে থাকে। পিছে এইবাৰ বিটিআৰ নিৰ্বাচনৰ ফলত বাগ্‌সা জিলাৰ অন্তৰ্গত চাপাগুৰি সমষ্টিৰ কপাল ফুলিল। কাৰণ সম্প্ৰতি চাপাগুৰি সমষ্টিত চাৰিজন বিয়াগোম জনপ্ৰতিনিধি। প্ৰথমজন বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো অসম বিধানসভাৰ চাপাগুৰি সমষ্টিৰ অন্তৰ্গত বিটিআৰৰ ককলাবাৰী সমষ্টিৰ পৰা নিৰ্বাচিত হৈছে। বিটিআৰৰ মুছলপুৰ আৰু দিহিৰা সমষ্টি দুটাও চাপাগুৰি সমষ্টিৰ অন্তৰ্গত। মুছলপুৰ সমষ্টিৰ পৰা নিৰ্বাচিত ৰাকেশ ব্ৰহ্ম আৰু দিহিৰা সমষ্টিৰ পৰা নিৰ্বাচিত ঘনশ্যাম দাসেও বিটিআৰৰ দুজন কাৰ্যাবাহী সদস্য পদ লাভ কৰিছে। ইফালে, পঞ্চদশ অসম বিধানসভাৰ ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰত কেবিনেট মন্ত্ৰিত্ব পালে চাপাগুৰি সমষ্টিৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত ইউ জি ব্ৰহ্মাই। মুঠতে চাপাগুৰি সমষ্টিৰ ভাগ্য এইবাৰ বহু ভাল। চাৰিজন বিয়াগোম জনপ্ৰতিনিধি। নিশ্চয় সমষ্টিৰ চাৰিওকোণৰ সমস্যা আগন্তুক সময়ত সমাধান হ'ব।

## গোৱালপাৰাত সাপ্তাহিক বজাৰ বন্ধ ঘোষণা

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১১ মে' ঃ** গোৱালপাৰাত অতিমাৰী কৰ'নাই ক্ৰমাৎ ভয়াৱহ ৰূপ ধাৰণ কৰা বাবেই সাপ্তাহিক আৰু অৰ্ধ-সাপ্তাহিক হাট-বজাৰসমূহ বন্ধ ঘোষণা কৰিছে জিলা প্ৰশাসনে। কালি জিলা উপায়ুক্ত তথা জিলা দুৰ্যোগ প্ৰশমন প্ৰাধিকৰণৰ অধ্যক্ষ বৰ্ণালী ডেকাই ডিডিএমএ/গোৱালপাৰা/ ৩৭/২০২০/১৮৭ (এ) নম্বৰ যোগে জিলাখনৰ সকলোবোৰ সপ্তাহিক আৰু অৰ্ধ-সাপ্তাহিক হাট-বজাৰসমূহ বন্ধ ঘোষণা কৰিছে। এই নিৰ্দেশ অমান্য কৰিলে দুৰ্যোগ প্ৰশমন আইন ২০০৫ৰ ধাৰা ৫১ৰ পৰা ৬০ লৈ আৰু ভাৰতীয় দণ্ড বিধিৰ ধাৰা ১৮৮ৰ লগতে প্ৰযোয্য হোৱা আন আন আইনৰ অধীনত কঠোৰ শাস্তি বিহা হ'ব বুলি নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে।

## মঙলদৈ মহিলা কল্যাণ সমাজৰ সজাগতা অভিযান



অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ১১ মে' ঃ** ক'ভিড-১৯ অতিমাৰীৰ সংক্ৰমণে সমগ্ৰ ৰাজ্যখনৰ লগতে দৰং জিলাখনতো এক বিভীষিকাৰ সৃষ্টি কৰাৰ পাছতো একাংশ লোকে ক'ভিড বিধি উলংঘন কৰি সমাজ আৰু জনজীৱনলৈ প্ৰচণ্ড ভাবুকিৰ সৃষ্টি কৰাৰ পৰিপ্ৰেক্ষিতত দৰং জিলাৰ মহিলা সংগঠন 'মঙলদৈ মহিলা কল্যাণ সমাজ'ৰ ছগৰাকী বিষয়ববীয়াই আজি ক'ভিড বিধি মানি মঙলদৈ চহৰত এক সজাগতা অভিযান চলায়। অভিযানৰ অংশৰূপে চহৰখনৰ পদপথৰ মহিলা দোকানীসকললৈ মাস্ক আৰু হেণ্ড ছেনিটাইজাৰ প্ৰদান কৰে। মহিলা সংগঠনটিৰ সভানেত্ৰী ৰশ্মি ৰেখা শৰ্মাৰ নেতৃত্বত স্বৰ্ণ ৰেখা ডেকা, গীতাশ্ৰী শৰ্মা, ভূচিত্ৰা বৰা, গায়ত্ৰী ভূঞা আৰু পূজা দাসে অংশগ্ৰহণ কৰি পদপথত ব্যৱসায় কৰি থকা আৰু আৰ্থিকভাৱে পিছপৰা মহিলাসকলক ক'ভিড বিধিৰ গুৰুত্ব সম্পৰ্কে বিতংভাৱে অৱগত কৰে। সকলো সময়তে মাস্ক পৰিধান কৰাৰ লগতে সঘনে চাবোনেৰে হাত ধোৱা আৰু হাত সঘনে নিৰ্বীজাণুকৰণ কৰি থকা, সামাজিক দূৰত্ব বজাই ৰখা আৰু স্বাস্থ্যকেন্দ্ৰলৈ গৈ প্ৰতিষেধক গ্ৰহণ কৰা আৰু যিকোনো স্বাস্থ্য সম্পৰ্কীয় সমস্যাৰ বাবে চৰকাৰী চিকিৎসালয় বা স্বাস্থ্য কেন্দ্ৰৰ লগত যোগাযোগ কৰিবলৈ আহ্বান জনায়। উল্লেখ্য যে বিগত বৰ্ষতো দৰঙৰ উপায়ুক্ত দিলীপ কুমাৰ বৰাৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই এই মহিলা সংগঠনটিয়ে ক'ভিড সেৱা কেন্দ্ৰৰ বাবে দুখন বিছনা আগবঢ়াইছিল। তদুপৰি 'কস্তুৰী শিশু গৃহ' নামৰ শিশু গৃহ এটি মঙলদৈ চহৰত সুচাৰুৰূপে পৰিচালনা কৰি আহিছে।

## তামুলপুৰত ক'ভিড বিধি ধোঁৱা চাঙত ঃ গণ সংক্ৰমণৰ আশংকা



অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ১১ মে' ঃ** ৰাজ্যত ভয়াৱহভাৱে বৃদ্ধি পাইছে ক'ভিড-১৯ৰ দ্বিতীয়টো লহৰ। তথাপি ঠায়ে ঠায়ে একাংশ লোক ক'ভিডসৃষ্ট ভয়াৱহ পৰিস্থিতিক লৈ সজাগ নোহোৱা পৰিলক্ষিত হৈছে। তামুলপুৰ মহকুমাৰ বিভিন্ন প্ৰান্ততো একাংশ লোকে ক'ভিড বিধি উলংঘা কৰি, ক'ভিডৰ ভয়াৱহতাকো কেৰেপ নকৰি মাস্ক নিপিন্ধাকৈ, সামাজিক দূৰত্ব নমনাকৈ ৰাজহুৱা স্থান, বেংক, দোকান-পোহাৰত ভিৰ কৰা পৰিলক্ষিত হৈছে। এই ক্ষেত্ৰত তামুলপুৰ আৰক্ষী প্ৰশাসনো নিৰ্বিকাৰ। গ্ৰহণ কৰা নাই কোনো কঠোৰ পদক্ষেপ। আনহাতে, প্ৰতিদিনে তামুলপুৰ মহকুমাৰ বিভিন্ন প্ৰান্তত বৃদ্ধি পাইছে ক'ভিডত আক্ৰান্তৰ সংখ্যা। ফলত তামুলপুৰ মহকুমাতো গণ সংক্ৰমণৰ আশংকা বৃদ্ধি হৈছে। তথাপি এতিয়াও একাংশ লোক হোৱা নাই সজাগ। ইয়াৰ পাছতো তামুলপুৰ মহকুমা সদৰৰ লগতে বিভিন্ন প্ৰান্তত একাংশ লোকে ক'ভিড বিধি ভংগ কৰি বেংক, দোকান-পোহাৰত ভিৰ কৰা পৰিলক্ষিত হৈছে। একাংশ লোকে মাস্ক পৰিধান নকৰাকৈ দোকান-পোহাৰ, ৰাস্তা-ঘাটে ঘূৰি ফুৰিছে। চৰকাৰী নীতি-নিৰ্দেশনাক অংগুষ্ঠ দেখুৱাই এনেদৰে ঘূৰি ফুৰা কাৰ্যই তামুলপুৰ মহকুমাত বৃহৎ গণ সংক্ৰমণৰ আশংকা কৰা হৈছে। এই ক্ষেত্ৰত তামুলপুৰ আৰক্ষী প্ৰশাসনে নিৰ্লিপ্ত ভূমিকা গ্ৰহণ কৰিছে। উল্লেখ্য যে কালি দিনটোত তামুলপুৰ মহকুমাত ২৬ গৰাকীৰ দেহত ক'ভিড পজিটিভ পোৱা গৈছে। একাংশ কাণ্ডজ্ঞানহীন লোকৰ বাবে ভয়াৱহ বিপদৰ পিনে গতি কৰা তামুলপুৰৰ পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে একাংশ সচেতন নাগৰিকে তামুলপুৰ মহকুমা প্ৰশাসনক নিয়ম ভংগকাৰীসকলৰ ওপৰত কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ বাবে দাবী জনাইছে।

## ভূৰাগাঁৱত ক'ভিড-১৯ক লৈ প্ৰশাসনৰ ল'ৰা-ধেমালি



অগ্ৰদূত বাৰ্তা

**ভূৰাগাঁও, ১১ মে' ঃ** যি সময়ত কৰ'না মহামাৰীয়ে সৰ্বত্ৰে হাহাকাৰ সৃষ্টি কৰিছে, তেনে সময়ত মৰিগাঁও জিলা প্ৰশাসনে ল'ৰা-ধেমালি কৰা পৰিলক্ষিত হৈছে। এই ঘটনা সংঘটিত হৈছে জিলাখনৰ ভূৰাগাঁৱত। উল্লেখ্য যে ভূৰাগাঁও অঞ্চলৰ পোকালাগি গাঁওখনত যোৱা দুটা দিনতে ১৮ গৰাকী লোক ক'ভিডত আক্ৰান্ত হৈছে। পাছত জিলা প্ৰশাসনে কালি গাঁওখন কণ্টেইনমেণ্ট জ'নৰূপে ঘোষণা কৰে। ইয়াৰ পাছতে কালি সন্ধিয়াই গাঁওখনলৈ যাতায়াত কৰা পথসমূহত প্ৰশাসনে বাঁহ বান্ধি সকলো যাতায়াত বন্ধ কৰি দিয়াৰ লগতে উক্ত বন্ধ পথসমূহত পহৰাৰ বাবে আৰক্ষী আৰু গৃহৰক্ষী জোৱানো নিয়োগ কৰিছিল। আশ্চৰ্যকৰ বিষয় যে আজি উক্ত কণ্টেইনমেণ্ট জ'ন ঘোষণা কৰা গাঁওখনৰে মূল পথত অৰ্থাৎ ভূৰাগাঁও-বাছনাঘাট সংযোগী পথৰ সোণডোবাৰ পৰা গাঁওখনলৈ প্ৰৱেশ পথত বান্ধি দিয়া বাঁহ আৰু পহৰাৰ দায়িত্বত থকা আৰক্ষী-গৃহৰক্ষীৰ জোৱানসকলকো হঠাৎ আঁতৰাই পথটো মুকলি কৰি দিয়াত অঞ্চলবাসীৰ মাজত হুৱাদুৱা লাগে। গাঁওখনলৈ যোৱা মূলপথটো সম্পূৰ্ণৰূপে উন্মুক্ত কৰি তোলে আৰু কণ্টেইনমেণ্ট জ'নৰ বেনাৰখন পথটোৰ দাঁতিত থকা গছত আঁৰি থয়। বন্ধ কৰি ৰখা মূলপথটো স্থানীয় গাঁওবুঢ়া আৰু ৱাৰ্ড সদস্যই মিলি উঠাই দিছে। ফলত ইয়াকে লৈ অঞ্চলবাসীৰ মাজত আতংকই বিৰাজ কৰিছে। এতিয়া প্ৰশ্ন হয় কাৰ নিৰ্দেশত গাঁওবুঢ়া আৰু পঞ্চায়তৰ ৱাৰ্ড সদস্যই মুকলি কৰি দিলে বন্ধ থকা পথটো। ইফালে অঞ্চলটোত সংক্ৰমণৰ প্ৰাবল্য ইমানেই বেছি যে পোকালাগিৰ এটা চুবুৰিত পাঁচটা পৰিয়ালত ২৫ জনকৈ লোক কৰ'না আক্ৰান্ত হৈছে বিগত তিনি-চাৰি দিনত। এনে ক্ষেত্ৰত কি যুক্তি কণ্টেইনমেণ্ট জ'নৰ অৱৰোধ কৰা পথটো মুকলি কৰি দিছিল। তাকে লৈ বিভিন্নজনৰ মাজত প্ৰশ্ন উত্থাপন হৈছে।

## হাজোৰ মনাহকুছিৰ বোৱাৰী হত্যাকাণ্ডক লৈ উত্তেজনা অব্যাহত

### সোধপোছৰ বাবে স্বামীসহ দুজনক আটক

অগ্ৰদূত বাৰ্তা

**হাজো, ১১ মে' ঃ** কামৰূপ জিলাৰ হাজোৰ মনাহকুছিত যোৱা নিশা সংঘটিত লোমহৰ্ষক বোৱাৰী হত্যাকাণ্ডৰ ঘটনাক লৈ বৰ্তমানেও চেপা উত্তেজনাই বিৰাজ কৰি আছে। দুৰ্বৃত্তৰ চোকা অস্ত্ৰৰ আঘাতত বোৱাৰী কৰিশ্মা ডেকাৰ মৃত্যুৰ ঘটনাক সহজভাৱে ল'ব পৰা নাই পিতৃ গৃহৰ পৰিয়ালে। ইতিমধ্যে পিতৃ গৃহৰ পৰিয়ালৰ অভিযোগৰ ভিত্তিত স্বামী বিশ্বজিৎ ডেকাক নিশাই আটক কৰাৰ বিপৰীতে স্থানীয় ৰাইজৰ অভিযোগৰ ভিত্তিত লোমহৰ্ষক হত্যাকাণ্ড সন্দৰ্ভত সোধপোছৰ বাবে আজি পুৱা একেখন গাঁৱৰে বিজয় দাস নামৰ যুৱকক হাজো আৰক্ষীয়ে আটক কৰি ঘটনা সন্দৰ্ভত জেৰা অব্যাহত ৰাখিছে। উল্লেখ্য যে নিশা প্ৰায় ৮-৩০ বজাত দুৰ্বৃত্তই চোকা অস্ত্ৰৰে ঘপিয়াই হত্যা কৰিছিল এটি কণমানি সন্তানৰ মাতৃক। দুৰ্বৃত্তৰ চোকা অস্ত্ৰৰ আঘাতত ঘটনাস্থলীতে মৃত্যু হৈছিল তিনি নম্বৰ মনাহকুছিৰ বিশ্বজিৎ ডেকাৰ পত্নী কৰিশ্মা ডেকা (২২)। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, নিশা প্ৰায় ৮-৩০ বজাত স্বামী বিশ্বজিৎ ডেকা ঘৰৰ পৰা পথৰ ফালে ওলাই গৈছিল। সেই সময়ত পত্নী কৰিশ্মাই নিজৰ চাৰি বছৰীয়া পুত্ৰৰ স'তে ঘৰতে আছিল। তেনে সময়তে বিদ্যুৎ বিচ্ছিন্ন হৈ পৰাত এন্ধাৰৰ সুযোগ বুজি দুৰ্বৃত্তই ঘৰৰ ভিতৰত প্ৰৱেশ কৰি চোকা অস্ত্ৰৰে কৰিশ্মাক ডিঙি আৰু হাতত ঘপিয়াই এন্ধাৰৰ সুযোগ বুলি আঁতৰি যায়। এই ঘটনাৰ প্ৰত্যক্ষদৰ্শী চাৰি বছৰীয়া পুত্ৰ সন্তানৰ কান্দোনত ততালিকে ওচৰ-চুবুৰীয়া আহে যদিও ইতিমধ্যে দুৰ্বৃত্তৰ চোকা অস্ত্ৰৰ আঘাতত কৰিশ্মাৰ ঘটনাস্থলীতে মৃত্যু হয়। ঘটনাৰ খবৰ পাই নিশাই হাজো আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ বোৱাৰীগৰাকীৰ মৃতদেহ থানালৈ অনাৰ লগতে তদন্ত আৰম্ভ কৰে। ইফালে, স্থানীয় একাংশ লোকে আজি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা একে গাঁৱৰে বিজয় দাস নামৰ যুৱকজনৰ লগত অবৈধ সম্পৰ্ক থকা বুলি সন্দেহ প্ৰকাশ কৰিছে। সেয়া আৰক্ষীৰ তদন্ততহে পোহৰলৈ আহিব।

## কণ্টেইনমেণ্ট জ'ন ঘোষিত পাখিৰীগুৰি গাঁৱত খাদ্য সংকট

### উদ্যমী যুৱকৰ সহযোগিতাৰ হাত

অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ১১ মে' ঃ** গোৱালপাৰা জিলাৰ মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত পাখিৰীগুৰি গাঁৱত কৰ'নাৰ গণ সংক্ৰমণ আৰম্ভ হোৱাৰ সন্দেহ কৰা হৈছে। আঠ মে'লৈ পাখিৰীগুৰি গাঁৱত একেটা পৰিয়ালৰ ১১সদস্যসহ কৰ'নাত আক্ৰান্ত হৈছিল মুঠ ১৭জন লোক। ইয়াৰ পাছতে জিলা প্ৰশাসনে পাখিৰীগুৰি অঞ্চলটোক কণ্টেইনমেণ্ট জ'ন হিচাপে ঘোষণা কৰে আৰু সমগ্ৰ অঞ্চলটো ছীল কৰি দিয়ে। পৰৱৰ্তী সময়ত পাখিৰীগুৰিত পুনৰ ১৯জনৰ দেহত ধৰা পৰে কৰ'নাৰ অৱস্থিতি। গাঁওখনত সম্প্ৰতি মুঠ ৩৬গৰাকী লোক কৰ'নাত আক্ৰান্ত হৈ হোম আইছ'লেছনত আছে। ইফালে আঠ মে'ত পাখিৰীগুৰি গাঁওখন ছীল কৰি বাট-পথসমূহ বন্ধ কৰি দিয়াৰ ফলত অঞ্চলটোৰ লোকসকলৰ বহিঃবিশ্বৰ লগত প্ৰত্যক্ষ যোগাযোগ বিচ্ছিন্ন হৈ পৰে। অত্যাৱশ্যকীয় সেৱা আৰু অতি জৰুৰী পৰিস্থিতিৰ বাহিৰে কোনো লোককে গাঁওখনত প্ৰৱেশ-প্ৰস্থানত বাধা আৰোপ কৰাত গাঁওখনৰ বিশেষকৈ দৈনিক শ্ৰম কৰি জীৱিকা নিৰ্বাহ কৰা লোকসকলৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে। প্ৰশাসনৰ ফালৰ পৰাও কোনো ধৰণৰ সা-সুবিধা প্ৰদান নকৰাত গাঁওখনৰ লোকসকল অথাই সাগৰত পৰিছে। যাৰ পৰিপ্ৰেক্ষিতত আজি কাষৰীয়া ভেলাখামাৰ গাঁৱৰ এদল উদ্যমী যুৱকে পাখিৰীগুৰি গাঁৱৰ ৰাইজক একোটিকৈ খাদ্য সামগ্ৰীৰ টোপোলা প্ৰদান কৰি তেওঁলোকক কিছু সকাহ দিয়াৰ চেষ্টা কৰে। ইফালে, স্বাস্থ্য বিভাগেও গাঁওখনৰ কৰ'নাত আক্ৰান্ত লোকসকলৰ বিশেষ সা-খবৰ নকৰাৰ অভিযোগ তুলিছে ৰাইজে। মাথোঁ পৰীক্ষা কৰিয়ে দায়িত্ব সামৰা স্বাস্থ্য বিভাগক পৰ্যাপ্ত ঔষধ পাতি যোগান দিবলৈ ৰাইজে দাবী জনাইছে। উল্লেখ্য যে গোৱালপাৰা জিলাত কৰ'না ৰোগীৰ সংখ্যাই ইতিমধ্যে প্ৰায় আঠশৰ ঘৰ স্পৰ্শ কৰাৰ উপক্ৰম হৈছে। ইতিমধ্যে জিলাখনত কৰ'নাত আক্ৰান্ত হৈ মৃত্যু হৈছে ১৭জনকৈ লোক। প্ৰণিধানযোগ্য যে কৰ'নাৰ দ্বিতীয় লহৰত জিলাখনত চহৰ অঞ্চলতকৈ গ্ৰাম্যাঞ্চলত আক্ৰান্ত হৈছে অধিক লোক। ৰোগীৰ সংখ্যাধিক্যলৈ চাই ইতিমধ্যে জিলা প্ৰশাসনে পাখিৰীগুৰিৰ লগতে বৰবৰী, নাৰেংগাবাৰী আৰু ডুবাপাৰা অঞ্চল কেইটাক কণ্টেইনমেণ্ট জ'ন হিচাপে ঘোষণা কৰিছে।




## ক'ভিড-১৯ৰ গণ সংক্ৰমণ সন্দৰ্ভত বিশ্বনাথৰ উপায়ুক্তক স্মাৰকপত্ৰ

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১১ মে' ঃ** ক'ভিড-১৯ৰ ভয়াৱহ গণ সংক্ৰমণ দিনক দিনে দ্ৰুত হাৰত বৃদ্ধি পাই আহিছে। ৰাজ্য চৰকাৰে ক'ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ক'ভিডৰ নতুন নিৰ্দেশনা অনুযায়ী দিনৰ দুই বজাৰ পৰা সকলো চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠানসমূহ বন্ধৰ নিৰ্দেশ দিছে। তৎসত্বেও বিশ্বনাথ জিলাৰ অন্তৰ্গত চাহ বাগিচাসমূহত বাগিচাৰ কৰ্তৃপক্ষই এই নিৰ্দেশ অমান্য কৰা বুলি অভিযোগ উত্থাপন কৰে মোনাবাৰী জিলা পৰিষদ সমষ্টিৰ সদস্য তৰুণ তাঁতীয়ে। সেয়েহে বিশ্বনাথ জিলাৰ অন্তৰ্গত বাগিচাসমূহ দুই বজাৰ পৰা কাম বন্ধ কৰাৰ লগতে সংক্ৰমণ ৰোধৰ বাবে বাগিচাসমূহত প্ৰতিষেধক কেন্দ্ৰৰ ব্যৱস্থা গ্ৰহণৰ বাবে বিশ্বনাথ জিলা উপায়ুক্তই এক স্মাৰকপত্ৰও প্ৰদান কৰে জিলা পৰিষদৰ সদস্য তাঁতীয়ে।

## দৰিদ্ৰ লোকৰ মাজত ঈদৰ সামগ্ৰী বিতৰণ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১১ মে' ঃ** গোৱালপাৰা সদৰ থানাৰ অন্তৰ্গত তথা চহৰৰ উপকণ্ঠ অঞ্চল মৰিয়ম নগৰ মধ্য সমাজে আজি দৰিদ্ৰ ৰাইজৰ মাজত ঈদৰ কীট বিতৰণ কৰে। অইন অইন বছৰৰ দৰে এইবেলিও মধ্য মৰিয়ম নগৰ সমাজে আজি সমাজৰ তথা সমাজৰ বাহিৰৰ কিছুসংখ্যক দৰিদ্ৰ পৰিয়ালৰ মাজত ঈদৰ দিনা খাব পৰাকৈ চাউল, দাইল, মিঠাতেল, চাবোন, চেমাই, চেনি, খেজুৰ আদি কৰি বিভিন্ন সামগ্ৰী শতাধিক পৰিয়ালৰ মাজত বিতৰণ কৰে।

## নলবাৰীত দুৰ্ঘটনাত নিহত এজন, আহত চাৰি

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১১ মে' ঃ** নলবাৰীৰ খাৰজাৰা জয়মংগলাত আজি বিয়লি ভাগত সংঘটিত পথ দুৰ্ঘটনাত এগৰাকী মহিলা নিহত হোৱাৰ লগতে আন চাৰিগৰাকী পুৰুষ-মহিলা গুৰুতৰভাৱে আহত হয়। নিহত মহিলাগৰাকীক জিলাখনৰ মুকালমুৱা থানাৰ অন্তৰ্গত গংগাপুৰ মহবিয়নি গাঁৱৰ দীপালী কলিতা (৩২) বুলি চিনাক্ত কৰা হৈছে। আহত চাৰি পুৰুষ-মহিলাক নলবাৰীৰ অসামৰিক চিকিৎসালয়লৈ অনা হয় যদিও দুগৰাকীৰ অৱস্থা সংকটজনক হোৱাত উন্নত চিকিৎসাৰ বাবে জি এম চি এইছলৈ প্ৰেৰণ কৰা হয়। অন্য দুগৰাকীক নলবাৰীৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

## ৰঙাপৰাৰ চুৰি স্কুটী বাইহাটা চাৰিআলিত উদ্ধাৰ

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ১১ মে' ঃ** ৰঙাপৰা আৰক্ষী থানাৰ অন্তৰ্গত ৰঙাপৰাৰ বিনোদ বাছফৰ নামৰ ব্যক্তিজনৰ এ এছ-১২ এ-২৭৩২ নম্বৰৰ স্কুটীখন যোৱা দেওবাৰে ৰঙাপৰা ৰেলৰে বজাৰৰ পৰা চোৰে চুৰি কৰি নিয়ে। লোকজনে ততাতৈয়াকৈ ৰঙাপৰা আৰক্ষী থানাত চুৰি সম্পৰ্কীয় এক এজাহাৰ দাখিল কৰে। ৰঙাপৰা আৰক্ষী থানাৰ ভাৰাপ্ৰাপ্ত বিষয়া হিতেশ শৰ্মাই জিলাৰ বিভিন্ন আৰক্ষী থানাৰ স'তে যোগাযোগ আৰম্ভ কৰে। পাছত স্কুটীখন কালি বাইহাটা চাৰিআলি আৰক্ষীয়ে তালাচীত চুৰি বুলি ধৰা পেলায় আৰু লগে লগে ৰঙাপৰা আৰক্ষীক খবৰ দিয়াত ৰঙাপৰা আৰক্ষীৰ এটা দল বাইহাটা চাৰিআলিত উপস্থিত হৈ স্কুটীসহ মহম্মদ আজিজুল নামৰ চোৰজনক ৰঙাপৰা থানালৈ লৈ আহে। উল্লেখ্য যে পশ্চিমবংগৰ দাৰ্জিলিং জিলাৰ খাউৰীবাৰীৰ বাসিন্দাজনক বৰ্তমান ৰঙাপৰা আৰক্ষীয়ে এক গোচৰ ৰুজু কৰি সোধপোছ অব্যাহত ৰাখিছে।

## কলিয়াবৰত লক্ষাধিক টকাৰ চোৰাং কাঠসহ গাড়ী জব্দ



অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ১১ মে' ঃ** কলিয়াবৰৰ বহুকেইখন বনাঞ্চলৰ পৰা কাৰ্বি পাহাৰলৈকে অবাধ হাৰত চলিছে বন ধ্বংসযজ্ঞ। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতিকাষৰীয়া বনাঞ্চলৰ লগতে কাৰ্বি আংলঙৰ বিভিন্ন পাহাৰৰ পৰা কলিয়াবৰৰ মাজেৰে দৈনিকে অবাধ হাৰত সৰবৰাহ হৈ আহিছে গাড়ীয়ে গাড়ীয়ে শাল-চেগুনকে ধৰি মূল্যবান চোৰাং কাঠ। কলিয়াবৰত মুকলিকৈয়ে চোৰাং কাঠৰ ৰমৰমীয়া ব্যৱসায় চলি থকাৰ মাজতে শালনাৰ বনাঞ্চলিক বিষয়াৰ নেতৃত্বত এদল বন কৰ্মীয়ে চোৰাংকৈ কঢ়িয়াই অনা কাঠভৰ্তি এখন বাহন জব্দ কৰে। বন বিষয়াই প্ৰকাশ কৰা মতে, কাৰ্বি আংলং জিলাৰ ডলামৰা অঞ্চলৰ পৰা চোৰাং কাঠভৰ্তি বাহন এখন জখলাবন্ধাৰ দিশেৰে অহাৰ সম্ভেদ পাই বন বিভাগে অভিযান চলোৱাত কলিয়াবৰৰ জখলাবন্ধাৰ সমীপৰ ঢেকিয়াল গাঁৱৰ পথত বন বিভাগৰ লোক অহাৰ গম পাই চলন্ত বাহনখন ৰখাই চালক-হেণ্ডিমেন দুয়ো পলায়ন কৰে। ইয়াৰ পাছতে বন বিভাগৰ লোকে বাহনখনত তালাচী চলোৱাত লক্ষাধিক টকাৰ মূল্যবান কাঠ থকাৰ কথা নিশ্চিত কৰে। আনহাতে, অনুসন্ধান কালত বন বিভাগে জব্দ কৰা বাহনখনৰ গৰাকী জখলাবন্ধাৰ সমীপৰ বৰদলঙৰ জামচেৰ আলী। অভিযোগ মতে, জামচেৰে দীৰ্ঘদিন ধৰি চোৰাং কাঠৰ ব্যৱসায়ৰ স'তে জড়িত হৈ আহিছে। ইয়াৰ লগতে কলিয়াবৰৰ বহুকেইটা চোৰাং কাঠমিলত কাৰবাৰ চলাই আহিছে চোৰাং কাঠৰ ব্যৱসায়ীজনে। বৰ্তমান সময়ত কাৰ্বি আংলং জিলাত বনাঞ্চলসমূহ বন বিভাগ আৰু চোৰাং কাৰবাৰৰ স'তে লগ লাগি ধ্বংসযজ্ঞত লিপ্ত হৈ অহাৰ খবৰ পাই ওলাই থকাৰ সময়তে কলিয়াবৰত এনেদৰে চোৰাং কাঠসহ গাড়ী জব্দৰ বাতৰিয়ে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

## জ্যেষ্ঠ সাংবাদিক শিৱচৰণ কলিতাৰ আশু আৰোগ্য কামনা দল-সংগঠনৰ

**ছয়গাঁও, ১১ মে' ঃ** দক্ষিণ কামৰূপৰ সমাজ জীৱনৰ এজন উল্লেখযোগ্য পুৰোধা ব্যক্তি, জ্যেষ্ঠ সাংবাদিক, লেখক, সুবক্তা, সংগঠক শিৱচৰণ কলিতা বৰ্তমান জিএনআৰচিৰ আইচিইউত চিকিৎসাধীন হৈ আছে। দক্ষিণ কামৰূপৰ সমস্যা সবিস্তাৰে প্ৰচাৰ-প্ৰকাশ কৰাত মূল ভূমিকা লোৱাত পাকৈত লগতে বাকপটু শিৱচৰণ কলিতাৰ আশু আৰোগ্য কামনা কৰিছে ছয়গাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ অৰুণ শৰ্মা, 'বহুবাক'ৰ প্ৰধান সম্পাদক দীপক শৰ্মা, বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য পৰিষদৰ সভাপতি দিলস্ লক্ষ্মীন্দ্ৰ সিংহ, অসম আন্দোলনৰ অগ্ৰণী নেতা তথা প্ৰাগজ্যোতিষ প্ৰাগজ্যোতি কল্যাণ সমিতিৰ সভাপতি ৰাম কুমাৰ দাস, অসম বাৰ্তাজীৱী সংঘৰ প্ৰাক্তন সহকাৰী সম্পাদক পংকজ কলিতাকে ধৰি ভিন ভিন দল-সংগঠনে। উল্লেখ্য যে নিশা অক্সিজেনৰ অভাৱত ভোগা কলিতা বৰ্তমান ক'ভিড আক্ৰান্ত হৈছে।

## বন্যহস্তীৰ তাণ্ডৱ হোজাইত



অগ্ৰদূত বাৰ্তা

**হোজাই, ১১ মে' ঃ** ৰাজ্যত অব্যাহত আছে বন্যহস্তীৰ উপদ্ৰৱ। হোজাইৰ দাঁতিকাষৰীয়া অঞ্চলৰ বাবে হৈ পৰিছে নিত্য নৈমিত্তিক ঘটনা। বিশেষকৈ হোজাইৰ ৰাইকাটা, কোমোৱাকটা, থেপ্লাগুৰি, নভঙা আদি অঞ্চলৰ বাবে আতংকৰ আন এটি নাম বন্যহস্তী বুলি ক'লেও ভুল নহ'ব। কিয়নো এই অঞ্চলবোৰত প্ৰায়েই বন্যহস্তীৰ তাণ্ডৱ দেখিবলৈ পোৱা যায়। যোৱা নিশা হোজাইৰ ৰাইকাটা কছাৰী গাঁৱৰ অনন্ত নাথ আৰু কোমোৱাকটাৰ অশোক হাছামৰ বাসগৃহত বন্যহস্তীয়ে তাণ্ডৱ চলায়। নিশা প্ৰায় ১২ বজাত অশোকৰ বাসগৃহৰ পকী দেৱাল বন্যহস্তীয়ে ভাঙি পেলায় আৰু তাৰ পাছতেই অনন্ত নাথৰ পকা দেৱাল ভাঙি ধানৰ বস্তা টানি খাই তহিলং কৰে। এই ঘটনাত কথমপি ৰক্ষা পৰে অনন্ত নাথৰ বৃদ্ধ মাতৃ। উল্লেখ্য যে বিগত কিছু দিনৰ পৰা অকলশৰে ঘূৰি ফুৰা এটা বন্যহস্তীয়ে খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চলত প্ৰৱেশ কৰি বিভিন্ন ক্ষয়-ক্ষতি কৰা পৰিলক্ষিত হৈছে যদিও বন বিভাগৰ পৰা আজিলৈকে এই বন্যহস্তীক খেদিবলৈ কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই।

## গৰৈমাৰীত ট্ৰেক্টৰৰ চেপাত প্ৰাণ গ'ল চালকৰ



অগ্ৰদূত বাৰ্তা

**সোণতলী, ১১ মে' ঃ** ছয়গাঁৱৰ গৰৈমাৰীত কালি সন্ধিয়াৰ ভাগত অহা প্ৰচণ্ড ধুমুহা আৰু শিলাবৃষ্টিৰ কবলত পৰি এজন ট্ৰেক্টৰ চালকে অকাল মৃত্যুক সাৱটি লয়। গৰৈমাৰী সত্ৰ নিবাসী হজৰত আলীৰ পুত্ৰ ইন্তাজ আলী (২২)-এ গৰৈমাৰীৰ বাটেৰে ট্ৰেক্টৰ চলাই অহা সময়তে হঠাৎ ধুমুহাই ছানি ধৰে সমগ্ৰ অঞ্চল। এই শিলাবৃষ্টি আৰু ধুমুহা বতাহৰ ফলত ট্ৰেক্টৰ নিয়ন্ত্ৰণ হেৰাই পথৰ দাঁতিত থকা পুখুৰী এটাত বাগৰি পৰি চালকজন ট্ৰেক্টৰৰ তলত সোমাই যায়। জনশূন্য পথত ট্ৰেক্টৰখনে নিয়ন্ত্ৰণ হেৰুৱাই পুখুৰীত বাগৰি পৰাৰ শব্দ শুনি প্ৰচণ্ড ধুমুহা-বৰষুণকো নেওচি স্থানীয় লোকে ট্ৰেক্টৰ চালক ইন্তাজ আলীক পুখুৰীৰ পৰা উদ্ধাৰ কৰি গৰৈমাৰী সামূহিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰায় যদিও উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ নিয়াৰ পথত মৃত্যু ঘটে। ঘটনা সন্দৰ্ভত গৰৈমাৰী আৰক্ষীয়ে তদন্ত চলাই থকাৰ বিপৰীতে দুৰ্ঘটনাগ্ৰস্ত ট্ৰেক্টৰখন আৰক্ষী চকীলৈ নিয়া হৈছে।

## ৰুণিখাটাত হস্তনিৰ্মিত বন্দুকসহ তিনিটা চেইন কাঠফলা মেচিন জব্দ

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ১১ মে' ঃ** চিৰাং জিলাৰ ৰুণিখাটা বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত ভাৰত-ভূটান সীমান্তৰ শান্তিপুৰৰ খাওলা বজাৰ অঞ্চলত আজি বন বিভাগে অভিযান চলায়। অভিযানত বন বিভাগে এটা হস্ত নিৰ্মত বন্দুকসহ তিনিটা চেইন কাঠ ফলা মেচিন জব্দ কৰে। বন বিভাগৰ স'তে আৰক্ষী আৰু এছএছবিয়ে যৌথ অভিযান চলায়। অঞ্চলটোত দীৰ্ঘদিনৰ পৰা চোৰাং কাঠৰ সৰবৰাহৰ তথ্য লাভ কৰিছিল বন বিভাগে। বনাঞ্চলিক বিষয়া জসমানিক বসুমতাৰীয়ে সদৰী কৰা মতে খাওলা বজাৰ অঞ্চলত থকা বন বিভাগৰ বিট কাৰ্যালয়ত আক্ৰমণৰ চেষ্টা চলাইছিল চোৰাং কাঠ ব্যৱসায়ীসকলে। তাৰ পাছতে অভিযান চলাই ১২খন কাঠভৰ্তি ম'হৰ গাড়ীও জব্দ কৰে বন বিভাগে। ১২ যোৰ ম'হ সম্প্ৰতি এতিয়া বন বিভাগৰ তত্বাৱধানত আছে। এই ঘটনাত দুজন কিশোৰকো আটক কৰিছিল যদিও পাছত জামিনত যাবলৈ দিয়ে। ইপিনে, এই চোৰাং কাৰবাৰত জড়িত তথা মাৰণাস্ত্ৰ উদ্ধাৰৰ ঘটনাত জড়িতসকলক চিনাক্ত কৰি ৰুণিখাটা থানাত গোচৰ দিয়াৰ কথাও জনায় বনাঞ্চলিক বিষয়াজনে।



## ২১ বছৰে মন্ত্ৰিত্বৰ পৰা উপেক্ষিত নলবাৰী সদৰ সমষ্টি

### জয়ন্ত মল্ল বৰুৱাক মন্ত্ৰিত্ব প্ৰদান নকৰাত ক্ষোভ-হতাশা

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১১ মে' ঃ** সুদীৰ্ঘ ২১ বছৰে নলবাৰী সদৰ বিধানসভা সমষ্টিৰ জনপ্ৰতিনিধি মন্ত্ৰিত্বৰ পৰা উপেক্ষিত হোৱাত স্বাভাৱিকতে দলীয় কৰ্মী-নেতাসকল হতাশাগ্ৰস্ত হৈ পৰিছে। উল্লেখ্য যে অসমত নতুন দিগন্তৰ সুচনা কৰিবলৈ ৰাজ্যৰ পঞ্চদশসংখ্যক মুখ্যমন্ত্ৰী হিচাপে ড° হিমন্ত বিশ্ব শৰ্মা মনোনীত হোৱাৰ পাছতে ড° শৰ্মাৰ পিতৃৰ জন্ম জিলাত স্বাভাৱিকতে আনন্দৰ বন্যা বিয়পি পৰিছিল। অথচ মুখ্যমন্ত্ৰী ড° শৰ্মাৰ মন্ত্ৰীসভাত নলবাৰী সমষ্টিৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাক অন্তৰ্ভুক্ত নকৰাত দলীয় নেতা-কৰ্মীসকল তীব্ৰ ক্ষোভ আৰু হতাশাগ্ৰস্ত হৈ পৰিছে। নৱনিৰ্বাচিত মুখ্যমন্ত্ৰী ড° শৰ্মা আৰু নতুন মন্ত্ৰীসভাখনক স্বাগতম জনাইছে যদিও দুখ আৰু ক্ষোভত ম্ৰিয়মান আজি নলবাৰী সদৰ সমষ্টিৰ ৰাইজ। ৰাইজে এইবাৰ আশা কৰিছিল তেওঁলোকৰ বিধায়কজন চৰকাৰৰ কাৰ্যপালিকা হওক, কিন্তু সময়ত এইবাৰো সেই আশা পূৰণ নহ'ল। উল্লেখ্য যে তদানীন্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ প্ৰথম আঞ্চলিকতাবাদী চৰকাৰৰ মন্ত্ৰী হিচাপে প্ৰয়াত নগেন শৰ্মাই নলবাৰী সমষ্টিৰ পৰা প্ৰতিনিধিত্ব কৰিছিল। দুৰ্ভাগ্যৰ বিষয় যে ২০০০ৰ ২৭ ফেব্ৰুৱাৰীত উগ্ৰপন্থীৰ গুলিত মন্ত্ৰী শৰ্মাৰ মৃত্যুৰ পাছত এইটো সমষ্টিটো মন্ত্ৰীশূন্যভাৱে ২১ বছৰ অতিক্ৰম কৰিলে। অথচ ৰাজ্যখনৰ সমাজ জীৱনত ভাষা-সাহিত্য-সংস্কৃতি-শিক্ষাৰ ক্ষেত্ৰত এইটো সমষ্টিৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। তদুপৰি নলবাৰীত যিহেতু উদ্যোগ নাই ইয়াৰ মানৱ সম্পদৰ সৰ্বাংগীণ বিকাশৰ বাবে এজন দক্ষ, গতিশীল মন্ত্ৰীৰ ৰাইজে বাৰুকৈয়ে প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। সেই কথা মনত ৰাখিয়েই এইবাৰ সমষ্টিৰ ৰাইজে অভিলেখ সংখ্যক ১,০৫,৭৪৭টা ভোট দি জয়ন্ত মল্ল বৰুৱাক বিজয়ী কৰিছিল। তদুপৰি সাংসদ তথা বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়াই নলবাৰীত নিৰ্বাচনী প্ৰচাৰৰ মুখ্য কাৰ্যালয় মুকলি কৰি ঘোষণা কৰিছিল যে বৰুৱা জিকিলেই মন্ত্ৰী হ'ব। সেই আশাতে ৰাইজে মন্ত্ৰী পোৱাৰ আশাত হোৱাহোৱে পদুমৰ ছবিত ভোট দি বৰুৱাক লক্ষাধিক ভোটত জয়ী কৰাইছিল। কিন্তু অৱশেষত ড° শৰ্মাৰ মন্ত্ৰীসভাত বৰুৱাই স্থান নাপালে। সেয়েহে নলবাৰী সমষ্টিৰ অলেখ অনুৰাগী, দলীয় কাৰ্যকৰ্তা, সমৰ্থক আজি দুখে-খঙে দগ্ধ হৈছে নলবাৰীৰ বিভিন্ন প্ৰান্তে প্ৰান্তে।






# আসন্ন শ্ৰীলংকা ভ্ৰমণত ভাৰতীয় দলক নেতৃত্ব দিব পাৰে অপেনাৰ শিখৰ ধৱনে



## সিংহলীৰ বিৰুদ্ধে তিনিখনকৈ এদিনীয়া-টি-২০ মেচ খেলিব

**নতুন দিল্লী, ১১ মে' ঃ** অপেনিং বেটছমেন শিখৰ ধৱনৰ নেতৃত্বত শ্ৰীলংকা ভ্ৰমণলৈ যাব ভাৰতীয় ক্ৰিকেট দল। উল্লেখ্য যে ধৱনক টীম ইণ্ডিয়াৰ এদিনীয়া দলৰ নেতৃত্ব দিয়াৰ মূখ্য কাৰণ হ'ল সেইসময়ত ভাৰতীয় দলৰ অধিনায়ক বিৰাট কোহলিৰ লগতে কেবাজনো সদস্য ইংলণ্ড ভ্ৰমণত থাকিব টেষ্ট শৃংখলাৰ বাবে। শ্ৰীলংকাত ভাৰতীয় দলে তিনিখন এদিনীয়া আৰু তিনিখন টি-20 মেচ খেলিব। সূচী অনুসৰি ভাৰতীয় দলে শ্ৰীলংকাৰ বিৰুদ্ধে অহা 13 জুলাইৰ পৰা খেলিব তিনিখন এদিনীয়া আৰু তিনিখন টি-20 মেচৰ শৃংখলা। উল্লেখ্য যে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে ইংলণ্ড ভ্ৰমণ আৰু প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচৰ বাবে ইতিমধ্যে ভাৰতীয় দল ঘোষণা কৰিছে। 20 জনীয়া দলে ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলা আৰু প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচত অংশ ল'ব। প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত ভাৰত মুখামুখি হ'ব নিউজিলেণ্ডৰ। অহা 18 জুনত অনুষ্ঠিত হ'ব প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখন। তাৰপাছত আৰম্ভ হ'ব ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলা। অহা চাৰি আগষ্ট ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলাৰ প্ৰথম মেচ খেলিব টীম ইণ্ডিয়াই। আনহাতে শৃংখলা সামৰণি পৰিব 14 ছেপ্টেম্বৰত। সেয়ে ধৱনৰ নেতৃত্বত শ্ৰীলংকা ভ্ৰমণলৈ যাব ভাৰতীয় ক্ৰিকেট দল। এই দলত থাকিব হাৰ্দিক পাণ্ডিয়া, পৃথ্বি শ্ব', ইযাণ কিষান, ভূৱনেশ্ব কুমাৰ আদি।

## ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলা

## মালদ্বীপৰ পৰা ৰাওনা হ'ব নিউজিলেণ্ডৰ ক্ৰিকেটাৰ

**নতুন দিল্লী, ১১ মে' ঃ** আই পি এল খেলিবলৈ অহা নিউজিলেণ্ডৰ ক্ৰিকেটাৰসকল সম্প্ৰতি মালদ্বীপত আছে। উল্লেখ্য যে মালদ্বীপৰ পৰাই নিউজিলেণ্ড দল ৰাওনা হ'ব ইংলণ্ডলৈ। ইংলণ্ডত নিউজিলেণ্ডে এটা দুখনীয়া টেষ্ট শৃংখলাত অংশ লোৱাৰ লগতে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখনো খেলিব। উল্লেখ্য যে নিউজিলেণ্ডে ইংলণ্ডৰ বিৰুদ্ধে খেলিব লগা দুখনীয়া টেষ্ট শৃংখলাটো আৰম্ভ হ'ব অহা দুই জুনৰ পৰা। প্ৰথমখন টেষ্ট দুইৰ পৰা ছয় জুনলৈ। আনহাতে, দ্বিতীয়খন টেষ্ট 10 ৰ পৰা 14 জুনলৈ আৰম্ভ হ'ব। আনহাতে, প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখন অহা 18 জুনৰ পৰা আৰম্ভ হ'ব। উল্লেখ্য যে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত ভাৰতৰ মুখামুখি হ'ব নিউজিলেণ্ড।



## জাৰ্মানী দললৈ আমন্ত্ৰণ থমাছ মুলাৰক

**মিউনিখ, ১১ মে' ঃ** অভিজ্ঞ মিডফিণ্ডাৰ থমাছ মুলাক পুনৰ জাৰ্মানী দলত স্থান দিয়া হৈছে। আসন্ন ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ বাবে ইতিমধ্যে জাৰ্মানীয়ে প্ৰস্তুতি আৰম্ভ কৰিছে। দলৰ প্ৰশিক্ষক জ'ৱাছিম ল'ৱে ইতিমধ্যে যোগাযোগা কৰিছে মুলাৰৰ লগত। উল্লেখ্য যে মুলাৰে ক্লাব বেয়াৰ্ণ মিউনিখৰ হৈ চলিত ছিজনত অনবদ্য প্ৰদৰ্শন কৰিছে। যাৰবাবে অভিজ্ঞ মিডফিণ্ডাৰজনক দললৈ আমন্ত্ৰণ কৰা হৈছে। স্মৰ্তব্য যে দুখন মেচ খেলিবলৈ বাকী থাকোতেই বেয়াৰ্ণ মিউনিখে জাৰ্মান লীগৰ খিতাপ জয় কৰাটো নিশ্চিত হৈছে। লীগৰ অন্তিম খন একপক্ষীয় মেচত বেয়াৰ্ণ মিউনিখে 6-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে মেগলাবাচক। উল্লেখ্য যে এই জয়ৰ পাছত ৱেয়াৰ্ণ মিউনিখে 32 খন মেচত 74 পইণ্ট লাভ কৰি শীৰ্ষস্থানত আছে। দহ পইণ্ট অধিক লাভ কৰি পুনৰ বেয়াৰ্ণ মিউনিখে জাৰ্মান লীগৰ খিতাপ জয় কৰাটো নিশ্চিত হৈছে। স্মৰ্তব্য যে চেম্পিয়নছ লীগৰ কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ মেচত পি এছ জিক জাৰ্মানীৰ বেয়াৰ্ণ মিউনিখে একমাত্ৰ গ'লত পৰাস্ত কৰিছিল। অৱশ্যে তাৰপাছতো বিগত বৰ্ষৰ চেম্পিয়ন বেয়াৰ্ণ মিউনিখক কোৱাৰ্টাৰ ফাইনেলত হৰুৱাই ছেমিফাইনেলত প্ৰৱেশ কৰে পি এছ জি। উল্লেখ্য যে কোৱাৰ্টাৰ ফাইনেলৰ প্ৰথম লেগৰ মেচত পি এছ জিয়ে পৰাস্ত কৰিছিল বেয়াৰ্ণ মিউনিখক।





## ইংলিছ প্ৰিমিয়াৰ লীগৰ অবনমন সম্পূৰ্ণ

## তিনিখন মেচ খেলিবলৈ বাকী থাকোতেই বাহিৰ হ'ল ফুলহাম

**লণ্ডন, ১১ মে' ঃ** ইংলিছ প্ৰিমিয়াৰ লীগৰ প্ৰতিটো দলে তিনিখনকৈ মেচ খেলিবলৈ বাকী আছে যদিও এইবাৰ কোন তিনিটা দল অবনমিত হ'ব সেয়া নিশ্চিত হৈছে। উল্লেখ্য যে ইতিমধ্যে ৱেষ্ট ব্ৰ'ম আৰু শ্বেফিল্ড ইউনাইটেড ইংলিছ প্ৰিমিয়াৰ লীগৰ পৰা অবনমিত হোৱাৰ পাছত যোৱানিশা পৰাজয়বৰণ কৰা ফুলহামো অবনমিত হয়। ইংলিছ প্ৰিমিয়াৰ লীগৰ যোৱানিশা অনুষ্ঠিত হোৱা মেচত বুৰ্ণলিয়ে 2-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ফুলহামক। এই পৰাজয়ৰ পাছতে ফুলহামৰ অবনমন নিশ্চিত হয়। উল্লেখ্য যে ফুলহামে 35 খন মেচত 27 পইণ্ট লাভ কৰিছে। দলে পাঁচখনত জয়লাভ কৰাৰ বিপৰীতে ড্ৰ খেলিছে 12 খন মেচত। আনহাতে, ফুলহাম পৰাস্ত হয় 18 খন মেচত। উল্লেখ্য যে চলিত ই পি এলত মানচেষ্টাৰ চিটীয়ে 35 খন মেচত 80 পইণ্ট লাভ কৰি শীৰ্ষ স্থানত আছে। দলে 10 পইণ্টৰ অগ্ৰগতি লাভ কৰি খিতাপ জয়ৰ কাষলৈ আগবাঢ়িছে। দ্বিতীয় স্থানত আছে মানচেষ্টাৰ ইউনাইটেড। দলে 34 খন মেচত 70 পইণ্ট লাভ কৰিছে। ইফালে, 35 খন মেচত 64 পইণ্ট লাভ কৰি চেলছি পইণ্ট তালিকাৰ তৃতীয় স্থানত আছে। আনহাতে, লেইচেষ্টাৰ চিটীয়ে 35 খন মেচত 63 পইণ্ট লাভ কৰি চতুৰ্থ স্থানত আছে।

## প্ৰথম চাৰিখন টেষ্টত জয়

## পাকিস্তানৰ অধিনায়ক বাবৰ আজমৰ কৃতিত্ব

**লাহোৰ, ১১ মে' ঃ** পাকিস্তান টেষ্ট দলৰ অধিনায়ক বাবৰ আজমে এক অনবদ্য অভিলেখ গঢ়িছে। উল্লেখ্য যে পাকিস্তানৰ প্ৰথম অধিনায়কৰূপে বাবৰে প্ৰথম চাৰিখন টেষ্টত দলক বিজয় দি অনন্য অভিলেখ গঢ়িছে। পাকিস্তান ক্ৰিকেট সন্থাই অভিনন্দন জনাইছে বাবৰ আজমক। উল্লেখ্য যে পাকিস্তানে জিম্বাব'ৱেৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাটোৰ উভয় টেষ্টতে জয়লাভ কৰিছে। ইয়াৰপূৰ্বে পাকিস্তানে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধেও দুখন টেষ্টত জয়লাভ কৰিছিল। উল্লেখ্য যে পাকিস্তানে দ্বিতীয়খন টেষ্টত জিম্বাব'ৱেক এক ইনিংছ আৰু 147 ৰাণত পৰাস্ত কৰিছে। উল্লেখ্য যে পাকিস্তানৰ 510 ৰাণৰ প্ৰত্যুত্তৰত জিম্বাব'ৱে 132 ৰাণত প্ৰথম ইনিংছ সামৰে। ইফালে, দ্বিতীয় ইনিংছ আৰম্ভ কৰি জিম্বাব'ৱে 231 ৰাণত অলআউট হয়। ইয়াৰপূৰ্বে পাকিস্তানে জিম্বাব'ৱেৰ বিৰুদ্ধে খেলা প্ৰথম টেষ্টত এক ইনিংছ আৰু 116 ৰাণত জয়লাভ কৰিছিল। টেষ্টখনত জিম্বাব'ৱে 176 ৰাণত প্ৰথম ইনিংছ সামৰিছিল। প্ৰত্যুত্তৰত পাকিস্তানে প্ৰথম ইনিংছত 426 ৰাণ কৰে। ইফালে, পাকিস্তানৰ প্ৰথম ইনিংছ সমাপ্ত হোৱাৰ জিম্বাব'ৱে দ্বিতীয় ইনিংছ আৰম্ভ কৰে যদিও 134 ৰাণতে অল আউট হয়।



## ইউৰোপা লীগৰ সফলতাৰ পাছত সিদ্ধান্ত

## কাভানিৰ লগত পুনৰ এবছৰলৈ চুক্তি মানচেষ্টাৰ ইউনাইটেডৰ

**লণ্ডন, ১১ মে' ঃ** উৰুগুৱেৰ তাৰকা ষ্টাইকাৰ কাভানিৰ লগত আৰু এবছৰ চুক্তি বৃদ্ধি কৰিছে মানচেষ্টাৰ ইউনাইটেডে। আজি সেয়া সম্পূৰ্ণ কৰে ইংলিছ ক্লাবটোৱে। উল্লেখ্য যে লুইছ ছুৱাৰেজৰ পাছত ইংলণ্ড ফুটবলত সম্প্ৰতি চমক সৃষ্টি কৰিছে উৰুগুৱেৰ আন এজন তাৰকা ষ্টাইকাৰ কাভানিয়ে। মানচেষ্টাৰ ইউনাইটেডক চলিত ইউৰোপা লীগ ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰোৱা তথা ই পি এলত দলৰ ধাৰাবাহিক সফলতা ধৰি ৰখাত কাভানিৰ ভূমিকা অনন্য। স্মৰ্তব্য যে মানচেষ্টাৰ ইউনাইটেডে ৰোমাৰ বিৰুদ্ধে চলিত ইউৰোপা লীগ ফুটবলৰ ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত পৰাস্ত হোৱাৰ পাছতো ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছে। ইউৰোপা লীগ ফুটবলৰ ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত ইটালীৰ ক্লাব ৰোমাই 3-2 গ'লৰ ব্যৱধানত পৰাস্ত কৰে মানচেষ্টাৰ ইউনাইটেডক। কিন্তু ইয়াৰপূৰ্বে হোৱা ছেমিফাইনেলৰ প্ৰথম লেগৰ মেচত মানচেষ্টাৰ ইউনাইটেডে সহজে পৰাস্ত কৰিছিল ৰোমাক। এখন একপক্ষীয় ছেমিফাইনেলত মানচেষ্টাৰ ইউনাইটেডে 6-2 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ৰোমাক। সেয়ে দ্বিতীয় লেগৰ মেচত মানচেষ্টাৰ ইউনাইটেডে ৰোমাৰ বিৰুদ্ধে পৰাস্ত হোৱাৰ পাছতো সামগ্ৰিকভাৱে 8-5 গ'লৰ ব্যৱধানত জয়ী হৈ ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছে ইংলণ্ডৰ ক্লাবটো। উল্লেখ্য যে প্ৰথম লেগৰ মেচত মানচেষ্টাৰ ইউনাইটেডৰ হৈ দুটাকৈ গ'ল দিছিল ব্ৰুন ফাৰ্ণাণ্ডেজ আৰু কাভানিয়ে। আনহাতে, দ্বিতীয় লেগৰ



মেচত মানচেষ্টাৰ ইউনাইটেডৰ হৈ গ'ল দুটা দিয়ে কাভানিয়ে। উল্লেখ্য যে ইউৰোপা লীগৰ কোৱাৰ্টাৰ ফাইনেলত মানচেষ্টাৰ ইউনাইটেড মুখামুখি হৈছিল গ্ৰানাডাৰ। কাভানিৰ ফৰ্ম দলৰ বাবে আশাপ্ৰদ। ফাইনেলত কাভানিৰ ওপৰতে ভৰষা ৰখিছে ইউনাইটেডে।

## মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক শুভেচ্ছা এ চি এৰ

**গুৱাহাটী, ১১ মে' ঃ** অসম ক্ৰিকেট সন্থাই ৰাজ্যৰ নতুন মুখ্যমন্ত্ৰী ড0 হিমন্ত বিশ্ব শৰ্মাক শুভেচ্ছা জনাইছে। এক প্ৰেছ বিজ্ঞপ্তিযোগে এ চি এ কয় যে ড0 হিমন্ত বিশ্ব শৰ্মাৰ বলিষ্ঠ নেতৃত্বত অসমৰ সৰ্বাংগিন উন্নয়নৰ গতি পূৰ্বতকৈয়ো দ্ৰুত হ'ব। আনহাতে, দীৰ্ঘদিন ধৰি ৰাজ্যৰ ক্ৰীড়াক্ষেত্ৰত জড়িত থকাৰ বাবে নতুন মুখ্যমন্ত্ৰী ড0 হিমন্ত বিশ্ব শৰ্মাই খেল আৰু খেলুৱৈৰ সমস্যা সমাধানো কৰিব পাৰিব বুলিও আশা ব্যক্ত কৰে অসম ক্ৰিকেট সন্থাৰ সভাপতি ৰমেন দত্ত, সম্পাদক দেৱজিৎ শইকীয়াই।



উল্লেখ্য যে ড0 হিমন্ত বিশ্ব শৰ্মা অসম ক্ৰিকেট সন্থাৰ প্ৰাক্তন সভাপতি আছিল। 2002 ৰ পৰা 2016 লৈ 16 বছৰ ধৰি ড0 হিমন্ত বিশ্ব শৰ্মা অসম ক্ৰিকেট সন্থাৰ উপসভাপতি পদত আছিল। আনহাতে, 2016 ৰ পৰা 2019 লৈ অসম ক্ৰিকেট সন্থাৰ সভাপতি পদত আছিল ড0 হিমন্ত বিশ্ব শৰ্মা। তেওঁ সভাপতি থকা সময়তে অসম ক্ৰিকেট সন্থাই নৱনিৰ্মিত বৰ্ষাপাৰা ষ্টেডিয়ামত 2017 ত প্ৰথম টি-20 মেচ আয়োজন কৰিছিল ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত। আনহাতে, গুৱাহাটীলৈ তিনিখন আই পি এল মেচ লৈ অনাতো সভাপতি ড0 হিমন্ত বিশ্ব শৰ্মাই একক ভূমিকা লৈছিল। অৱশ্যে ক'নাৰ বাবে সেয়া সম্ভৱ নহ'ল।

## আজি ব্যৰ্থতা মানেই পি এছ জিৰ হাতৰ পৰা ওলাই যাব খিতাপ

**পেৰিছ, ১১ মে' ঃ** ফৰাচী লীগৰ অন্তিম মেচত পি এছ জিয়ে 1-1 গ'লত ড্ৰ খেলে ৰেনেছৰ বিৰুদ্ধে। ফলত পইণ্ট তালিকাৰ দ্বিতীয় স্থানতে থাকিব লগা হয় পি এছ জি। উল্লেখ্য যে শীৰ্ষত থকা লিলিয়ে 36 খন মেচৰ পৰা লাভ কৰিছে 79 পইণ্ট। আনহাতে, পি এছ জি 36 খন মেচৰ পৰা লাভ কৰিছে 76 পইণ্ট। তিনি পইণ্ট পিছ পৰি থকা পি এছ জিয়ে কাইলৈ মুখামুখি হ'ব ম'ণ্টপেলিয়াৰ। এই মেচত দলে তিনি পইণ্ট অৰ্জন কৰিলে খিতাপ জয়ৰ আশা সজীৱ ৰাখিব। কিন্তু নিশ্চিত নহয়। বিপৰীতে পৰাস্ত বা পুনৰ ড্ৰ খেলিলে পি এছ জিৰ আশা সমাপ্ত হ'ব। উল্লেখ্য যে লিলিয়ে আৰু দুখন মেচ খেলিবলৈ বাকী আছে। দলক খিতাপ জয়ৰ বাবে প্ৰয়োজন চাৰি পইণ্ট। অন্তিম মেচত লিলিয়ে 3-0 গ'লৰ ব্যৱধানত জয়লাভ কৰিছিল। এই জয়ৰে লিলিয়ে পইণ্ট তালিকাত নিজৰ শীৰ্ষস্থান অক্ষুন্ন ৰাখিছে। আনহাতে, ম'নাকোই 36 খন মেচৰ পৰা 74 পইণ্ট লাভ কৰি তৃতীয় স্থানত আছে। এইসময়ত পি এছ জিৰ বাবে আৰু এটা বেয়া খবৰ। চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলত নিজৰ অভিযান সামৰা পি এছ জিয়ে এতিয়া ঘৰুৱা লীগৰ খিতাপো হেৰুওৱাৰ উপক্ৰম হৈছে। উল্লেখ্য যে স্মৰ্তব্য যে বিগত বৰ্ষৰ চেম্পিয়ন বেয়াৰ্ণ মিউনিখক কোৱাৰ্টাৰ ফাইনেলত হৰুৱাই চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছিল পি এছ জি। কিন্তু ছেমিফাইনেলৰ প্ৰথম আৰু দ্বিতীয় লেগৰ মেচত ইংলণ্ডৰ ক্লাব মানচেষ্টাৰ চিটীৰ বিৰুদ্ধে পৰাস্ত হৈ যাত্ৰা সামৰিছে ফ্ৰান্সৰ ক্লাব পি এছ জিয়ে।

## আজি ইটালীয়ান লীগৰ মৰণপণ মেচত জুভেণ্টাছ



**ৰোম, ১১ মে' ঃ** জুভেণ্টাছে এইবাৰ চেম্পিয়ছ লীগৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলতে নিজৰ অভিযান সামৰিছিল। কিন্তু দলৰ বাবে চিন্তাৰ বিষয় হ'ল অহা বছৰৰ চেম্পিয়নছ লীগলৈ জুভেণ্টছে যোগ্যতা অৰ্জন কৰিব নে নাই। কাৰণ জুভেণ্টাছ সম্প্ৰতি ইটালীয়ান লীগৰ পইণ্ট তালিকাৰ শীৰ্ষ চাৰিত নাই। উল্লেখ্য যে ইটালীয়ান ফুটবল লীগত জয়ৰ ধাৰাবাহিকতা অক্ষুন্ন ৰাখি ইণ্টাৰ মিলানে নিজৰ শীৰ্ষস্থানত দৃঢ় হৈ আছে। লীগ সমাপ্ত হোৱাৰ পূৰ্বেই খিতাপ জয় নিশ্চিত কৰিছে ইণ্টাৰ মিলানে। স্মৰ্তব্য যে ইণ্টাৰ মিলনে 35 খন মেচৰ পৰা লাভ কৰিছে 85 পইণ্ট। ইফালে, আটলাণ্টাই 35 খন মেচৰ পৰা 72 পইণ্ট লাভ কৰি দ্বিতীয়ত আছে। এ চি মিলানে 35 খন মেচৰ পৰা 72 পইণ্ট লাভ কৰি তৃতীয় স্থানত আছে। ইফালে, নেপ'লি দলে 35 খন মেচৰ পৰা লাভ কৰিছে 70 পইণ্ট। দল চতুৰ্থ স্থানত আছে। 35 খন মেচৰ পৰা 69 পইণ্ট লাভ কৰি পইণ্ট তালিকাৰ পঞ্চম স্থানত আছে জুভেণ্টাছ। কাইলৈ, ইটালীয়ান লীগত জুভেণ্টাছ মুখামুখি হ'ব ছাছুলোৰ। এই মেচত তিনি পইণ্ট ল'ব নোৱাৰিলে দলৰ চেম্পিয়নছ লীগলৈ যোগ্যতা অৰ্জনত ব্যাঘাত আহিব। ইফালে, কাইলৈ ইণ্টাৰ মিলান, আটলাণ্টা আৰু এ চি মিলানেও খেলিব নিজৰ নিজৰ মেচ। একপ্ৰকাৰ কাইলৈ নিশ্চিত হ'ব চলিত ইটালীয়ান লীগৰ পৰা ইণ্টাৰ মিলানৰ লগতে অন্য কোন তিনিটা দল চেম্পিয়নছ লীগলৈ যোগ্যতা অৰ্জন কৰে। উল্লেখ্য যে অন্তিম মেচত এ চি মিলানে 3-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে জুভেণ্টাছক। এই জয়ৰে এ চি মিলানে পইণ্ট তালিকাৰ শীৰ্ষ চাৰিত প্ৰৱেশ কৰি চেম্পিয়নছ লীগলৈ যোগ্যতা অৰ্জনৰ আশা সজীৱ ৰাখিছে। বিপৰীতে পৰাজয়ৰ পাছত চাপত পৰিছে জুভেণ্টাছ। কাইলৈৰ মেচ জুভেণ্টাছৰ বাবে মৰণপণ।



কৰ'নাৰ ভেকচিন লৈছে মান্ধানাই।



কৰ'নাৰ আতংকৰ মাজতে মানুহৰ মন প্ৰফুল্লিত কৰি চকুৰাখনাত ৰং বিলাইছে কৃষ্ণচূড়াই, মঙলবাৰে।

## টকাৰ বাবে মিছা প্ৰশংসা কৰিলে পুত্ৰ অমিতে

# 'ইণ্ডিয়ান আইডল'ত কিশোৰ কুমাৰক শ্ৰদ্ধা জনালে বেসুৰা গীতেৰে

■ নিউজ ব্যুৰ'

**মুম্বাই, ১১ মে' ঃ** টিভিৰ সংগীতৰ ৰিয়েলিটী শ্ব' 'ইণ্ডিয়ান আইডল ১২'ৰ কিশোৰ কুমাৰ স্পেচিয়েল এপিছ'ডক কেন্দ্ৰ কৰি সম্প্ৰতি সামাজিক মাধ্যমত প্ৰবল চৰ্চা চলি আছে। অনুষ্ঠানত কিংবদন্তি কিশোৰ কুমাৰৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি তেওঁৰ গীত গাইছিল বিচাৰকদ্বয় নেহা কক্কৰ আৰু হিমেশ ৰেছমিয়াই। সেই গীত একেবাৰেই পছন্দ নহ'ল একাংশ দৰ্শকৰ। অনুষ্ঠানৰ নিম্ন মানক লৈও তেওঁলোকে প্ৰশ্ন উত্থাপন কৰিছে। এনে পৰিস্থিতিতে 'ইণ্ডিয়ান আইডল'ৰ চলিত সত্ৰৰ উক্ত বিশেষ খণ্ডৰ নিন্দাত সৰৱ হ'ল কিশোৰপুত্ৰ অমিত কুমাৰ।

ৰিয়েলিটী শ্ব'টোৰ উক্ত বিশেষ খণ্ডত অতিথি বিচাৰকৰূপে উপস্থিত আছিল অমিত। অথচ খণ্ডটো সম্প্ৰচাৰিত হোৱাৰ পূৰ্বেই তাৰ নিন্দাত অমিত সৰৱ হৈ পৰে। এক সৰ্বভাৰতীয় সংবাদ মাধ্যমক দিয়া সাক্ষাৎকাৰত অমিতে জনাইছে যে তেওঁ টকা পোৱাৰ বাবেই উক্ত খণ্ডত অতিথি হৈছিল। তাত তেওঁক প্ৰত্যেককে প্ৰশংসা কৰিবলৈ কোৱা হৈছিল। সেই কাৰণেই তেওঁ সকলোৰে প্ৰশংসা কৰিছিল। কিন্তু প্ৰতিযোগীসকলৰ বেসুৰা গীত অমিতৰ একেবাৰে পছন্দ হোৱা নাছিল। অনুষ্ঠান এৰি ওলাই আহিবলৈ তেওঁৰ ইচ্ছা গৈছিল। কেতিয়া চিত্ৰগ্ৰহণ শেষ হ'ব তালৈকে তেওঁ অপেক্ষা কৰি আছিল। অৱশ্যে টকা যিহেতু লৈছিল, সেয়ে পেছাদাৰিত্ব বজাই ৰাখি অতিথি বিচাৰকৰ আসনত বহি ৰৈছিল বুলিও জনাইছে কিশোৰ-পুত্ৰই। অমিতে কয় যে তেওঁৰ পিতৃ কিশোৰ কুমাৰৰ গীত গোৱাটো কাৰো পক্ষেই সম্ভৱ নহয়। 'বিশেষকৈ আজিৰ প্ৰজন্মৰ এই গায়কসকলৰ পক্ষেতো কিশোৰ কুমাৰৰ প্ৰতিভাৰ কাষ চাপিব পৰাটো একেবাৰেই সম্ভৱ নহয়। এই প্ৰজন্মই কেৱল 'ৰূপ তেৰা মস্তানা'ৰ খবৰ ৰাখে।' অমিতে এইদৰে কোৱাৰ লগতে কয় যে কেতিয়াবা অৱশ্যে এনেকুৱা হ'ব পাৰে। তেওঁ পুনৰ কয়, 'অনুষ্ঠানৰ প্ৰতিযোগী আৰু বিচাৰকসকলৰ প্ৰতি মোৰ যথেষ্ট সন্মান আছে। কেতিয়াবা এনেকুৱা হ'বই পাৰে। সকলো গান বা সকলো চিনেমা ভাল হ'ব নোৱাৰে। কিছু ভাল হ'লে কিন্তু বেয়াও থাকে।' অমিতে লগতে কয় যে 'ইণ্ডিয়ান আইডল ১২'ৰ কিশোৰ কুমাৰ স্পেচিয়েল এপিছ'ডটো অত্যন্ত আমনিদায়ক আছিল। তথাপি পেছাৰিত্বৰ স্বাৰ্থতে যি ক'বলৈ কোৱা হৈছিল, তেওঁ তাকে কেমেৰাৰ সন্মুখত কৈছিল বুলি কয়।



কিংবদন্তি কিশোৰ কুমাৰৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি তেওঁৰ গীত গাইছিল বিচাৰকদ্বয় নেহা কক্কৰ আৰু হিমেশ ৰেছমিয়াই। সেই গীত একেবাৰেই পছন্দ নহ'ল একাংশ দৰ্শকৰ। অনুষ্ঠানৰ নিম্ন মানক লৈও তেওঁলোকে প্ৰশ্ন উত্থাপন কৰিছে।



পুডুচেৰীৰ এজন যুৱকৰ এই অনন্য কীৰ্তি দেখি অনেকেই বিস্ময় মানিছে। লগতে কোনোৱে প্ৰশ্ন কৰিছে যে শৰীৰচৰ্চাৰ বাবে মাটিৰ অভাৱ হৈছে নেকি? আচলতে এই শৰীৰচৰ্চা কোনো খেয়ালি স্বভাৱ বা নাম কিনাৰ সহজ পন্থা নহয়।

# সাগৰৰ তলত শৰীৰচৰ্চা কৰিছে ভাৰতীয় যুৱকে

## কৰ'না কালত জনসাধাৰণক সজাগ কৰাৰ অভিনৱ পদ্ধতিৰে চমক

■ নিউজ ব্যুৰ'

**পুডুচেৰী, ১১ মে' ঃ** সাগৰৰ গভীৰত নামি শৰীৰচৰ্চা কৰা এক ভিডিঅ' সম্প্ৰতি ভাইৰেল হৈছে সামাজিক মাধ্যমত। পুডুচেৰীৰ এজন যুৱকৰ এই অনন্য কীৰ্তি দেখি অনেকেই বিস্ময় মানিছে। লগতে কোনোৱে প্ৰশ্ন কৰিছে যে শৰীৰচৰ্চাৰ বাবে মাটিৰ অভাৱ হৈছে নেকি? আচলতে এই শৰীৰচৰ্চা কোনো খেয়ালি স্বভাৱ বা নাম কিনাৰ সহজ পন্থা নহয়। ইয়াৰ গভীৰত আছে এই মাৰাত্মক কৰ'না কালত জনমানসলৈ এক বিশেষ বাৰ্তা দিয়াৰ উদ্যোগ।

ভিডিঅ'ত দেখা পোৱা যুৱকজন হৈছে পুডুচেৰীৰ এজন পেছাদাৰী ডাইভাৰ বা ডুবাৰু অৰৱিন্দ। তেওঁ চেন্নাই আৰু পুডুচেৰীৰ সাগৰৰ উপকূলত ডাইভিঙৰ স'তে জড়িত। প্ৰায় দুটা দশক ধৰি অৰৱিন্দই এই কাম কৰি আহিছে। কৈশোৰ অৱস্থাতে তেওঁৰ পানীৰ স'তে বন্ধুত্ব গঢ়ি উঠিছিল। সেইবাবেই বিশেষ শৰীৰচৰ্চাৰে জনতালৈ বাৰ্তা প্ৰেৰণৰ বাবে তেওঁ পানীৰ তলকে বাছি লৈছে। অৱশ্যে ইয়াৰ বাবে তেওঁ সকলো ধৰণৰ সতৰ্কতা অৱলম্বন কৰিছে। চকুত আছিল প্ৰটেক্টিভ আই গিয়েৰ। পৰিধানত উপযুক্ত পোছাক। লোৱা হৈছিল অন্যান্য সতৰ্কতাও। কিন্তু এইদৰে ভূ-পৃষ্ঠৰ পৰা ১৪ মিটাৰ তলত অৰৱিন্দই শৰীৰচৰ্চা কৰি মানুহলৈ কি বাৰ্তা দিবলৈ চেষ্টা কৰিছে?

আচলতে এই মুহূৰ্তত ভাৰতত কৰ'নাৰ দ্বিতীয় ঢৌৱে আহি আঘাত কৰিছেহি। দৈনিক সংক্ৰমণ আৰু মৃত্যুৰ ৰূপ দেখি বাঢ়িছে আতংক। এনে ৰস্থাত সকলোকে শৰীৰচৰ্চাৰ প্ৰতি উৎসাহিত কৰাৰ লক্ষ্যৰেই অৰৱিন্দই এই উদ্যোগ হাতত লৈছে। এই সন্দৰ্ভত যুৱকজনে কয়, 'সকলোৱে প্ৰতিদিনে অন্তত ৪৫ মিনিট শৰীৰচৰ্চা কৰা উচিত। যাৰ ভিতৰত থাকিব লাগিব কেতবোৰ শ্বাস-প্ৰশ্বাসৰ ব্যায়ামো। ইয়াৰ ফলত শৰীৰ, বিশেষকৈ হাওঁফাওঁৰ কাৰ্যক্ষমতা বাঢ়িব। ফলত সংক্ৰমণ হ'লেও সহজে কাহিল কৰিব নোৱাৰিব। ইয়াৰ উপৰি শৰীৰচৰ্চাৰ ফলত সামগ্ৰিকভাৱে ৰোগৰ স'তে সংগ্ৰাম কৰাৰ শক্তিও বাঢ়িব।' প্ৰশ্ন উঠিছে যে এই বাৰ্তাতো সাগৰৰ উপকূলত শৰীৰচৰ্চাও কৰি দিব পাৰিলেহেঁতেন?

এই ক্ষেত্ৰত অৰৱিন্দৰ যুক্তি হৈছে তেওঁ যদি সাগৰৰ তলত নামি ব্যায়াম কৰিব পাৰে, তেন্তে বাকীসকলে পানীৰ পাৰৰ উপকূলত বহি সেয়া কিয় কৰিব নোৱাৰিব?



এপালি, দুপালি নহয় একেবাৰতে ছটা পালি প্ৰতিষেধক পালে ইটালীৰ এগৰাকী তৰুণীয়ে। এজন স্বাস্থ্যকৰ্মীৰ দায়িত্বজ্ঞানহীনতাৰ বলি হোৱা তৰুণীক লগে লগে চিকিৎসাধীন কৰা হয় যদিও সৌভাগ্যক্ৰমে এই পৰ্যন্ত তেওঁ কোনো বিপদৰ সন্মুখীন হোৱা নাই। তৎসত্ত্বেও চিকিৎসকে ২৩ বছৰীয়া যুৱতীগৰাকীক তীক্ষ্ণ পৰ্যবেক্ষণত ৰাখিছে।

# এবাৰতে প্ৰতিষেধকৰ ছটা পালি দিয়া হ'ল ইটালীৰ তৰুণীক

## সৌভাগ্যক্ৰমে কোনো পাৰ্শ্বপ্ৰতিক্ৰিয়া নাই শৰীৰত

■ নিউজ ব্যুৰ'

**ৰোম, ১১ মে' ঃ** কৰ'নাৰ তাণ্ডৱৰ সময়ত মানুহে এটা পালি প্ৰতিষেধক পোৱাৰ বাবে হাহাকাৰ কৰি আছে। তেনে অৱস্থাত এপালি, দুপালি নহয় একেবাৰতে ছটা পালি প্ৰতিষেধক পালে ইটালীৰ এগৰাকী তৰুণীয়ে। এজন স্বাস্থ্যকৰ্মীৰ দায়িত্বজ্ঞানহীনতাৰ বলি হোৱা তৰুণীক লগে লগে চিকিৎসাধীন কৰা হয় যদিও সৌভাগ্যক্ৰমে এই পৰ্যন্ত তেওঁ কোনো বিপদৰ সন্মুখীন হোৱা নাই। তৎসত্ত্বেও চিকিৎসকে ২৩ বছৰীয়া যুৱতীগৰাকীক তীক্ষ্ণ পৰ্যবেক্ষণত ৰাখিছে।

ইটালীৰ টাস্কেনিৰ উক্ত যুৱতীগৰাকী স্থানীয় ন'য়া হাস্পতালৰ মনঃস্বত্ত্ব বিভাগৰ শিক্ষানবীশ। যোৱা দেওবাৰে তেওঁক ফাইজাৰৰ প্ৰতিষেধক দিয়া হয়। তেতিয়াই ভুলতে এটাৰ পৰিৱৰ্তে ছটা পালি তেওঁৰ শৰীৰত প্ৰৱেশ কৰোৱা হয়। এই সন্দৰ্ভত হাস্পতালৰ মুখপাত্ৰই জনাইছে যে প্ৰতিষেধকৰ পালিৰ এটা বটলত ছটাকৈ পালি থাকে। হাস্পতালৰ এজন স্বাস্থ্যকৰ্মীয়ে ভুলতে এটা বটলত থকা ছটা পালিয়েই যুৱতীৰ শৰীৰত প্ৰৱেশ কৰায়। পৰৱৰ্তী সময়ত স্বাস্থ্যকৰ্মীজনে লক্ষ্য কৰে যে বটলৰ লগত আছে আৰু পাঁচটা খালি চিৰিঞ্জ। সেয়া দেখি স্বাস্থ্যকৰ্মীজনৰ সন্দেহ ওপজে আৰু ভালদৰে চাইহে ধৰিব পাৰিলে তেওঁ ইতিমধ্যে কি অঘটন ঘটালে। লগে লগে স্বাস্থ্যকৰ্মীজনে হাস্পতাল কৰ্তৃপক্ষৰ নিজৰ ভুলৰ বিষয়ে অৱগত কৰে। ইয়াৰ পাছতে যুৱতীগৰাকীক হাস্পতালত ভৰ্তি কৰোৱা হয়। তেওঁক তীক্ষ্ণ পৰ্যবেক্ষণত ৰাখে চিকিৎসকসকলে। প্ৰাথমিক পৰ্যবেক্ষণত অৱশ্যে তেওঁৰ শৰীৰত কোনো সমস্যা চকুত নপৰিল। সম্প্ৰতি তেওঁ সম্পূৰ্ণ সুস্থ অৱস্থাত থকাত সোমবাৰে যুৱতীক হাস্পতালৰ পৰা মুকলি কৰি দিয়া হয়। অৱশ্যে একেবাৰতে প্ৰতিষেধক ইমানখিনি পালি শৰীৰত প্ৰবিষ্ট হোৱা বিষয়টোক চিকিৎসকসকলে সহজভাৱে গ্ৰহণ কৰা নাই। তেওঁলোকে জনাইছে যে হাস্পতালৰ পৰা মুকলি কৰি দিয়া হ'লেও যুৱতীৰ শৰীৰত কোনো পাৰ্শ্বপ্ৰতিক্ৰিয়াই দেখা দিছে নেকি, সেয়া দৃষ্টিত ৰখা হ'ব। পৰৱৰ্তী কিছুদিনলৈ যুৱতীৰ শাৰীৰিক পৰিস্থিতিও নিৰীক্ষণত ৰখা হ'ব বুলি চিকিৎসকে জনাইছে। ইপিনে, হাস্পতালৰ কৰ্মী এজনে কিদৰে ইমান ডাঙৰ ভুল কৰিব পাৰিলে বুলিও প্ৰশ্ন উঠিছে। বিষয়টোৰ সন্দৰ্ভত ইতিমধ্যে তদন্তৰ নিৰ্দেশ দিয়া হৈছে। হাস্পতালৰ মুখপাত্ৰই কয়, 'নিঃসন্দেহে এয়া অতি ডাঙৰ ভুল। কিন্তু প্ৰাথমিকভাৱে স্বাস্থ্যকৰ্মীজনে অনিচ্ছাকৃতভাৱেই সেই ভুল কৰা বুলি গণ্য কৰা হৈছে।'

# মহামাৰী কৰ'নাই আউল লগাইছে ক্ষুদ্ৰ উদ্যোগীৰ ব্যৱসায়ত

## দীপক, নৰজ্যোতি, বাপুতি, অলকাৰ জীৱনলৈ নমাইছে সংকট

**কিশোৰ কুমাৰ কলিতা**

**নলবাৰী, ১১ মে' ঃ** কৰ'না অতিমাৰীৰ ফলত সাধাৰণ ৰাইজৰ জীৱন ধাৰণ প্ৰণালীত আউল লাগিছে। দিনৰ দুই বজাৰ পাছত ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ আৰু নৈশ সান্ধ্য আইনৰ কবলত পৰি হেজাৰ হেজাৰ শ্ৰমজীৱী লোক কৰ্মহীন হৈ পৰিছে। ইয়াৰ মাজতে দৈনিক ব্যৱসায়লৈ ওলাই গৈ সামগ্ৰী বিক্ৰী কৰি পৰিয়াল পোহপাল দিয়া একাংশৰ জীৱনলৈ ঘোৰ অন্ধকাৰ নামি আহিছে। যিসকলে আনৰ ঘৰত দিন মজুৰ নকৰে অথচ স্বাধীনভাৱে ঘৰতে খাদ্য সামগ্ৰী বনাই চাইকেলেৰে ফেৰী কৰি দোকানে দোকানে বিক্ৰী কৰি স্বচ্ছলভাৱে চলি আছিল, সেইসকলৰ জীৱন-জীৱিকাৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। এনে পৰিস্থিতিৰ বাবে চৰম দুৰ্যোগৰ মুখত পৰা পৰিয়াল হৈছে জিলাখনৰ বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ বজালী উদয়পুৰ গাঁৱৰ বাপুতি কলিতা আৰু অলকা কলিতাৰ পৰিয়াল। চাৰি সদস্যৰে এখন সুখৰ সংসাৰ। বাপুতি আৰু অলকা স্বামী-স্ত্ৰী। তেওঁলোকৰে ল'ৰা-ছোৱালী এহাল। কন্যা মানসী কলিতা (২২)। স্নাতকৰ ছাত্ৰী আৰু পুত্ৰ উজ্জ্বল কলিতা উচ্চতৰ মাধ্যমিক কলা শাখাৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ। পিতৃ-মাতৃয়ে উপাৰ্জনৰ বাবে ঘৰতে স্থাপন কৰিছে চাহৰ জুতিৰ বাবে বনোৱা এক ক্ষুদ্ৰ উদ্যোগ। অতি কম খৰচত এই উদ্যোগত চাহৰ জুতিৰ বাবে নিমকী, বুন্দিয়া ভুজিয়া, কাটা নিমকী, বাদাম ভাজি, কাবুলী বুট ভাজি, চানাচুৰ আদি প্ৰস্তুত কৰে। বাপুতি আৰু তেওঁৰ স্ত্ৰী অলকাই এইবোৰ সুন্দৰভাৱে প্ৰস্তুত কৰাৰ পাছত ল'ৰা-ছোৱালীহালে এইবাৰ পেকেট কৰি সজাই দিয়ে। ইয়াৰ পাছত ডাঙৰ বেগত ভৰাই এখন পুৰণি চাইকেলত তুলি কঢ়িয়াই নিয়ে চ'কবোৰৰ দোকানে দোকানে। উল্লেখ্য যে স্থানীয় চ'কবোৰৰ উপৰি নলবাৰী বজাৰ, বৰভাগৰ হাটখোলা বজাৰ, বাহাৰঘাট, সানেকুছি, নাৰপাৰা, সত্ৰ, কমাৰকুছি, বৰবৰী আদি চ'কবোৰৰ দোকানত বিক্ৰী কৰি পৰিয়ালটো স্বচ্ছলভাৱে চলি আহিছে। চাহৰ জুতিৰ বাবে প্ৰস্তুত কৰা সামগ্ৰীৰ ঘৰতে কৰা কাৰখানাও যে স্বচ্ছল জীৱনৰ আহিলা হ'ব পাৰে তাৰেই উদাহৰণ হৈ পৰিছে বাপুতি আৰু অলকা। উল্লেখ্য যে কৰ'না অতিমাৰীয়ে দৈনিক উপাৰ্জনৰ পথত হেঙাৰ হৈ থিয় দিয়াত পৰিয়ালটো চিন্তিত হৈ পৰিছে। সামগ্ৰী বনাবলৈ সংকোচ কৰিছে। দুই বজাৰ পাছত দোকান-পোহাৰ বন্ধ। এই ক্ষেত্ৰত ক্ষুদ্ৰ উদ্যোগী বাপুতি কলিতাই আক্ষেপ আৰু হতাশাৰে 'দৈনিক অগ্ৰদূত'ৰ আগত কয়, 'আমি চলাটো টান হৈছে। দিন হাজিৰাও কৰিব নোৱাৰো। ঘৰতে এই সৰু কাৰাখানা বনাই স্বাধীনভাৱে কষ্টৰে ব্যৱসায় কৰি চলি আছিলো। এতিয়া ইয়াতো সমস্যা হৈছে। বিক্ৰী কমি গৈছে। দোকানবোৰে বিক্ৰীৰ অভাৱত বস্তুবোৰ ৰাখিব নোখোজে। মুঠতে কৰ'নাই আমাৰবোৰৰ বাবে কাল মাতিছে।' একেই দুৰ্যোগৰ সন্মুখীন হৈছে গাঁওখনৰ একে ক্ষুদ্ৰ উদ্যোগী দীপক কলিতা আৰু শিক্ষিত যুৱক নৰজ্যোতি কলিতা। দুয়োজন ভাই ককায়েকে চৰকাৰী চাকৰিলৈ বাট নাচাই ১০ বছৰ ধৰি চাহৰ জুতিৰ বাবে বনোৱা সামগ্ৰীৰ এক ক্ষুদ্ৰ উদ্যোগ গঢ়ি তুলিছে। সামগ্ৰীসমূহে বৃহত্তৰ অঞ্চলটোত সুনাম কঢ়িওৱা দুই ভ্ৰাতৃৰ ক্ষুদ্ৰ উদ্যোগটোলৈ নামি আহিছে বিপৰ্যয়। উল্লেখ্য যে দুয়ো ভ্ৰাতৃয়ে ঘৰতে প্ৰতিষ্ঠা কৰা কাৰখানাত ভুজিয়া, নিমকী, খুৰমা, জেলেপি আদি পেকেট কৰি দোকানে দোকানে বিক্ৰী কৰে। প্ৰয়োজন মতে, গ্ৰাহকক বিয়া সকামত এই সামগ্ৰীসমূহ যোগান ধৰি পৰিয়াল পোহপাল দি আহিছিল। ঘৰৰ কাৰখানাত সামগ্ৰীসমূহ বনাই দুয়োজনে বৃহত্তৰ অঞ্চলটোৰ চ'কবোৰত থকা গেলামাল দোকান, পাণদোকান আৰু চাহ দোকানসমূহত মটৰ চাইকেলেৰে যোগান ধৰি উপাৰ্জন কৰি আহিছে। উল্লেখ্য যে দুই ভাই-ককাইৰ মাতৃ ৬০ বছৰীয়া কিৰণ কলিতা আৰু দীপক পত্নী তৰালি কলিতাৰ স'তে চাৰিজনীয়া পৰিয়ালটো এই ব্যৱসায়েৰে স্বচ্ছলভাৱে চলি আছিল। সম্প্ৰতি কৰ'না অতিমাৰীৰ পৰিপ্ৰেক্ষিতত চৰকাৰে ঘোষণা কৰা নৈশ সান্ধ্য আইনৰ বাবে শিক্ষিত যুৱক দুজনে বিপাঙত পৰিছে। সুদীৰ্ঘ বছৰ এনেদৰে চলি অহাৰ পাছত হঠাৎ কৰ্মজীৱনৰ গতি সলনি কৰাটো টান হৈ পৰিছে। এই ক্ষেত্ৰত শিক্ষিত যুৱক তথা ক্ষুদ্ৰ উদ্যোগী নৰজ্যোতি কলিতাই 'দৈনিক অগ্ৰদূত'ক কয়, 'চৰকাৰী চাকৰিৰ আশা নকৰি ১০ বছৰ পূৰ্বে ঘৰতে দাদাৰ লগত ক্ষুদ্ৰ উদ্যোগটো স্থাপন কৰি সুন্দৰভাৱে চলি আছিলো। যোৱা বছৰৰ পৰা কৰ'নাই আমাৰ ক্ষুদ্ৰ ব্যৱসায়খনত কেনা লগাইছে। স্বাভাৱিক পৰিস্থিতিত আমি পৰিয়ালটো ভালকৈ চলি থাকিব পাৰো। কিন্তু এই পৰিস্থিতিত আমি কেনেকৈ চলিম উপায়হীন হৈ পৰিছো। বিক্ৰী একেবাৰে কমি গৈছে। বিয়া-সকামত পোৱা অৰ্ডাৰো বন্ধ হৈছে। তাৰ বাবে দিনক দিনে ব্যৱসায় বেয়াৰ ফালে গৈছে। কি কৰিম ভাবি পোৱা নাই।' উল্লেখ্য যে ১০ বছৰে কোনো চৰকাৰী আঁচনিৰ ধন নোপোৱা দুই ভ্ৰাতৃয়ে নিজৰ ধৈৰ্য আৰু একাগ্ৰতাৰ বলেৰে নিজৰ লগতে পৰিয়ালটো ভৰণ-পোষণ দি আহিছে। চৰকাৰী সাহায্য অবিহনে সুদীৰ্ঘ ১০ বছৰে ধাৰাবাহিকভাৱে দুই ভ্ৰাতৃয়ে ক্ষুদ্ৰ উদ্যোগটোৰে অঞ্চলটোৰ নিবনুৱাসকলক এক আশাৰ বাট দেখুৱাইছে। উল্লেখ্য যে কৰ'না মহামাৰীৰ বাবে সম্প্ৰতি দুই ভাই-ককাই কৰ্মহীন হোৱাৰ উপক্ৰম হোৱাৰ লগতে বাপুতি আৰু অলকাও বিক্ৰীৰ অভাৱত হতাশ হৈ পৰিছে।





# বিশ্বৰ সবাতোকৈ বেছি টিকাকৰণ হোৱা স্থানতে শোচনীয় অৱস্থা

## এসপ্তাহৰ ভিতৰতে ক'ভিড আক্ৰান্তৰ সংখ্যা দ্বিগুণ



■ নিউজ ব্যুৰ'

**পালেৰ্মো (ছিচিলি), ১১ মে' ঃ** ইটালীৰ অন্তৰ্গত মেডিটেৰিয়ান সাগৰৰ সবাতোকৈ বৃহৎ দ্বীপ হৈছে ছিচিলি। জনসংখ্যা অনুপাতে বিশ্বৰ সকলো দেশৰ ভিতৰত সৰ্বাধিক টিকাকৰণ হৈছে ছিচিলিত। অথচ তাৰ পাছতো ৰোধ নহ'ল কৰ'নাৰ সংক্ৰমণ। বৰঞ্চ বিগত এটা সপ্তাহতে দ্বীপটোত সক্ৰিয় ৰোগীৰ সংখ্যা প্ৰায় দ্বিগুণলৈ বৃদ্ধি পাইছে। এই পৰিসংখ্যাই স্বাভাৱিকতে চিন্তিত কৰি তুলিছে ছিচিলিৰ প্ৰশাসনক।

এই সন্দৰ্ভত বিশ্ব স্বাস্থ্য সংস্থাই জনাইছে যে কি কাৰণত টিকাকৰণৰ পাছতো ইমান মানুহ আক্ৰান্ত হৈছে, সেই বিষয়ত পৰ্যালোচনা কৰাৰ পাছতহে তেওঁলোকে কোনো মন্তব্য কৰিব। ইতিমধ্যে বিষয়টো পৰ্যবেক্ষণ কৰি আছে 'হু'ৰ তৰফৰ পৰা প্ৰেৰণ কৰা এটা বিশেষজ্ঞৰ দলে। ইফালে, ছিচিলিৰ স্বাস্থ্য মন্ত্ৰণালয়ৰ তৰফৰ পৰা জনাইছে যে যোৱা সপ্তাহত দ্বীপটোত দুহেজাৰ ৪৮৬জন আক্ৰান্ত হয়। সেই সংখ্যা তাৰ আগৰ সপ্তাহৰ তুলনাত প্ৰায় দ্বিগুণ। কেৱল সেয়াই নহয়, এই আক্ৰান্তসকলৰ ৩৭ শতাংশই ইতিমধ্যে প্ৰতিষেধকৰ দ্বিতীয় পালিও গ্ৰহণ কৰিছে। ইয়াৰ উপৰি ভাৰত মহাসাগৰত থকা পৰ্যটকৰ গন্তব্যস্থলৰূপে বিখ্যাত আন কেতবোৰ দ্বীপৰাষ্ট্ৰতো সংক্ৰমণ বৃদ্ধি পাইছে। উল্লেখ্য যে ছিচিলিত ইতিমধ্যে দ্বিতীয় পালি প্ৰতিষেধক লোৱাসকলৰ ৫৭ শতাংশ লোকক দিয়া হৈছে চীনৰ চিন'ফাৰ্মৰ প্ৰতিষেধক। বাকীসকলক দিয়া হৈছে ক'ভিশ্বিল্ড প্ৰতিষেধক। এই মাৰাত্মক পৰিস্থিতিত সংক্ৰমণ ৰোধ কৰিবলৈ ছিচিলিয়ে এতিয়া নতুনকৈ পদক্ষেপ আৰম্ভ কৰিছে। স্কুলসমূহ সম্পূৰ্ণ বন্ধ কৰি দিয়া হৈছে। বন্ধ হৈছে খেলা-ধূলা। মানুহকো ঘৰতে থাকিবলৈ কোৱা হৈছে।






**অগ্ৰদূত পাব্লিচাৰ্চ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com